Content includes AI-generated material

পৰ্যটক দৰ্শনত অভিলেখ কাজিৰঙাৰ

ই-সংবাদ, ২০ মে': অসমৰ মান-অভিমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে ২০২৪-২৫ পৰ্যটন বৰ্ষ পৰ্যটকৰ ভ্ৰমণৰ ৫ পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MAY 21, 2025 ■ বুধবাৰ, ৬ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪৩ Guwahati, Assam ।। মূল্যঃ এটকা

# শংকৰজ্যোতিৰ হেণ্ডকাফৰ আঁৰত ৰাজনীতি!

## আছু নেতাক হেণ্ডকাফ পিন্ধোৱা 'খাকী'ৰ বিৰুদ্ধে ৰাজ্যত ক্ষোভৰ স্ফুলিংগ

ই-সংবাদ, দুলীয়াজান, ২০ মে': কোনো ৰাজনৈতিক শক্তিয়ে জিৰ' বনাবলৈ যোৱা প্ৰাক্তন ছাত্ৰনেতা শংকৰজ্যোতি বৰুৱা ক্ৰমান্বয়ে হিৰ' হৈ পৰিছে। জে'লৰ ভিতৰত ৯ নং পৃষ্ঠাত



দুলীয়াজানত অইলৰ সমুখত যুৱ-ছাত্ৰ পৰিষদৰ ধৰ্ণা, ফটোঃ ই-সংবাদ, দুলীয়াজান

## তদন্তকাৰীৰ দাবী পেহেলগামৰ পূৰ্বে 'গাদ্দাৰ' জ্যোতি গৈছিল পাকিস্তানলৈ

হিছাৰ, ২০ মে': চিৰবেৰী চুবুৰীয়া পাকিস্তানৰ হৈ চোৰাংচোৱা ৫ পৃষ্ঠাত

## প্ৰশান্ত ফুকনে মেট্ৰিক পাছ কৰিছে নে নাই সন্দেহ অখিলৰ!





ই-সংবাদ বিশেষ, ২০ মে': প্ৰশান্ত ফুকনে মেট্ৰিক পাছ কৰিছে নে নাই ৭ পৃষ্ঠাত

অইলৰ বিষয়াৰ ছত্ৰছায়াত হিন্দীভাষীৰ উদ্ধতালিৰ সীমা অতিক্ৰম

# জাতীয়তাবাদী সংগঠনক ফ্ৰি মে খানেৱালা বুলি তাচ্ছিল্য

### দুলীয়াজানৰ তেল ডিপ'ত অসমীয়াক চৰম অপমান

● তেল ডিপ'ৰ তনু শ্বাহী নামৰ হিন্দীভাষী যুৱতীৰ এজাহাৰৰ ভিত্তিত গ্ৰেপ্তাৰ হৈছিল আছুৰ প্ৰাক্তন সম্পাদক শংকৰজ্যোতি





ই-সংবাদ বিশেষ, ২০ মে': দুলীয়াজনৰ বিএন সিঙৰ তেল ডিপোত দুজনকে অনা-অসমীয়া ব্যৱসায়ীৰ ৮ পৃষ্ঠাত

## কাৰ্যকাল বৃদ্ধি আইবিৰ সঞ্চালক তপন ডেকাৰ

নতুন দিল্লী, ২০ মে': জম্মু-কাশ্মীৰত হৈ থকা উত্তেজনা পূৰ্ণ পৰিস্থিতি, অপাৰেচন ৩ পৃষ্ঠাত

## স্থায়ী সঞ্চালক প্ৰধান নিযুক্ত হ'ল হৰমীত সিং

ই-সংবাদ, ২০ মে': অসম চৰকাৰে ভাৰতীয় আৰক্ষী ২ নং পৃষ্ঠাত

## জলস্তৰ বৃদ্ধি! নীপকোৱে এৰিছে কপিলীৰ পানী

### খুলি দিছে ৬খন গেট

গুৱাহাটী, ২০ মে': নিৰবিচ্ছিন্ন বৰষুণৰ পিছতে ভয়াৱহ হাৰত ৫ নং পৃষ্ঠাত

## কৃষক মুক্তিৰ নেতাক গ্ৰেপ্তাৰ

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২০ মে': "এশ গৰু মাৰিলে বাঘৰো মৰণ"- বোলা কথাষাৰি প্ৰযোজ্য ৪ পৃষ্ঠাত

ব্যৰ্থতাৰ অভিলেখৰ পিছতো পুৰস্কাৰ

## পাক সেনা প্ৰধান আছিম মুনীৰক ফিল্ড মাৰ্শ্বাললৈ পদোন্নতি

নতুন দিল্লী, ২০ মে': ভাৰতৰ বিৰুদ্ধে চৰম কাপুৰুষালি আৰু ব্যৰ্থতাৰ সকলো অভিলেখ ভংগ কৰাৰ পিছতো ৪ পৃষ্ঠাত



এজাক বৰষুণৰ পিছতে নাজল-নাথল অৱস্থা

# স্মাৰ্ট চিটী! গুৱাহাটীত বুৰিল চৰকাৰৰ উন্নয়নৰ নৌকা

ই-সংবাদ, গুৱাহাটী, ২০ মে': গুৱাহাটীবাসীয়ে ৰাজ্য চৰকাৰ, কামৰূপ মহানগৰ প্ৰশাসন, গুৱাহাটী পৌৰ নিগমৰ ৩ পৃষ্ঠাত



পাকিস্তানক লৈ 'এক্স'ত মহাৰণ, এন্ট্ৰী পীযুষৰ

# গৌৰৱৰ বাবে চক্ৰবেহু সাজি নিজেই বন্দী মুখ্যমন্ত্ৰী!



হাফিজ ছুঈদক লগ কৰিছিল মোদীৰ ঘনিষ্ঠ আৰএছএছৰ 'থিংক টেংক' বেদ প্ৰতাপে

ই-সংবাদ, ২০ মে': অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই গৌৰৱ গগৈয়ে পাকিস্তানৰ বানক লৈ ২০২২ চনত কৰা ২ পৃষ্ঠাত


স্পষ্টীকৰণ মন্ত্ৰী পীযুষৰ

## জলসম্পদ বিভাগত নিযুক্তিৰ ভুৱা প্ৰচাৰ!

গুৱাহাটী, ২০ মে': জলসম্পদ বিভাগত স্থায়ী নিযুক্তি সন্দৰ্ভত সামাজিক মাধ্যমত বিয়পি পৰা এক ভুৱা খবৰক ৫ পৃষ্ঠাত চাওক

দেশদ্ৰোহীক বিচাৰি অব্যাহত অভিযান

## পাকিস্তানৰ পক্ষ লৈ অসমত গ্ৰেপ্তাৰ ৭৩ জন



বিশেষ প্ৰতিবেদন, ২০ মে': যোৱা ২২ এপ্ৰিল তাৰিখে কাশ্মীৰৰ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে ৬ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱৰ বাবে চক্ৰবেহু সাজি নিজেই বন্দী

এটা টুইটৰ স্ক্ৰীনশ্বট শ্বেয়াৰ কৰি গৌৰৱ গগৈক আক্ৰমণ কৰিছে। পীযুষ হাজৰিকাৰ সেই পোষ্টটো ৰি-পোষ্ট কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সেই পোষ্টটো ২০২২ চনৰ পাকিস্তানৰ ভয়াবহ বানৰ সময়ত কৰিছিল। গৌৰৱ গগৈয়ে চুবুৰীয়া দেশত মানৱীয় সংকট হোৱাৰ কথা উল্লেখ কৰি এহেজাৰ লোকে প্ৰাণ হেৰুওৱাৰ লগতে ঘৰ-বৰ ধ্বংস হোৱাৰ কথা উল্লেখ কৰি সহায়ৰ দৰকাৰ বুলি কৈছিল। লগতে সেই সময়ত ভাৰত পাকিস্তানৰ বিৰুদ্ধে এখন ক্ৰিকেট খেল জয়ী হৈছিল। গৌৰৱ গগৈৰ সেই ২০২২ চনৰ পোষ্টটোৰ স্ক্ৰীনশ্বট ভাইৰেল কৰা হৈছে। যিটো স্ক্ৰীনশ্বট প্ৰথমে পোষ্ট কৰি মন্ত্ৰী পীযুষে হাজৰিকাই। পীযুষ হাজৰিকাই পোষ্টটোত কৈছিল যে যেতিয়া সমগ্ৰ দেশে পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ গৌৰৱময় জয়ৰ আনন্দত মগন হৈ আছিল। তেতিয়া কিছুমানে মনোযোগ আৰু সহানুভূতি এটা অন্য দিশে ধাৱমান কৰিছিল। যিয়ে ভাৰতৰ বিৰুদ্ধে সন্ত্ৰাসৰ জন্ম দিয়ে। এয়া কেৱল ভুল স্থানৰ সহানুভূতি নহয়, ই এক প্ৰৱণতা। ছাত্ৰ-ছাত্ৰীক পাকিস্তান হাই কমিচনাৰল লৈ যোৱাৰ পৰা আৰম্ভ কৰি ভাৰতৰ দৃঢ় সংকল্পক দুৰ্বল কৰি তুলি এক কৰা। গৌৰৱ গগৈয়ে বৰং দেশভক্তি অনুভৱৰ পৰিৱৰ্তে পাকিস্তানৰ সপক্ষে নিজকে বেছি বহু সময় দিয়ে। একেবাৰে স্পষ্ট, প্ৰথমে ভাৰত। সদায়। পীযুষ হাজৰিকাৰ পোষ্টটো ৰি-পোষ্ট কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে এয়া দুখজনক যে কিছুমান ব্যক্তি ভাৰতৰ পৰা বেতন, ক্ষমতা আৰু পদ আদিৰ সকলো সুবিধা উপভোগ কৰে। কিন্তু তেওঁলোকৰ আনুগত্য সীমাৰ সিপাৰে থাকে। ভাৰতৰ পৰা সকলো লয় যদিও, তেওঁলোক মাত্ৰ পাকিস্তানৰ স্বাৰ্থতেই কাম কৰে। এইটো বিশ্বাসঘাতকতা। তাৰ পিছতে প্ৰত্যুত্তৰ দিয়ে সাংসদ গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা এটা টুইটৰ স্ক্ৰীনশ্বট শ্বেয়াৰ কৰিছে। সেই সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাকিস্তানত বানপানীয়ে সৃষ্টি কৰা ধ্বংসযজ্ঞ দেখি দুখিত হোৱা বুলি প্ৰকাশ কৰাৰ লগতে প্ৰাকৃতিক দুৰ্যোগত প্ৰভাৱিতসকল-আহতসকলক আৰু মৃত লোকৰ পৰিয়ালসমূহৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছিল। অৱস্থাৰ তাড়িত পুনৰুদ্ধাৰৰ বাবে প্ৰাৰ্থনা কৰিছিল নৰেন্দ্ৰ মোদীয়ে। গৌৰৱ গগৈয়ে পাকিস্তানৰ বানৰ পৰিস্থিতিৰ বাবে দুখ প্ৰকাশ কৰি কৰা পুৰণি স্ক্ৰুণশ্বট ভাইৰেল কৰাৰ পিছতে গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰীয়ে পাকিস্তানৰ বানৰ বাবে দুখ প্ৰকাশ কৰি টুইট কৰা স্ক্ৰীনশ্বট ভাইৰেল কৰে। গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰীৰ টুইটৰ স্ক্ৰীনশ্বট শ্বেয়াৰ কৰি কয় যে মই অসমৰ মুখ্যমন্ত্ৰীজনক লৈ চিন্তিত। তেওঁৰ এই অতিমাত্ৰা আকুলতাৰ ফলত তেওঁ ২০২২ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা মানৱীয় অৱস্থান বিশ্বাসঘাতকতা বুলি অভিহিত কৰিছে। এনে এজন ব্যক্তি মুখ্যমন্ত্ৰীৰ আসনত থকা যোগ্য নে? মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযুষ হাজৰিকাৰ এই আক্ৰমণৰ পিছতে দিল্লীত আজি আকৌ এবাৰ সংবাদমেল সম্বোধন কৰিছে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে কালি হিমন্ত বিশ্ব শৰ্মাই বাস্তৱ কথা কোৱা বুলি কয়। কালি মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাই হাজাৰটা মিছা কথা ক'ব পাৰে কিন্তু অসমৰ মুখ্যমন্ত্ৰীয়ে নোৱাৰে বুলি কোৱা কথাষাৰক উভতি ধৰি গৌৰৱ গগৈয়ে কয় যে তেওঁ সঁচা কথা কৈছে। তেওঁ মিছা কথা ক'ব পাৰে বুলি নিজকে পুৰস্কাৰ দিলে। এই অলংকাৰ মই দিব পৰা নাছিলো। এয়া বাস্তৱ। তাৰ বাবে তেওঁক ধন্যবাদ, কৃতজ্ঞতা জ্ঞাপন কৰিছো। মুখ্যমন্ত্ৰীয়ে নিজে স্বীকাৰ কৰা টাইটেল বা পুৰস্কাৰ মই নিজেও দিব নোৱাৰিলোহেঁতেন। অসমৰ মুখ্যমন্ত্ৰীৰ চকীৰ পৰা কিবা ক'লে তাৰ মৰ্যাদা থাকে। গাম্ভীৰ্যপূৰ্ণ কথা কোৱা উচিত। মুখ্যমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ চকীখনক সন্মান কৰা নাই।

যোৱা পঞ্চায়ত নিৰ্বাচনত অসমৰ মহিলাই চাকিৰ লোৱাৰ ক্ষেত্ৰত যি ক'লে সেই কথা অসমৰ মুখ্যমন্ত্ৰীয়ে ইমান তলৰ কথা কেতিয়াও ক'ব নোৱাৰে। অসমৰ মুখ্যমন্ত্ৰীয়ে কেতিয়াও আলফা, সাৰদা আদিৰ লগতে কেতিয়াও সম্পৰ্ক ৰাখিব নোৱাৰে। তেওঁ যে হাজাৰটো মিছা কথা ক'ব পাৰে সেইটো আমাৰ বাবে দুৰ্ভাগ্যজনক কথা। অসমৰ ৰাইজে ২০২১ চনৰ পিছত এজন মুখ্যমন্ত্ৰী পোৱা নাই। হাজাৰটা মিছা কথা কোৱা হিমন্ত বিশ্ব শৰ্মাক পাইছে। অদ্ভুত অদ্ভুত কথা। মোক মুখ্যমন্ত্ৰীয়ে পাক হাইকমিছনাৰলৈ ল'ৰা-ছোৱালীক নি ব্ৰেইন ৱাছ কৰিব বিচৰা বুলি কোৱা হৈছে। ইয়াতকৈ অদ্ভুত কথা কিবা থাকিব পাৰে নেকি? চাণক্যপুৰীত বহুত এম্বেছী আছে। হঠাতে এজন সাংসদে ৮০-৯০ জনীয়া প্ৰতিনিধিৰ সৈতে পাক হাইকমিছনাৰত নি ব্ৰেইন ৱাছ কৰা বুলি কোৱা কথাটো অদ্ভুত কথা। সেই প্ৰতিনিধিৰ ভিতৰত এজন সাংবাদিকো আছিল। ৰাষ্ট্ৰীয় সংবাদ সংস্থা দ্য হিন্দুৰ সাংবাদিক আছিল আৰু বাতৰিও প্ৰকাশ কৰিলে। সিদিনা হাইকমিচনাৰজনক বহু প্ৰশ্ন সুধিলে ল'ৰা-ছোৱালীয়ে। পাকিস্তানৰ কাশ্মীৰৰ ওপৰত ভুৱা স্থিতি কিয় আছে? সন্ত্ৰাসবাদৰ লগতপাকিস্তানৰ বিদেশ নীতি কিয় জড়িত হৈ আছে? পাকিস্তানে বহু যুদ্ধ ভাৰতৰ সৈতে হাৰি যোৱাৰ পিছতো নিজৰ স্থিতি কিয় সলনি কৰা নাই। সাংবাদিকজনে বিভিন্ন প্ৰশ্ন কৰিলে। এয়া ২০১৫ চনৰ কথা। ২০১৫ চনত আমাৰ ল'ৰা-ছোৱালীয়ে পাক হাইকমিচনাৰক টানকৈ ধৰিলে। পাকিস্তানৰ হাইকমিছনাৰে উত্তৰ দিব নোৱাৰিলে। ইপিনে মুখ্যমন্ত্ৰীয়ে কয় আমি হেনো ব্ৰেইন ৱাছ কৰিব নিছিলো- আজি এনেদৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উত্তৰ দিয়ে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ কথাৰ মূল্য নাই বুলি কৈ কয় যে ২০১৪ চনত মঙলদৈ সমষ্টিত কিৰিপ চলিহাই পৰাজিত হ'লে ৰাজনীতি ত্যাগ কৰিম। কিন্তু কিৰিপ চলিহাই হাৰিলে কিন্তু মুখ্যমন্ত্ৰীয়ে ৰাজনীতি ত্যাগ নকৰিলে। সেইটোৱে তেওঁৰ স্থিতি, সেইটোৱে তেওঁৰ চৰিত্ৰ, ব্যক্তিত্ব। ইজৰাইলত গৌৰৱ গগৈৰ পাছপৰ্ট হেৰুওৱাৰ বাবে বহু তথ্য লাভ কৰিব বুলি কোৱা কথাৰ উত্তৰ দি গৌৰৱ গগৈয়ে কয় যে মছলা দিয়ে মুখ্যমন্ত্ৰীয়ে। মোৰ পাছপৰ্ট হেৰুৱাইছিল। কিন্তু পিছত পাইছো। সেই পাছপৰ্ট ভাৰত চৰকাৰক জমা দিছো। আমি সাংসদ হ'লে চৰকাৰক পাছপৰ্ট জমা দিব লাগে। তেতিয়া চৰকাৰে আমাক ডিপ্লমেটিক পাছপৰ্ট দিছে।

চৰকাৰৰ ওচৰত সকলো দাতা আছে। এতিয়া মুখ্যমন্ত্ৰীৰ উপায় নাপায়। নতুন কাহিনী লাগে। তেওঁ ৰিজৰ্ট পোৱা নাই, বাগানৰ কাগজ পোৱা নাই, ফ্লাইঅভাৰৰ কাষত কতো মাটি পোৱা নাই, দলঙৰ কাষত কতো মাটি লোৱা নাই। লগতে বিজেপিৰ কোন কোন পাকিস্তানলৈ গৈছিল সেই কথা প্ৰকাশ কৰি গৌৰৱ গগৈয়ে কয় যে লালকৃষ্ণ আদৱানীয়ে পাকিস্তানলৈ গৈ জিন্নাৰ মাজাৰলৈ গৈ জিন্নাক প্ৰশংসা কৰিছিল। বিজেপি নেতা যশৱান্ত সিঙে জিন্নাৰ ওপৰত কিতাপ উলিয়াইছিল। হাইজেক হোৱা কাণ্ডত যশৱান্ত সিঙে বিমান হাইজেক কৰাসকলক গাড়ীত তুলি নিছিল। ২০১৪ চনত মোদীয়ে শপত গ্ৰহণত নিমন্ত্ৰণ দিছিল নৱাজ শ্বৰীফ, শ্বৰীফ আহিছিল। আৰএছএছৰ বিবেকানন্দ ইন্টাৰনেচনেল ফাউণ্ডেচনৰ এজন বেদ মালিকে ২০১৪ চনত সন্ত্ৰাসবাদী হাফিজ ছৈইদক লগ কৰিছিল। যিজনে হাফিজ ছৈইদে মুম্বাই আক্ৰণকাৰী। ৰ'ই বিচাৰি নোপোৱা হাফিজ ছৈইদক প্ৰধানমন্ত্ৰীৰ ঘনিষ্ঠ বেদ মালিকে লগ পাইছিল। ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱাজ শ্বৰীফৰ লাহোৰৰ ঘৰত জন্মদিন আৰু বিয়া খাবলৈ যোৱাৰ কথা উল্লেখ কৰি কয় যে মোদী যোৱাটো বিৰায়ানি ডিপ্লমেচি আৰু আমি যোৱাটো অপৰাধ। ২০১৪ চনত নৱাজ শ্বৰীফ আহিছিল। ২০১৫ চনত মোদী ডাঙৰীয়া গ'ল। ২০১৫ চনত আমিও গৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্থায়ী সঞ্চালক প্ৰধান নিযুক্ত হ'ল হৰমীত

সেৱাৰ ১৯৯২ চনৰ বেটচৰ বিষয়া হৰমীৎ সিঙক আনুষ্ঠানিকভাৱে অসমৰ আৰক্ষী সঞ্চালকপ্ৰধান হিচাপে নিযুক্তি দিছে। গৃহ বিভাগৰ নিৰ্দেশনা অনুসৰি এপেক্স স্কেলৰ অন্তৰ্গত পে' মেট্ৰিক্সৰ লেভেল ১৭ ত এই নিযুক্তি দায়িত্ব গ্ৰহণৰ দিনটোৰ পৰাই কাৰ্যকৰী হৈছে। হৰমীৎ সিঙে দিল্লী বিশ্ববিদ্যালয়ৰ ষ্টিফেন্স কলেজৰ পৰা ইতিহাসত অনাৰ্ছসহ স্নাতক ডিগ্ৰী লাভ কৰে আৰু তাৰ পিছত পঞ্জাৱ বিশ্ববিদ্যালয়ৰ পৰা ইতিহাসত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে দায়িত্ব এৰাৰ পিছতে বিশেষ ডিজিপি হৰমিৎ সিঙক ভাৰপ্ৰাপ্ত দায়িত্ব দিয়া হৈছিল। পূৰ্বৰ ডিজিপি জি পি সিঙে পদত্যাগ কৰাৰ পিছত এই দায়িত্ব গ্ৰহণ কৰা হৰমীৎ সিঙে ভাৰপ্ৰাপ্ত ডিজিপি হিচাপে দায়িত্ব পালন কৰি আছিল।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্মাৰ্ট চিটী! গুৱাহাটীত বুৰিল চৰকাৰৰ

ভয়াৱহ অব্যৱস্থাৰ বাবে দুখ-দুৰ্দশা ভুগিবলগীয়া হৈছে। এতিয়া এজাক বৰষুণতে সমগ্ৰ গুৱাহাটীবাসীয়ে নৰক যন্ত্ৰণাত সময় পাৰ কৰিবলগীয়া হৈছে। কালি নিশাৰে পৰা গুৱাহাটীৰ পয়ালগা অৱস্থা। পথত নাও চলাবলগীয়া হৈছে। মহানগৰৰ ৰুক্মিণীগাঁৱত পৰিয়ালসমূহ গৃহবন্দী হৈ থাকিবলগীয়া হৈছে। স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰী, কৰ্মক্ষেত্ৰলৈ যাবলগীয়া লোকসকলে গৃহবন্দী হয়। ৰুক্মিণীগাঁৱত নাও চলে। কৃত্ৰিম বানৰ বাবে ভয়াৱহ পৰিস্থিতিত ৰুক্মিণীগাঁৱৰ ৰাজপথত এছডিআৰএফে নাও চলাই নাগৰিকক আহ-যাহত সহায় কৰে। ৰুক্মিণীগাঁৱৰ বহু ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিবলৈ যাব নোৱাৰিলে। কালি নিশা প্ৰায় ১২ বজাৰ পৰা পুৱাৰ ভাগলৈকে হোৱা নেৰানেপেৰা বৰষুণৰ পিছতে গুৱাহাটীবাসীৰ জনজীৱন স্তব্ধ হৈ পৰিছে। চৌদিশে মহাসাগৰ সদৃশ পৰিস্থিতি দেখা গৈছে। বহু এলেকাত মানুহৰ ঘৰৰ চৌহদত পানী সোমাই মানুহ ঘৰৰ পৰা ওলাব পৰা পৰিৱেশ নোহাৰা হৈছে। স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীয়ে ঘৰতে থকাবিলগীয়া হোৱাৰ লগতে চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ত কৰ্মচাৰীয়ে কামলৈ যাব নোৱাৰিলে। কিছু কৰ্মচাৰীয়ে পানী ফালি কাৰ্যালয়লৈ গৈছে। এজন বৰষুণতে গুৱাহাটী মহানগৰী নৰক হৈ পৰে। ঠায়ে পথত এককাল পৰ্যন্ত পানী। কৃত্ৰিম বানত ডুব গৈ গুৱাহাটী মহানগৰখনে কদৰ্য ৰূপ ধাৰণ কৰে। ভৰ বাৰিষা সময় আহি পৰা নাই। ভৰ বাৰিষালৈ বহুদিন বাকী থকা অৱস্থাতে গুৱাহাটী বাৰে বাৰে ডুবি হাহাকাৰ লগাইছে ৰাইজৰ। পথ, উপ-পথ পানীত ডুব যায়। চৰকাৰী অব্যৱস্থাৰ বাবে গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈ পৰিছে। নিশাৰ বৰষুণৰ পিছতে চৌদিশে কেৱল পানী আৰু পানী। বৰষুণে চৰকাৰৰ উন্নয়ন উন্নয়ন বুলি চিঞৰি থকা দম্ভ-অহংকাৰ কৃত্ৰিম বানক উটি-ভাহি যায়। বৰষুণৰ পিছতে গুৱাহাটীৰ বহু এলেকাত জনজীৱন স্তব্ধ হৈ পৰে। বহু এলেকাত খোৱা পানী অবিহনে আৱদ্ধ হৈ থকাৰ লগতে বিশুদ্ধ খোৱাপানীৰ অভাৱত ককবকাবলৈ বাধ্য হয় মহানগৰীৰ বাসিন্দা। মহানগৰীৰ অনিলনগৰৰ ৰাস্তাত এবুকু পৰ্যন্ত পানী হয়। বানৰ পিছতে অনিলনগৰৰ বাসিন্দা বানত আৱদ্ধ হৈ পৰে। অনিলনগৰ মহাসাগৰ হৈ পৰে। চানমাৰিৰ মণিৰাম দেৱান পথত মহাসাগৰ সদৃশ পৰিৱেশ দেখা যায়। কেৱল অনিলনগৰ, নবীননগৰ কিম্বা চানমাৰিৰ মণিৰাম দেৱান পথেই নহয় সিজুবাৰী, ডাউন-টাউন, ছয়মাইল, যোৰাবাট, গীতানগৰ, পাঞ্জাবাৰী, সাতগাঁও, চানমাৰি, ৰুক্মিণীগাঁও, সিজুবাৰী, লেম্ব ৰোড, পূব শৰণীয়া, শিলপুখুৰী, বামুণীমৈদাম, আমবাৰী ভয়ংকৰ কৃত্ৰিম বানৰ কৱলত পৰে। আজি আবেলি পৰ্যন্ত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈয়ে থাকে। ঠায়ে ঠায়ে নলা নিৰ্মাণৰ বাবে গাত খান্দি থোৱাত মৰণফান্দ পৰিণত হৈছে। শিল বালি পথৰ দাঁতিত দমাই থকাৰ লগতে ঠায়ে ঠায়ে ৰদ ওলাই থকাত ভয়াবহ হৈ আছে। চানমাৰিৰ উৰণীয়া সেঁতুৰ পৰা জলসিঞ্চন কাৰ্যালয় আৰু লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সন্মুখৰ ভাগৰ পথত পানী উপচি পৰাত পথচাৰী ঘণ্টাৰ পিছত ঘণ্টা ধৰি পথৰ ওপৰতে ৰৈ থাকিবলগীয়া হয়। আনহাতে নিৰ্মাণৰত উৰণীয়া সেঁতুৰ বাবে পথটোৰ ঠায়ে ঠায়ে বোকা-পানী জমা হোৱাত পথচাৰীয়ে বিকল্প পথ হিচাপে বাছি লৈছে পদপথ। অসম চৰকাৰে সদায়েই নলা-নৰ্দমা নিৰ্মাণ কৰি আহিছে যদিও আজিলৈ কৃত্ৰিম বান ৰোধ কৰিব নোৱাৰিলে। ইপিনে আজি পুৱাৰ ভাগত চমক দিয়ে বিভাগীয় মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। গুৱাহাটীৰ কৃত্ৰিম বান পৰিদৰ্শন কৰি মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বিষয়াসকলক কেইবাটাও কঠোৰ নিৰ্দেশনা প্ৰদান কৰে। নলাৰ পৰা উলিওৱা আৱৰ্জনা লগে লগে আতৰ কৰাৰ লগতে নিৰ্মাণৰত নলাৰ কাম শীঘ্ৰে সমাপন কৰিবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰিছে। আজি সমগ্ৰ গুৱাহাটী ডুবি থকাৰ সময়তে শিলসাঁকোলৈও যায় মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। শিলসাঁকোত চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত বুলডজাৰ চলায়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱা শিলসাঁকোত উপস্থিত হোৱাৰ পিছতে চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত উচ্ছেদ অভিযান চলে। আজি অমিয় কুমাৰ দাস ইনষ্টিটিউটত উচ্ছেদ চলোৱা হয়। শিলসাঁকোৰ অমিয় কুমাৰ দাস ইনষ্টিটিউটত পুনৰ প্ৰশাসনে বুলড'জাৰ চলাব। মন্ত্ৰী বৰুৱাই একাদিক্ৰমে কোপাৰেটিভ বেংক, জিঞ্জাৰ হোটেল আইএইচএমকে ধৰি অবৈধ দখল ভাঙি পেলোৱা হ'ব বুলি ঘোষণা কৰে। গুৱাহাটীৰ কৃত্ৰিম বান ৰোধ কৰাৰ শিলসাঁকোত উচ্ছেদ চলোৱাৰ কথা উল্লেখ কৰে বৰুৱাই। অ'কেডি, জিঞ্জাৰ, কোপাৰেটিভ ইনষ্টিটিউট, আইএইচএমত কেতিয়া উচ্ছেদ চলাব বুলি প্ৰশ্ন কৰাত আজিৰে পৰা একাদিক্ৰমে এই কাম আৰম্ভ হ'ল বুলি কয় মন্ত্ৰীগৰাকীয়ে। আজি অমিয় কুমাৰ দাস ইনষ্টিটিউটত উচ্ছেদ চলোৱা হ'ল। উচ্ছেদ চলোৱাৰ আগত এটা প্ৰক্ৰিয়া থাকে সেই প্ৰক্ৰিয়া সমাপ্ত কৰি উচ্ছেদ চলোৱা হৈছে। এই মাহৰ ৩০ তাৰিখে আইএইচএমত খন ভাঙিম। অহা এক মাহ দুমাহত বাকি অবৈধ দখল উচ্ছেদ কৰা হ'ব। উচ্ছেদ কৰাৰ পিছত শিলসাঁকো বহল কৰা হ'ব আৰু খন্দা হ'ব। তেতিয়া গুৱাহাটীৰ কৃত্ৰিম বান ১০০ শতাংশ নহ'লেও যথেষ্ট কমিব। গুৱাহাটী উন্নয়ন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই গুৱাহাটীৰ বানৰ বাবে পুনৰ ইউএছটিএমক দোষাৰোপ কৰে। তেওঁ কয় যে মেঘালয়ৰ পৰা কেৱল পানীয়ে নহয় গোবৰো আহে। যাৰ বাবে নলাবোৰ বন্ধ হয়। আজি মন্ত্ৰীগৰাকীয়ে ৰয় যি আহিছে পানী সেয়া মেঘালয়ৰ পানী। মেঘালয়ৰ পৰা ইমান ফৰ্চত পানী নামিছে। সেয়েহে বৰষুণৰ পানী পাম্প কৰি উলিয়াই দিব পাৰিছো, কিন্তু ইয়াত বহুত পানী। মেঘালয়ত ইউএছটিএমে যি কাৰ্য কৰিছে তাৰ বাবে পাহাৰৰ পানী তীব্ৰগতিত নামি আহিছে। মেঘালয়ৰ পৰা নামি অহা পানীখিনি যাতে মহানগৰীৰ ভিতৰত নোসোমাই তাৰ বাবে কইনাধৰাৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ পাৰে পাৰে নলা নিৰ্মাণ কৰি পামহীত পেলোৱা হ'ব। জুৰিপাৰৰ পানী শিলসাঁকোত পেলাব লাগিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰ্যকাল বৃদ্ধি আইবিৰ সঞ্চালক তপন

সেন্দুৰৰ দৰে সন্ত্ৰাসবাদ বিৰোধী অভিযানত সেনাবাহিনীৰ সাফল্য আৰু সমগ্ৰ দেশজুৰি অব্যাহত থকা সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপৰ মাজতে এক বৃহৎ সিদ্ধান্ত গ্ৰহণ কেন্দ্ৰীয় চৰকাৰৰ। চোৰাংচোৰা ব্যুৰ'ৰ সঞ্চালক তপন কুমাৰ ডেকাৰ কাৰ্যকাল আৰু এবছৰৰ বাবে বৃদ্ধি কৰিছে গৃহ মন্ত্ৰালয়ে। ১৯৮৮ চনৰ হিমাচল প্ৰদেশৰ কেডাৰ এইগৰাকী আইপিএছ বিষয়াই ৩০ জুনত অৱসৰ গ্ৰহণৰ কথা আছিল যদিও মঙলবাৰে কেন্দ্ৰই জাৰি কৰা এক নিৰ্দেশনাত ঘোষণা কৰা হৈছে যে তেওঁৰ কাৰ্যকাল ২০২৬ চনৰ ৩০ জুনলৈ বৃদ্ধি কৰা হৈছে। উল্লেখ্য যে ২০২২ চনৰ ১ জুলাইত আইবিৰ সঞ্চালকৰ দায়িত্ব গ্ৰহণ কৰিছিল অসম সন্তান আইপিএছ তপন কুমাৰ ডেকাই। তেতিয়াৰ পৰা তেওঁৰ নেতৃত্বত আইবিৰ সন্ত্ৰাসবাদ বিৰোধী কোষে উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰী সূত্ৰ অনুসৰি ডেকাৰ নেতৃত্বতেই ভাৰতীয় মুজাহিদীন আৰু চিপিআই (মাওবাদী)ৰ বিস্তৃত নেটৱৰ্ক কাৰ্যতঃ ধ্বংস কৰা সম্ভৱ হৈছে। তেওঁৰ নেতৃত্বই কেৱল দেশৰ ভিতৰতে নহয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো চোৰাংচোৱাগিৰি আৰু শক্তিশালী চোৰাংচোৰাৰ তথ্যৰ ভিত্তিত বহুতো ষড়যন্ত্ৰমূলক প্ৰচেষ্টা ৰোধ কৰিছে। সেই প্ৰেক্ষাপটতে দ্বিতীয়বাৰৰ বাবে তেওঁৰ কাৰ্যকাল বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে কেন্দ্ৰই। প্ৰণিধানযোগ্য যে, পেহেলগাম আক্ৰমণৰ পিছত যেতিয়া ভাৰত-পাক সংঘাত চৰম পৰ্যায়ত উপনীত হোৱাৰ সময়তে ভাৰতে আৰম্ভ কৰিছিল অপাৰেচন সিন্দুৰ অভিযান। তাৰ পিছৰ পৰাই জম্মু-কাশ্মীৰত অব্যাহত আছে উত্তেজনা। নিয়ন্ত্ৰণ ৰেখাত আপাততঃ যুদ্ধবিৰতি জাৰি কৰা হৈছে যদিও বৰ্তমানো অব্যাহত আছে সন্ত্ৰাসবাদীৰ অনুপ্ৰৱেশ আৰু গোপন আক্ৰমণ। সেনা আৰু নিৰাপত্তা বাহিনীৰ একাধিক অভিযানত কাশ্মীৰ, ছত্তীশগড়, ঝাৰখণ্ড, ওড়িশা আদি মাওবাদী প্ৰভাৱিত অঞ্চলত উগ্ৰবাদী সংগঠনৰ শাখা ধ্বংস কৰা হৈছে। সেই কামত বিগত এটা বছৰত আইবিয়ে আটাইতকৈ সক্ৰিয় ভূমিকা পালন কৰিছে। ইয়াৰ উপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উল্লেখ কৰিছে যে ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত দেশখনক মাওবাদৰ পৰা মুক্ত কৰাৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত কোনোধৰণৰ ত্ৰুটি ৰখা নহ'ব। ইতিমধ্যে কোৰগুটা পাহাৰৰ পৰা আৰম্ভ কৰি অন্তৰ্দেশীয় বহু বনাঞ্চলত অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। আৰু এই পৰিস্থিতিত তপন কুমাৰ ডেকাৰ দৰে শক্তিশালী নেতৃত্বৰ হাতত আইবিৰ দৰে সংস্থাৰ বাঘজৰী থকাটো কেন্দ্ৰৰ বাবে অতি গুৰুত্বপূৰ্ণ বিবেচিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কৃষক মুক্তিৰ নেতাক গ্ৰেপ্তাৰ

হ'ল তথাকথিত আন্দোলনকাৰী নেতা উমানন্দ মুদৈ মৰাণৰ ক্ষেত্ৰত। তিনিচুকীয়া জিলাৰ তালাপৰ এগৰাকী প্ৰতিষ্ঠিত চাহ ব্যৱসায়ী তথা উদ্যোগপতিক ২০ লাখ টকা ধন দাবী কৰি অৱশেষত ৰঙাঘৰৰ আলহী হ'বলগীয়া হ'ল উমানন্দ মুদৈ মৰাণ। তিনিচুকীয়া জিলা সত্ৰ ন্যায়াধীশ আদালতে ইতিমধ্যে জেললৈ প্ৰেৰণ কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাংগঠনিক সম্পাদকগৰাকীক। কৃষক নেতাগৰাকীক তিনিচুকীয়া আৰক্ষীয়ে আদালতত হাজিৰ কৰিছিল। উল্লেখ্য যে, আজি কেইদিনমানৰ পূৰ্বে দীন দয়াল বাৰ্মা নামৰ উদ্যোগপতিজনক কৃষক নেতা উমানন্দ মৰাণে ২০ লাখ টকা ধন দাবী কৰা এটা ফোন ৰেকৰ্ডিং সামাজিক মাধ্যমত ধুমুহাৰ গতিত বিয়পি পৰাত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছিল। আজি পুৱা দীনদয়াল বাৰ্মাই ডুমডুমা আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত কৃষক নেতাগৰাকীক তিনিচুকীয়া আৰক্ষীয়ে পেঙেৰী আৰক্ষী থানাৰ অন্তৰ্গত ফিল'বাৰীৰ তৰাণি গাঁৱৰ পৰা আটক কৰি তিনিচুকীয়া সদৰ থানালৈ নিয়ে। সদৰ থানাত দুগৰাকী শীৰ্ষ আৰক্ষী বিষয়াই কৃষক নেতাগৰাকীক জেৰা চলাই আদালতত হাজিৰ কৰে। স্মৰ্তব্য যে, খিলঞ্জীয়াক সংস্থাপনৰ কথা দোহাই প্ৰতিষ্ঠিত চাহ ব্যৱসায়ী তথা উদ্যোগপতি বাৰ্মাক ২০ লাখ টকা ধন দাবী কৰা উমানন্দ মুদৈ মৰাণে উদ্যোগপতি বাৰ্মাৰ পৰা কৌশলেৰে টকা সৰকোৱাৰ যি নাটক ৰচিছিল, তাৰ পৰিণাম আজি ভুগিবলগা হৈছে তথাকথিত কৃষক নেতা উমানন্দই। নিজকে সদায় স্বচ্ছ আৰু নিকা ভাৱমূৰ্তিসম্পন্ন নেতা বুলি জাহিৰ কৰি অহা উমানন্দই খিলঞ্জীয়াক সংস্থাপনৰ অজুহাত দেখুৱাই তালাপ নিৱাসী দীন দয়াল বাৰ্মা নামৰ উদ্যোগপতিজনক ব্লেকমেইলিঙেৰে ২০ লাখ টকাৰ ধন দাবী কৰিছিল। ২০ লাখত দৰ-দাম কৰা উমানন্দই অৱশ্যে ১২ লাখলৈ অৱনমিত হ'য়, যি কথা ভাইৰেল হোৱা ফোন ৰেকৰ্ডিংটোত স্পষ্টকৈ উল্লেখ আছে। উক্ত ফোন ৰেকৰ্ডিঙত কৃষক নেতা উমানন্দ মুদৈ মৰাণে কয়লা চিণ্ডিকেটৰ নায়ক কেইজনমানৰ নাম উল্লেখ কৰি তেওঁলোকৰ সৈতেও দৰ-দাম কৰা বুলিও উল্লেখ কৰিছে। তথাকথিত তথা অসাধু কৃষক নেতা উমানন্দই উক্ত ফোন ৰেকৰ্ডিঙত এগৰাকী ৰাজহ চক্ৰ বিষয়াৰ নাম উল্লেখ কৰি উদ্যোগপতি দীন দয়াল বাৰ্মাক ৰাজহ চক্ৰ বিষয়াগৰাকীক মেনেজ কৰিবলৈ কৈ সাংবাদিকক নিজে মেনেজ কৰিব বুলি ভয়ংকৰ ব্লু-প্ৰিণ্ট ৰচনা কৰিছিল, যিটো সঁচাই নিন্দনীয়, ক্ষমাৰ অযোগ্য। খিলঞ্জীয়াক সংস্থাপনৰ দোহাই দি চাহ বাগিচাৰ ভুমি উচ্ছেদৰ ভয় দেখুওৱা কৃষক নেতা উমানন্দই মাজে-সময়ে ছদ্মবেশী ঠিকাদাৰৰ ভুমিকাও পালন কৰাৰ নজিৰ আছে। কিছুদিনৰ পূৰ্বে কৃষক নেতা উমানন্দই ডিগবৈস্থিত ভাৰতীয় তেল নিগম (আইঅ'চি)ৰ অসম তেল সংমণ্ডল (এঅ'ডি)ৰ ডিগবৈ ঠিকাদাৰ সন্থাৰো ৰোষত পৰিছিল। অভিযোগ অনুসৰি, তিনিচুকীয়া জিলাত আন্দোলকাৰী নেতাৰূপে পৰিচিত উমানন্দই জনৈক আগৰৱালা উপাধিৰ এগৰাকী বহিৰাগতৰ নামত ডিগবৈ তেল শোধনাগাৰত শিলগুটি যোগান ধৰাৰ একপ্ৰকাৰৰ ছিণ্ডিকেট চলাই আহিছে। ডিগবৈ আইঅ'ডি (এঅ'ডি)ত প্ৰায় ৩০০ পঞ্জীয়নভুক্ত ঠিকাদাৰ দীৰ্ঘদিন ধৰি কাম কৰি আহিছে যদিও শোধনাগাৰটোত কামৰ পৰিমাণ কমি অহাত কামৰ অভাৱত বহু সময়ত হাত-সাবতি বহি থাকিবলগীয়া পৰিস্থিতিৰো সন্মুখীন হোৱা ঠিকাদাৰসকলক একপ্ৰকাৰৰ অংগুষ্ঠ প্ৰদৰ্শন কৰি ভূতৰ ওপৰত দানহ পৰাদি ছিণ্ডিকেট চলোৱা উমানন্দই মাফিয়াৰ কায়দাৰে ডাম্পাৰে ডাম্পাৰে ডিগবৈ তেল শোধনাগাৰত শিলগুটি যোগান ধৰাৰ কাৰ্যক লৈও নিবনুৱাৰূপী পঞ্জীয়নভুক্ত ঠিকাদাৰসকলে কৃষক নেতা উমানন্দৰ কাৰ্যকলাপৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰা পৰিলক্ষিত হৈছিল। তিনিচুকীয়া জিলাত কয়লা, গৰু, কাঠ, শিল-বালি আদিৰ ছিণ্ডিকেটৰ সৈতেও জড়িত উমানন্দক ডুমডুমা আৰক্ষী থানাৰ গোচৰ নং ৮৫/২৫ পঞ্জীয়ন কৰি ভাৰতীয় ন্যায় সংহিতা আইনৰ ইউ/এছ ৩৫১(৩)/৩০৮(৪)/৩০৮(৫)/১৯৬(১) এ বি এন এছ ধাৰা সন্নিবিষ্ট কৰিছে তদন্তকাৰী আৰক্ষীয়ে। ইপিনে, সংগঠনবিৰোধী কাৰ্যত লিপ্ত থকাৰ বাবে যোৱা ১১ মে' তেই কৃষক মুক্তি সংগ্ৰাম সমিতিৰ পৰা অব্যাহতি দিয়াৰ কথা বিবৃতিযোগে জানিবলৈ দিয়ে সংগঠনটোৱে। এইখিনিতে উল্লেখ কৰাৰ প্ৰয়োজন যে, একাধিক চাহ বাগিচাৰ মালিক তথা তালাপ বালিবজাৰস্থিত এটা চাহ ফেক্টৰীৰো গৰাকী উদ্যোগপতি তথা বৃহত্তৰ তালাপ অঞ্চলত সমাজসেৱক হিচাপে পৰিচিত দীন দয়াল বাৰ্মাই ২০১৬ চনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে ১২৬ নং শদিয়া বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনতো অৱতীৰ্ণ হৈছিল, য'ত বাৰ্মাই ১২,৪৮১ টা ভোট লাভ কৰি চতুৰ্থ স্থানত ৰৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাক সেনা প্ৰধান আছিম মুনীৰক ফিল্ড

'পুৰস্কৃত' হ'ল পাকিস্তানৰ সেনাপ্ৰধান জেনেৰেল আছিম মুনীৰ। পাকিস্তান চৰকাৰে সেনাপ্ৰধান আছিম মুনীৰক 'ফিল্ড মাৰ্শ্বাল' পদবীলৈ উন্নীত কৰিছে। প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত লোৱা বুলি এক আনুষ্ঠানিক বিবৃতিত প্ৰকাশ পাইছে। এই সন্মান লাভ কৰাৰ ফলত মুনীৰ পাকিস্তানৰ ইতিহাসত ফিল্ড মাৰ্শ্বাল পদবীলৈ উন্নীত হোৱা দ্বিতীয়জন সেনা বিষয়া হিচাপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে ১৯৫৯ চনত কেৱল জেনেৰেল আয়ুব খানকহে এই পদত পদোন্নতি দিয়া হৈছিল। চৰকাৰী বিবৃতিত উল্লেখ কৰা অনুসৰি, দেশৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সাহসী নেতৃত্ব আৰু কৌশলগত সামৰিক ব্যৱস্থাপনাৰ বাবে জেনেৰেল মুনীৰে 'ফিল্ড মাৰ্শ্বাল' উপাধি লাভ কৰিছে। পাকিস্তান চৰকাৰৰ মতে ভাৰতৰ সৈতে হোৱা সংঘাতত "শত্ৰু পক্ষৰ পৰাজয়"ৰ নেতৃত্ব দিয়াৰ বাবে তেওঁক এই সৰ্বোচ্চ সামৰিক পদবীলৈ উন্নীত কৰা হয়। মন কৰিবলগীয়া যে যোৱা ১০ মে'ৰ পুৱা ভাৰতীয় সেনাই পাকিস্তানৰ কমেও ৮ টা সামৰিক ঘাটিত আক্ৰমণ কৰাৰ পিছত যুদ্ধৰ পৰিস্থিতি চৰম পৰ্যায়ত উপনীত হয়। ইয়াৰ পিছতে আলোচনাৰঅন্তত অৱশেষত যুদ্ধবিৰতিৰ সহমতত উপনীত হয় দুয়োখন দেশৰ সেনা। ভাৰতৰ দাবী অনুসৰি, পাকিস্তানেই প্ৰথমে যুদ্ধবিৰতিৰ বাবে অনুৰোধ জনায়। ইফালে ভাৰত-পাকিস্তানৰ যুদ্ধ উত্তেজনাৰ মাত্ৰ কেইটামান দিন পিছতে সেনাধ্যক্ষ হিচাপে তেওঁৰ "সাহসী আৰু সংহত" ভূমিকাক স্বীকৃতি দি চৰকাৰে মুনীৰক পদোন্নতি দিয়াৰ সিদ্ধান্ত লয়। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে কয় যে জেনেৰেল মুনীৰে সামৰিক বাহিনীৰ কৌশলগত ব্যৱস্থাপনা আৰু যুদ্ধকালীন সমন্বয়ৰ ক্ষেত্ৰত ব্যতিক্ৰমী নেতৃত্ব প্ৰদান কৰিছে। চৰকাৰে কয় যে ৰাষ্ট্ৰপতি আছিফ আলী জৰ্দাৰীক এই সন্দৰ্ভত অৱগত কৰা হৈছিল আৰু এই সিদ্ধান্তৰ বাবে তেওঁৰ সন্মতি বিচৰা হৈছিল। লগতে জনোৱা হয় যে বায়ুসেনাৰ মুৰব্বী জাহাৰ আহমেদ বাবৰ ছিদ্দিকীৰ কাৰ্যকাল শেষ হ'লেও তেওঁৰ সেৱা অব্যাহত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। চৰকাৰী পিটিভিৰ বাতৰি অনুসৰি জেনেৰেল মুনীৰক ফিল্ড মাৰ্শ্বাল পদবীলৈ উন্নীত কৰাৰ প্ৰস্তাৱত কেবিনেটে সৰ্বসন্মতিক্ৰমে অনুমোদন জনায়। এক বিবৃতিত সেনাপ্ৰধানগৰাকীয়ে কয় যে এয়া ব্যক্তিগত কৃতিত্ব নহয়, বৰঞ্চ পাকিস্তানৰ সশস্ত্ৰ বাহিনী আৰু জনসাধাৰণৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। তেওঁৰ ভাষাত, "এই পদবী এটা ৰাষ্ট্ৰীয় বিশ্বাস, যাৰ মৰ্যাদা ৰক্ষা কৰিবলৈ অগণন আছিমে নিজৰ প্ৰাণ দিবলৈ সাজু।" উল্লেখযোগ্য যে আছিম মুনীৰ হৈছে পাকিস্তানী সেনাবাহিনীৰ এনে এজন বিষয়ে, যিয়ে দুয়োটা প্ৰধান চোৰাংচোৱা সংস্থা- আইএছআই আৰু সামৰিক চোৰাংচোৱাৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। ২০১৭ চনত সামৰিক চোৰাংচোৱাৰ মুৰব্বী হিচাপে নিযুক্তি পোৱাৰ পিছত ২০১৮ চনত তেওঁক আইএছআইৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হয়। কিন্তু তেতিয়াৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ হেঁচাত আঠ মাহৰ ভিতৰতে তেওঁক অপসাৰণ কৰা হয় আৰু ফৈজ হামিদক এই পদত অনা হয়। ইয়াৰ পিছত তেওঁক ক'ৰ্পছ কমাণ্ডাৰ হিচাপে গুজৰানৱালালৈ প্ৰেৰণ কৰা হয় আৰু পিছত জেনেৰেল হেডকোৱাৰ্টাৰত কোৱাৰ্টাৰ মাষ্টাৰ জেনেৰেল হিচাপে নিযুক্তি দিয়া হয়। লক্ষণীয় যে আছিমৰ পূৰ্বে ১৯৫৮ চনৰ পৰা ১৯৬৯ চনলৈকে পাকিস্তানত শাসন কৰা আয়ুব খানে সামৰিক শাসন কালত নিজকে ফিল্ড মাৰ্শ্বাল পদবীলৈ উন্নীত কৰিছিল। অৱশ্যে এইবাৰ আছিম মুনীৰক পাকিস্তান চৰকাৰে নিজেই সেনাৰ এই সৰ্বোচ্চ পদলৈ উন্নীত কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেহেলগামৰ পূৰ্বে ‘গাদ্দাৰ’ জ্যোতি গৈছিল

গিৰি কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা মহিলা ইউটিউবাৰ জ্যোতি মালহোত্ৰাক লৈ নিতৌ পোৰহলৈ আহিছে বিস্ফোৰক তথ্য। হাৰিয়ানাৰ ইউটিউবাৰগৰাকীক যোৱা ১৬ মে'ত হিছাৰৰ নিউ আগ্ৰাছাইন এক্সটেনচন এলেকাৰ পৰা গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। ইয়াৰ পিছতে পাকিস্তানৰ সৈতে সম্পৰ্কৰ ৰহস্য ভেদিবলৈ নামি পৰে এনআইএ, আইবি, সেনা চোৰাংচোৱাৰ বিষয়া। মঙলবাৰে আৰক্ষীয়ে জানিবলৈ দিয়া মতে, কেন্দ্ৰীয় তদন্তকাৰী সংস্থাসমূহে ইউটিউবাৰগৰাকীক জেৰা অব্যাহত ৰাখিছে। তেওঁৰ বিত্তীয় লেনদেন আৰু বিদেশ ভ্ৰমণৰ তথ্যৰ তদন্ত চলি আছে। উল্লেখ্য যে 'ট্ৰেভেল উইথ জো' নামৰ এটা ইউটিউব চেনেল চলাই আহিছিল ৩৩ বৰ্ষীয় জ্যোতি মালহোত্ৰাই। হাতীৰ খোৱা দাঁত পৃথক হোৱাৰ দৰেই জ্যোতিৰো এই ইউটিউব ব্লগিঙৰ আঁৰত আছিল অন্য এক চৰিত্ৰ। তথ্য অনুসৰি, পাকিস্তানৰ সৈতে গুপ্তচৰগিৰি কৰি আহিছিল জ্যোতিয়ে। তেওঁৰ বিৰুদ্ধে চৰকাৰী গোপনীয়তা আইন আৰু ভাৰতীয় ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। মন কৰিবলগীয়া যে যোৱা দুসপ্তাহত পাকিস্তানী চোৰাংচোৰা চক্ৰৰ লগত জড়িত থকাৰ অভিযোগত পঞ্জাব, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ পৰা মুঠ ১২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। উত্তৰ ভাৰতত সক্ৰিয় পাকিস্তানী চোৰাংচোৰাৰ বৃহৎ নেটৱৰ্ক উন্মোচন কৰা বুলি তদন্তকাৰীয়ে দাবী কৰিছে। আৰক্ষীৰ সূত্ৰ অনুসৰি জ্যোতিয়ে পাকিস্তান, চীনকে ধৰি কেইবাখনো দেশ ভ্ৰমণ কৰিছে। তেওঁৰ ভ্ৰমণৰ তালিকা আৰু সময়সীমা পৰীক্ষা কৰি সমগ্ৰ ‘ঘটনা শৃংখল’টোৰ সন্ধান উলিওৱাৰ প্ৰচেষ্টা চলি আছে। ইয়াৰ সমান্তৰালকৈ তেওঁৰ আৰ্থিক লেনদেন সন্দৰ্ভতো সন্দেহৰ সৃষ্টি হৈছে। আয়ৰ পৰিচিত উৎসৰ ভিত্তিত তেওঁৰ বিদেশ ভ্ৰমণৰ অসামঞ্জস্যপূৰ্ণ বুলি ধাৰণা কৰা হৈছে। বৰ্তমান তেওঁৰ লেপটপটো ফৰেনছিক বিশ্লেষণৰ বাবে প্ৰেৰণ কৰা হৈছে। তদুপৰি তেওঁৰ সংস্পৰ্শলৈ অহা লোকসকলকো সোধা-পোছা কৰা হ'ব বুলি জানিব পৰা গৈছে। ১৮ মে'ত হিছাৰৰ আৰক্ষী অধীক্ষক শশাংক কুমাৰ সাৱনে সংবাদমেলত কয় যে পাকিস্তানী চোৰাংচোৰা সংস্থাই জ্যোতিক ‘এচেট’ হিচাপে গঢ়ি তুলিছিল। ২২ এপ্ৰিলত পেহেলগাম আক্ৰমণৰ পিছত ভাৰত আৰু পাকিস্তানৰ মাজত চাৰিদিনীয়া সীমান্ত সংঘৰ্ষৰ সময়ত দিল্লীত পাকিস্তান উচ্চায়ুক্তৰ এজন বিষয়াৰ সৈতে জ্যোতি সংস্পৰ্শত আছিল। যদিও সেনাৰ অভিযান সন্দৰ্ভত তেওঁৰ হাতত কোনো প্ৰত্যক্ষ তথ্য নাই, তথাপি তেওঁ পাকিস্তানী কৰ্মীৰ সৈতে প্ৰত্যক্ষ সংস্পৰ্শত আছিল বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আৰক্ষীয়ে কয় যে "এয়া এক প্ৰকাৰৰ আধুনিক যুদ্ধ, যিটো কেৱল সীমান্ততে নহয়, ছ'চিয়েল মিডিয়াতো চলি আছে। এক নতুন কৌশলত পাকিস্তানী চোৰাংচোৰা সংস্থাসমূহে তেওঁলোকৰ কামৰ বাবে ছ'চিয়েল মিডিয়াৰ প্ৰভাৱশালী লোকক নিযুক্তি দিবলৈ চেষ্টা কৰিছে।" তদন্তকাৰীয়ে লগতে কয় যে জ্যোতি পেহেলগাম আক্ৰমণৰ পূৰ্বে কাশ্মীৰ ভ্ৰমণ কৰিছিল আৰু তাৰ পূৰ্বে পাকিস্তানো ভ্ৰমণ কৰিছিল। এই দুয়োটা ভ্ৰমণৰ মাজত কোনো সম্পৰ্ক আছে নে নাই সেইটো নিৰ্ণয় কৰিবলৈ তদন্ত অব্যাহত আছে। ২০২৩ চনত পাকিস্তান ভ্ৰমণৰ বাবে ভিছা লাভ কৰিবলৈ পাকিস্তান উচ্চায়ুক্তলৈ গৈছিল জ্যোতি। তাত পাকিস্তানী বিষয়া এহছান-উৰ-ৰহিম ওৰফে ডানিছক লগ পাইছিল। তেনেকৈয়ে সংযোগ গঢ় লৈ উঠে। ১৩ মে'ত ভাৰত চৰকাৰে চোৰাংচোৰাগিৰিৰ লগত জড়িত থকাৰ অভিযোগত এহছানক বহিষ্কাৰ কৰে। ইফালে, পঞ্জাবৰ মালেৰকোটলাৰ বাসিন্দা গুজালা (৩১) আৰু ইয়ামিন মহম্মদো একেটা নেটৱৰ্কৰ সৈতে জড়িত। যোৱা ১১ মে'ত পঞ্জাব আৰক্ষীয়ে তেওঁলোকক গ্ৰেপ্তাৰ কৰিছিল। পাকিস্তানৰ চোৰাংচোৰা সংস্থালৈ সেনা শিবিৰৰ ফটো আৰু গোপন তথ্য প্ৰেৰণ কৰাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে দাবী কৰিছে যে এই তথ্যৰ বিনিময়ত অভিযুক্তই অনলাইন পেমেণ্টো লাভ কৰিছিল। আনহাতে, কন্যাৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত তথ্য পোহৰলৈ অহাৰ পিছত জ্যোতি মালহোত্ৰাৰ পিতৃয়ে কয় যে তেওঁ এই সন্দৰ্ভত অৱগত নাছিল। দিল্লীলৈ যাম বুলিহে কন্যা জ্যোতিয়ে পৰিয়ালক জনাইছিল বুলিও মন্তব্য কৰে পিতৃয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জলস্তৰ বৃদ্ধি! নীপকোই এৰিছে কপিলীৰ

বৃদ্ধি পাইছে অসম আৰু মেঘালয়ৰ জলপৃষ্ঠ। আৰু তাৰ পিছতে খাণ্ডং বান্ধৰ সাতখনকৈ গেটৰ ৬ খনেই মুকলি কৰি দিলে নৰ্থ ইষ্টাৰ্ণ ইলেক্ট্ৰিক পাৱাৰ কৰ্পৰেচন লিমিটেড চমুকৈ নীপকোৱে। খবৰ অনুসৰি, এতিয়ালৈকে মাত্ৰ তিনি নম্বৰ গেটখনহে বন্ধ কৰি ৰখা হৈছে। উল্লেখ্য যে বিগত এসপ্তাহ ধৰি ধাৰাবাহিকভাৱে হোৱা বৰষুণৰ বাবে খাণ্ডং জলাশয়ৰ জলস্তৰ ভয়ংকৰ হাৰত বৃদ্ধি পাইছে। মেঘালয়ৰ কপিলী নৈ আৰু ইয়াৰ উপনৈসমূহৰ প্ৰবাহ সমান্তৰালভাৱে বৃদ্ধি পাইছে। পৰিস্থিতিৰ মূল্যায়ন কৰি নীপকো কৰ্তৃপক্ষই কয় যে বান্ধটোৰ গাঁথনিগত সুৰক্ষা বজাই ৰাখিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। অৱশ্যে ইয়াৰ ফলত কপিলী নৈৰ জলপৃষ্ঠ আৰু অধিক বৃদ্ধি পাব পাৰে বুলিও তেওঁলোকে সকীয়াই দিছে। ইতিমধ্যে জলপৃষ্ঠ ৭১৯.২০ মিটাৰ অতিক্ৰম কৰি নৈখন ওফন্দি উঠিছে। এনে পৰিস্থিতিত কপিলী নৈৰ দুয়োপাৰে বসবাস কৰা সাধাৰণ জনতাক সজাগ হৈ থাকিবলৈ আৰু প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনোৱা হৈছে। এয়া বাৰিষাৰ আৰম্ভণিহে, অনাগত সময়ত পৰিস্থিতি অধিক হোৱাৰ আশংকা কৰি পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে প্ৰশাসনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জলসম্পদ বিভাগত নিযুক্তিৰ ভুৱা প্ৰচাৰ!

লৈ ব্যাপক বিভ্ৰান্তিৰ সৃষ্টি হয় ঠিকাভিত্তিক শ্ৰমিক আৰু সাধাৰণ জনতাৰ মাজত। এই বিভ্ৰান্তিকৰ অপপ্ৰচাৰৰ বিৰুদ্ধে দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰি বিভাগটোৰ মুখ্য অভিযন্তা ভাস্কৰ শৰ্মাই বশিষ্ঠ থানাত এজাহাৰ দাখিল কৰে। তেওঁ আৰক্ষীক কঠোৰ আইনী ব্যৱস্থা ল'বলৈ আহ্বান জনায়। জানিব পৰা মতে, ভাইৰেল হোৱা ভুৱা খবৰটোত ২০ মে'ৰ ভিতৰত জলসম্পদ বিভাগৰ এম আৰ (মাষ্টাৰ ৰোল) কৰ্মচাৰীক স্থায়ী নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব বুলি দাবী কৰা হৈছিল। এই খবৰটোক লৈ চাকৰিপ্ৰত্যাশী আৰু অস্থায়ী শ্ৰমিকৰ মাজত তীব্ৰ বিভ্ৰান্তি আৰু উত্তেজনাৰ সৃষ্টি হয়। ইফালে, পৰিস্থিতিৰ জটিলতা বুজি জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকাই তাৎক্ষণিকভাৱে ছ'চিয়েল মিডিয়াত পোষ্ট কৰি এই ভুৱা দাবী খণ্ডন কৰে। তেওঁ স্পষ্ট কৰি দি কয়, "বিভাগে কোনো স্থায়ী নিযুক্তি ঘোষণা কৰা নাই। এনে প্ৰৱঞ্চনামূলক বাৰ্তাৰ প্ৰতি জনসাধাৰণ সতৰ্ক হোৱা উচিত। সকলো তথ্য কেৱল চৰকাৰী আৰু স্বীকৃতিপ্ৰাপ্ত চেনেলৰ জৰিয়তেহে প্ৰেৰণ কৰা হ'ব।" নিযুক্তি সন্দৰ্ভত যিকোনো ঘোষণা নিৰ্দিষ্ট চৰকাৰী প্লেটফৰ্মৰ পৰা কৰা হ'ব বুলিও জলসম্পদ বিভাগে অৱগত কৰে আৰু জনসাধাৰণক সেই সন্দৰ্ভত চকু ৰাখিবলৈ অনুৰোধ জনায়। একে সময়তে বিভ্ৰান্তিকৰ অপপ্ৰচাৰ চলোৱাসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলিও আশ্বাস দিয়ে মন্ত্ৰী হাজৰিকাই। ইপিনে জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকাই নগাঁও জিলাৰ কালিয়াবৰ মহকুমাৰ অন্তৰ্গত হাতিমুৰা আৰু গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিৰ বনকোৱাল অঞ্চলত মথাউৰি পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মন্ত্ৰী পীয়ুষ হাজৰিকাৰ সৈতে উপস্থিত আছিল ৰাজহুৱা আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্ত। এই পৰিদৰ্শনে ৰাজ্য চৰকাৰৰ পক্ষৰ পৰা আগন্তুক বাৰিষাত বান আৰু মথাউৰি ৰোধৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণৰ সংকেত দিয়ে। আগন্তুক বাৰিষাৰ পূৰ্বে বান পৰিস্থিতি পৰ্যালোচনা কৰা হয়। হাতিমুৰাৰ কোলংমুখত থকা স্লুইচ গেটৰ ওচৰত মথাউৰি ভাঙিছিল। যাৰ ফলত ব্ৰহ্মপুত্ৰই বিস্তীৰ্ণ অঞ্চল জলমগ্ন কৰি প্ৰচণ্ড ধ্বংস সাধন কৰিছিল। এই ভয়ংকৰ বিপৰ্যয়ৰ পিছতে জলসম্পদ বিভাগৰ কৰ্মচাৰীয়ে জিও-বেগ, পাৰ্কুপাইন আৰু অন্যান্য সামগ্ৰী ব্যৱহাৰ কৰি কফাৰডেম নিৰ্মাণ কৰিছে। ইয়াৰ জৰিয়তে প্ৰায় ৭০ মিটাৰ দীঘল ভাঙি যোৱা অংশ দুটা পুনৰ সংযুক্ত কৰা হয়। তাৰ পাছত বান ৰোধ শক্তিশালী কৰিবলৈ জিও-টিউব স্থাপন কৰা হয়, যি দীঘলীয়া বান ৰোধ ব্যৱস্থাৰ অংশ হিচাপে বিবেচিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ পক্ষ লৈ অসমত গ্ৰেপ্তাৰ ৭৩ জন

২৬ গৰাকী ভাৰতীয়ক হত্যা কৰাৰ পিছৰে পৰা দেশত এক অভাৱনীয় পৰিস্থিতিৰ হৈছে। সচেতন লোকসকলে কেন্দ্ৰীয় চৰকাৰ আৰু জম্মু-কাশ্মীৰৰ ৰাজ্য চৰকাৰক নিৰাপত্তা ব্যৱস্থাত থকা সুৰুঙাৰ বাবে প্ৰশ্ন কৰিছে। লগতে ভাৰত চৰকাৰে পাকিস্তানৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে তাক লৈও প্ৰশ্নৰ উত্থাপন কৰিছে। বহু বিৰোধী নেতা আৰু বৌদ্ধিক মহলক লোকে দাবী কৰিছে যে বিজেপিৰ নেতাসকলে এই কাণ্ডক লৈ ৰাজনীতিৰ কৰিছে আৰু দেশত সাম্প্ৰদায়িক পৰিস্থিতিৰ সৃষ্টি কৰবলৈ চেষ্টা কৰিছে। ইয়াৰ সমান্তৰালকৈ একাংশ লোকে এই যুদ্ধোন্মুখ কালছোৱাত পাকিস্তানক সমৰ্থন কৰা আৰু দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত ভাবুকি সৃষ্টি কৰা বুলি অভিযোগ উত্থাপন কৰি তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে। কেইবাখনো ৰাজ্যৰ গৃহ বিভাগ তথা প্ৰশাসনে পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত বহু লোকক গ্ৰেপ্তাৰ কৰাৰ খবৰ পোৱা গৈছে। অসমতো পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত এগৰাকী বিধায়ককে ধৰি প্ৰায় ৭৩ গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছে। উত্তৰ প্ৰদেশ : ভাৰত-পাকিস্তানৰ সংঘাতৰ সন্দৰ্ভত ছ'চিয়েল মিডিয়াত পোষ্ট কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে অশোকা বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট স্তম্ভ লেখক আলী খান মাহমুদাবাদক। যোগেশ নামৰ এগৰাকী স্থানীয় ব্যক্তিৰ এজাহাৰৰ ভিত্তিত হাৰিয়ানা আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছে। অধ্যাপক আলী খানৰ বিৰুদ্ধে দুটা সম্প্ৰদায়ৰ মাজত ঘৃণা উচটনি দিয়াৰ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। হাৰিয়ানা আৰক্ষীয়ে অধ্যাপক আলী খানৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১৯৬ (১) বি, ১৯৭ (১) চি, ১৫২ আৰু ২৯৯ ধাৰাত গোচৰ ৰুজু কৰিছে। উত্তৰ প্ৰদেশ আৰক্ষীয়ে ১৮ খন জিলাৰ পৰা প্ৰায় ৩০ জন লোকক পাকিস্তানৰ সমৰ্থক বুলি গ্ৰেপ্তাৰ কৰিছে। গোৰখপুৰ, বৰেলী, লখিমপুৰ খেৰী, বাঘপাট আৰু বদৌনত এই ব্যক্তিসকলৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছে। বদৌন আৰক্ষীৰ তথ্য অনুসৰি সামাজিক মাধ্যমত আপত্তিজনক কথা লিখাৰ বাবে মুঠ ৯ জন লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। 'পাকিস্তান জিন্দাবাদ' বুলি লিখাৰ অভিযোগত যোৱা ১১ মে'ত বাৰেলীৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে মহম্মদ ছাজিদ নামৰ এজন ব্যক্তিক। সমীৰ আলী আৰু আব্দুল আছিকৰ বিৰুদ্ধে লক্ষ্মীপুৰৰ খেৰীত গোচৰ ৰুজু হৈছে। আপত্তিজনক লেখাৰ অভিযোগত বাঘপাটত উছমান জাহিদৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। যোৱা ৭ মে'ত পশ্চিম উত্তৰ-প্ৰদেশৰ মীৰাটত এটা গোচৰ ৰুজু হৈছিল। ইয়াৰ অধীনত এখন চেলুনৰ মালিক জাইদ আৰু তেওঁৰ এজন বন্ধুৱে ছ'চিয়েল মিডিয়াত 'পাকিস্তান জিন্দাবাদ' বুলি লিখাৰ অভিযোগ উত্থাপন হৈছিল। ১০ মে'ত মুজাফ্ফৰনগৰ জিলাৰ কোটৱালি আৰক্ষীয়ে আনোৱাৰ জমিল নামৰ এজন ব্যক্তিৰ বিৰুদ্ধে একেধৰণৰ অভিযোগত এজাহাৰ দাখিল কৰিছিল। এটা ভাইৰেল ভিডিঅ' সন্দৰ্ভত আনোৱাৰ জমিলক গ্ৰেপ্তাৰ কৰা হৈছিল। ১৬ মে'ত পশ্চিম উত্তৰ প্ৰদেশৰ বুলণ্ডশ্বাহৰ জিলাৰ ছাটাৰী অঞ্চলত পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত আনছাৰ ছিদ্দিকি নামৰ এজন ব্যক্তিক জে'ললৈ প্ৰেৰণ কৰা হৈছিল। ১৭ মে'ত পশ্চিম উত্তৰ-প্ৰদেশৰে বিজনোৰৰ শ্বেৰকোটত আৰক্ষী উপ-পৰিদৰ্শক গৌৰৱ কুমাৰৰ অভিযোগত দুজন যুৱকক গ্ৰেপ্তাৰ কৰা হৈছিল। অসম : অসমতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পাকিস্তানী সমৰ্থকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি ধাৰাবাহিকভাৱে সামাজিক মাধ্যমত জনাই আহিছে। মুখ্যমন্ত্ৰীৰ তথ্য অনুসৰি পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত অসমত এতিয়ালৈকে ৭৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ধিং বিধানসভা সমষ্টিৰ অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰন্টৰ বিধায়ক আমিনুল ইছলামকো এই গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। ২৩ এপ্ৰিলত আমিনুল ইছলামে পেহেলগাম আক্ৰমণ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগ উত্থাপন হৈছিল। পিছদিনা তেওঁক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। পিছত নগাঁৱৰ জিলা আদালতে এই গোচৰত ইছলামক জামিন মঞ্জুৰ কৰে যদিও জামিন লাভ কৰাৰ কিছু সময়ৰ পিছতে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এন এছ এ)ৰ অধীনত তেওঁক জিম্মাত লোৱা হয়। আমিনুল ইছলামৰ উপৰি অসমত ৰূপচান্দ আলী, ৰছিদ মণ্ডল, ৰাজু শ্বেখ, আব্দুল হুছেইন, ৰছিদ আহমেদ, আজাদ ইমৰান হুছেইন, আব্দুল ছামাদ, শ্বাহদাদ আলী, শ্বাহীন আহমেদ মজুমদাৰকে ধৰি ৭৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ উপৰি অসমৰ কংগ্ৰেছ কৰ্মী তথা প্ৰাক্তন সাংবাদিক ডিম্পল বৰুৱাক (ডিম্পল দধীচি)ক গ্ৰেপ্তাৰ কৰা হৈছে। সামাজিক মাধ্যমত পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক অনিল বণিয়াক। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অসম আৰক্ষীয়ে সামাজিক মাধ্যমত কঠোৰ নিৰীক্ষণ কৰি আছে, পাকিস্তানক সমৰ্থন কৰা কাকো ৰেহাই দিয়া নহ'ব। জম্মু-কাশ্মীৰ : পেহেলগাম কাণ্ড সন্দৰ্ভত জম্মু-কাশ্মীৰতো বহু লোকক গ্ৰেপ্তাৰ কৰা হৈছে। জম্মু-কাশ্মীৰ আৰক্ষীয়ে তুৰস্কৰ আনাডোলু নিউজ এজেন্সীৰ সাংবাদিক হিলাল মীৰ নামৰ এজন ব্যক্তিক বিচ্ছিন্নতাবাদী মতাদৰ্শ প্ৰচাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। জম্মু-কাশ্মীৰ আৰক্ষীৰ কাউন্টাৰ ইনটেলিজেন্স কাশ্মীৰ শাখাই যোৱা ৭ মে'ত এক বিবৃতিত কয় যে শ্ৰীনগৰৰ বেমিনাৰ বাসিন্দা হিলাল মীৰক সামাজিক মাধ্যমৰ জৰিয়তে যুৱক-যুৱতীসকলৰ আৱেগক উচটনি দিয়া আৰু বিচ্ছিন্নতাবাদী মতাদৰ্শ প্ৰচাৰ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে। অৱশ্যে শেহতীয়াকৈ মীৰৰ ঘনিষ্ঠ বন্ধু এজনে জনাইছে যে এতিয়া আৰক্ষীয়ে তেওঁক মুকলি কৰি দিছে। ইফালে পেলেহলগাম ঘটনাৰ পিছত সেনাই কেইবাটাও সন্দেহযুক্ত কাশ্মীৰি পৰিয়ালৰ ঘৰ ভাঙি পেলায়। ভাঙি পেলোৱা ঘৰবোৰৰ ভিতৰত এটা আছিল পেহেলগাম আক্ৰমণৰ লগত নাম সাঙোৰ খোৱা আদিল হুছেইন থোকাৰৰ ঘৰ। আনহাতে পেহেলগাম আক্ৰমণৰ লগত জড়িত তিনিজন সন্ত্ৰাসবাদীক আনুষ্ঠানিকভাৱে আটক কৰিছে আৰক্ষীয়ে। অৱশ্যে তেওঁলোকৰ নাম জানিবলৈ দিয় হোৱা নাই। মধ্যপ্ৰদেশ : সামাজিক মাধ্যমত সাম্প্ৰদায়িক সম্প্ৰীতি বিঘ্নিত কৰাৰ অভিযোগত মধ্যপ্ৰদেশত কমেও ৭ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ২৫ এপ্ৰিলত মধ্যপ্ৰদেশৰ ইন্দোৰত পেহেলগাম আক্ৰমণৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত 'পাকিস্তান জিন্দাবাদ'ৰ শ্ল'গান শুনা গৈছিল বুলি জানিব পৰা গৈছে। এই ভিডিঅ' ভাইৰেল হোৱাৰ পিছতে আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰি শুকুৰবাৰে কংগ্ৰেছৰ কাউন্সিলাৰ আনোৱাৰ কাদ্ৰী আৰু আন এজন ব্যক্তিক আটক কৰে। ইফালে, গ্ৰেপ্তাৰৰ পূৰ্বে কংগ্ৰেছৰ কাউন্সিলাৰ আনোৱাৰ কাদ্ৰীয়ে ভিডিঅ'টোৰ সম্পাদনা কৰি বিকৃত কৰা হৈছে বুলি কয়। মধ্য প্ৰদেশৰ মৰেনা জিলাৰ বনম'ৰ চহৰত পাকিস্তানৰ সমৰ্থনত সামাজিক মাধ্যমত পোষ্ট কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হৈছে ২৫ বছৰীয়া সমীৰ পাঠান। দেৱেন্দ্ৰ সিং নামৰ এজন ব্যক্তিৰ এজাহাৰত আৰক্ষীয়ে পাঠানৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। ইন্দোৰত মেট্ৰ' নিৰ্মাণ কোম্পানীৰ কৰ্মচাৰীৰ এটা ভিডিঅ' প্ৰকাশ পোৱাৰ পিছতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে এজন যুৱকক। এই ভিডিঅ'টোত 'পাকিস্তান জিন্দাবাদ'ৰ শ্ল'গান দিয়া হৈছে বুলি দাবী কৰা হৈছে। অভিযুক্তৰ নাম মহম্মদ জাভেদ আৰু তেওঁ বিহাৰৰ বাসিন্দা বুলি জানিব পৰা গৈছে। ছত্তীশগড় : ছত্তীশগড়ৰ ৰাজধানী ৰায়পুৰত 'অপাৰেচন সিন্দুৰ'ক লৈ সামাজিক মাধ্যমত চৰকাৰক প্ৰশ্ন কৰা লুজিনা খানক যোৱা সপ্তাহত গ্ৰেপ্তাৰ কৰা হৈছিল। অৱশ্যে গ্ৰেপ্তাৰৰ আগেয়েই লুজিনা খানে নিজৰ পোষ্টটো ডিলিট কৰি আন এটা পোষ্টত লিখিছিল, "ভাৰতীয় সেনাৰ সাহসিকতাৰ বাবে মই গৌৰৱান্বিত। মই অজানিতে আৰু ভুলতে কিবা এটা পোষ্ট কৰিছিলোঁ। মই মোৰ ভুলটো উপলব্ধি কৰিছিলোঁ আৰু মই সেই পোষ্টটো লগে লগে ডিলিট কৰিছিলোঁ। যদি মোৰ পোষ্টটোৱে কাৰোবাৰ আৱেগক আঘাত কৰিছে, তেন্তে মই আন্তৰিকতাৰে ক্ষমা বিচাৰিছো। মই ভাৰতীয় সেনাৰ বাবে গৌৰৱান্বিত।" উল্লেখ্য যে লুজিনা খান হৈছে এগৰাকী যুৱ ফট'গ্ৰাফাৰ। ২০১৬ চনত বিজেপিৰ তদানীন্তন মুখ্যমন্ত্ৰী ৰমন সিঙে তেওঁক সম্বৰ্ধনা জনাইছিল। মেঘালয় : মেঘালয়ৰ উত্তৰ গাৰো পাহাৰত পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত দুই নাবালকক গ্ৰেপ্তাৰ কৰা হৈছে। ভাৰতবিৰোধী ভিডিঅ' পোষ্ট কৰাৰ অভিযোগ উত্থাপন হৈছে দুই নাবালক অভিযুক্তৰ বিৰুদ্ধে। এইদৰে মেঘালয়ত মুঠ তিনিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। কৰ্ণাটকৰ কোলাৰত মুনীৰ খান কুৰেশ্বী নামৰ এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁ পেহেলগাম আক্ৰমণক বিহাৰৰ বিধানসভা নিৰ্বাচনৰ সৈতে জড়িত কৰাৰ চেষ্টা কৰিছিল। মানসিকভাৱে অস্থিৰ ব্যক্তি হোৱাৰ বাবে আদালতে দুই লাখ টকাৰ জামিনত মুনীৰক মুকলি কৰি দিয়ে। মাংগালুৰু আৰক্ষীয়ে এজন চিকিৎসক-ডায়েটিচিয়ানৰ বিৰুদ্ধেও গোচৰ ৰুজু কৰিছে। অভিযুক্ত ডাঃ আফিফা ফাতিমাৰ বিৰুদ্ধে ধৰ্ম, জাতি, জন্মস্থান, বাসস্থান, ভাষা আদিৰ ভিত্তিত বিভিন্ন গোটৰ মাজত শত্ৰুতা প্ৰচাৰ কৰাৰ অভিযোগত গোচৰ ৰুজু কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰশান্ত ফুকনে মেট্ৰিক পাছ কৰিছে নে নাই

সেই বিষয়ে সন্দেহ প্ৰকাশ কৰিছে বিধায়ক অখিল গগৈয়ে। শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে আজি সাংবাদিকৰে মুখামুখি হৈ কয় যে বিজেপিৰ উজনি অসমত সাংগঠনিক দিশ অতি বেয়া হোৱা বাবে প্ৰশান্ত ফুকনক মন্ত্ৰী দিছে। ফুকন এজন অতি চেলেপু মানুহ আৰু তেওঁৰ শিক্ষাগত অৰ্হতা সন্দৰ্ভত সন্দেহ আছে। অশিক্ষিত মানুহ এজনে আচাৰ-ব্যৱহাৰ আৰু দক্ষতা সন্দৰ্ভত প্ৰশ্ন উত্থাপন হয় বুলি উল্লেখ কৰি বিধায়কজনে কয় যে তেখেতে মোক নিগনি মৰা দৰৱ বিক্ৰী কৰা মানুহৰ লগত তুলনা কৰি অসমৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলক অপমান কৰিছে। নিগনি মৰা দৰৱ বিক্ৰী কৰা মানুহজনৰ সন্মান আছে আৰু সেইসকল মানুহৰ লগত মই সদায় আছো বুলি কৈ বিধায়কজনে কয় যে বিজেপিৰ সনাতনীপন্থীসকলে সবকে সাথ সবকে বিকাশ আৰু দীনদয়ালৰ দৰে মহানায়কৰ নাম কৈ সাধাৰণ ক্ষুদ্ৰ ব্যৱসায়ীসকলক এনেদৰে অপমান কৰে বুলি উল্লেখ কৰে। উল্লেখ্য যে বিদ্যুৎ বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে প্ৰসংগক্ৰমে অখিল গগৈক সমালোচনা কৰা বাবেই গগৈয়ে আজি মন্ত্ৰীগৰাকীক এইদৰে তুলাধূনা দিয়ে। মন্ত্ৰী প্ৰশান্ত ফুকনে মন্ত্ৰিত্ব গ্ৰহণ কৰি কাৰেন্ট নাথাকিলে ফোন কৰিবলৈ আহ্বান জনাইছিল যদিও অভিযোগ অনুসৰি তেওঁ ৰাইজৰ কোনো ফোন গ্ৰহণ নকৰে। অচিনাকি ফোন নম্বৰ প্ৰশান্ত ফুকনে নধৰে বুলিও এতিয়া অভিযোগ উত্থাপন হৈছে। বহুবক্সী নেতা বুলি পৰিচিত ফুকনে অখিল গগৈৰ প্ৰশ্নৰ উত্তৰ কেনেকৈ দিয়ে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব। ইপিনে আজি গুৱাহাটীত ৰাইজৰ দলৰ বিশেষ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত দলটোৰ সভাপতি অখিল গগৈৰ উপস্থিতিত অনুষ্ঠিত ৰাইজৰ দলৰ যোগদান কাৰ্যসচীত কেইবাটাও দলৰ নেতা-কৰ্মীয়ে যোগদান কৰে। বিভিন্ন ৰাজনৈতিক দল আম আদমি পাৰ্টি, অসম গণ পৰিষদ, বিজেপি আৰু কংগ্ৰেছৰ পৰা শতাধিক নেতা-কৰ্মীয়ে দলটোত আনুষ্ঠানিকভাৱে যোগদান কৰে। আপৰ ৰাজ্যিক সাংগঠনিক সম্পাদক আৰু নাজিৰাৰ প্ৰাক্তন পৌৰপতি দিলীপ কুমাৰ হাজৰিকা, ৰাষ্ট্ৰীয় খেলুৱৈ জিন্তু কলিতা, নলবাৰী জিলা তৃণমূল কংগ্ৰেছৰ সভাপতি জিৎমণি শৰ্মা, বিশ্ব বেংকৰ প্ৰাক্তন কৰ্মকৰ্তা ড০ পল্লৱী বুঢ়াগোহাঁই, এআইইউডিএফৰ যুৱ মৰ্চাৰ কেন্দ্ৰীয় সম্পাদক তথা অভিযন্তা আবু ইউছুফ মোঃ ৰাইহান উদ্দিন, আমিনগাঁও বাৰ এছচিয়েছনৰ সম্পাদক আকবৰ হুছেইন, আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী ৰবিউল ইছলাম, কৰিমগঞ্জ আমছাৰ সভাপতি মৌলানা ৰাহিদুজ জামান, কৰিমগঞ্জ বিজেপিৰ জিলা সংখ্যালঘু কোষৰ উপ-সভাপতি আমাদ উদ্দিন, অগপ নেতা তথা দিকচু আঞ্চলিক সমিতিৰ সভাপতি মুকুট বৰা, কংগ্ৰেছ দলৰ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী মৰমী হাজৰিকা, ফাৰুক হুছেইন, অগপ সমষ্টি সমিতিৰ সদস্য বিকাশ বৰা, দীপক গগৈ, কংগ্ৰেছ নেতা অৰূপ হাজৰিকা, ৰূপাঞ্জলি কোঁৱৰ, মিণ্টু বৰগোহাঁই, গীতাঞ্জলি বৰা বৰগোহাঁই, ৰাজু বৰগোহাঁই, বিউটি গগৈ, পিণ্টু বৰগোহাঁই, ৰিজা গগৈ, বিজেপিৰ জ্যোতি গোঁহায়ে ৰাইজৰ দলত যোগদান কৰে। সভাপতি অখিল গগৈয়ে কয় যে এই যোগদানৰ জৰিয়তে ৰাইজৰ দলৰ সংগঠনৰ ভেটি আৰু অধিক দৃঢ় হ'ব। দলত আগন্তুক সকলো নেতাক স্বাগতম জনোৱা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰ্যটক দৰ্শনত অভিলেখ কাজিৰঙাৰ

ক্ষেত্ৰত ৰেকৰ্ড সৃষ্টি কৰিছে। পৰ্যটকে দৰ্শন কৰা দেশৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ তালিকাত তৃতীয় স্থানত আঁঐছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। জানিব পৰা মতে, ৪ লাখ ৪৩ হাজাৰ পৰ্যটকে উদ্যানখন পৰিদৰ্শন কৰিছে। প্ৰায় ১১ কোটি টকাৰ ৰাজহ সংগৃহীত হৈছে বুলি জানিবলৈ দিয়ে উদ্যানৰ সঞ্চালক ড০ সোণালী ঘোষে। এইবাৰ ৩৫ শতাংশ পৰ্যটক বৃদ্ধি লক্ষ্য কৰা হৈছিল। ১৮ হাজাৰ বিদেশী পৰ্যটকে উদ্যানখন দৰ্শন কৰিছে। বিগত বৰ্ষতকৈ ২৫ শতাংশ অধিক বিদেশী পৰ্যটকৰ উপস্থিত হৈছে। চলিত পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে সকলো অভিলেখ ভংগ কৰি দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণ হৈ পৰিছে। এইবাৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে। ২০২৩ চনৰ ১ অক্টোবৰত উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰা হৈছিল আৰু ২০২৫ চনৰ ১৯ মে'ত বন্ধ কৰা হয়। ৩০ এপ্ৰিলত হাতী চাফাৰী বন্ধ কৰা হৈছিল।

# নিয়াৰ আদালতত বিচাৰাধীন হৈ থকা এনডিএফবিৰ গোচৰ ৰাজ্য চৰকাৰলৈ হস্তান্তৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২০ মে':** নিয়াৰ আদালতত বিচাৰাধীন হৈ থকা এনডিএফবিৰ বিভিন্ন গোচৰসমূহ নিয়াই পুনৰাই ৰাজ্য চৰকাৰলৈ হস্তান্তৰ কৰাত কাৰাবন্দী হৈ থকা এনডিএফবিৰ নেতা-কৰ্মীসকল মুকলি আকাশৰ তললৈ অহাৰ সম্ভাৱনা এঢাপ আগবাঢ়ি গ'ল। নিয়াই গোচৰসমূহ ৰাজ্য চৰকাৰলৈ হস্তান্তৰ কৰাৰ পিছতেই আজি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা এনডিএফবিৰ ৩৫ জন নেতা-কৰ্মী কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰে কোকৰাঝাৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰা হয়। আদালতত হাজিৰ কৰাৰ পিছতে ৩৫ জন এনডিএফবিৰ নেতা-কৰ্মীক আদালতে কোকৰাঝাৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে। চৰকাৰী অধিবক্তা কংকণ কলিতাই সদৰি কৰা মতে নিয়াৰ আদালতৰ পৰা গোচৰসমূহ ৰাজ্য চৰকাৰলৈ হস্তান্তৰ হোৱা মৰ্মে অপৰাধৰ গোচৰসমূহ য'ত ৰজু হৈ আছে সেইঠাইলৈ আচামীসকলক পঠিয়াই দিয়া হৈছে। সেইমৰ্মে কোকৰাঝাৰত ৰজু হৈ থকা পাঁচটা গোচৰৰ পৰিপ্ৰেক্ষিতত আজি ৩৫ জন এনডিএফবি কেডাৰক কোকৰাঝাৰলৈ অনা হয়। যিহেতু এতিয়াৰে পৰা কোকৰাঝাৰত ৰজু হৈ থকা গোচৰসমূহ কোকৰাঝাৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত চলিব গতিকে ৩৫ জন এনডিএফবি কেডাৰ কোকৰাঝাৰ কাৰাগাৰতে থাকিব পাৰে বুলি অধিবক্তাই প্ৰকাশ কৰিছে। উল্লেখ্য, এনডিএফবিৰ ৬৪ গৰাকী নেতা-কৰ্মীৰ বিৰুদ্ধে নিয়াৰ আদালতত গোচৰ চলি আছিল আৰু তেওঁলোক গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰতে আৱদ্ধ হৈ আছিল। আজি কোকৰাঝাৰলৈ অনা ৩৫ জনীয়া এনডিএফবিৰ দলটোত এম বাথাকে ধৰি এনডিএফবিৰ কেবাজনো উচ্চ পদস্থ নেতা আছে। প্ৰণিধানযোগ্য যে বিটিআৰ চুক্তি অনুসৰি এনডিএফবিৰ বিৰুদ্ধে থকা বহুসংখ্যক গোচৰ নিষ্পত্তি হ'ল। অৱশ্যে নিয়াৰ আদালতত বিচাৰাধীন হৈ থকা গোচৰসমূহ নিষ্পত্তি নোহোৱাত এনডিএফবিৰ কেডাৰসকল মুকলি আকাশৰ তললৈ ওলাই আহিব পৰা নাছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ নেৰানেপেৰা প্ৰচেষ্টাত অৱশেষত নিয়াৰ গোচৰ সমূহ পুণৰাই ৰাজ্য চৰকাৰলৈ হস্তান্তৰ হোৱাত এতিয়া কাৰাবন্দী হৈ থকা এনডিএফবি নেতা-কৰ্মীসকল পৰ্যায়ক্ৰমে মুকলি আকাশৰ তললৈ অহাৰ সম্ভাৱনা এখোজ আগবাঢ়ি গল। বিটিআৰ চুক্তিৰ প্ৰতিটো দফা ৰূপায়ণৰ ক্ষেত্ৰত অঙ্গীকাৰবদ্ধ হোৱা প্ৰমোদ বড়োৰ বাবেই এতিয়া কাৰাৰুদ্ধ হৈ থকা এনডিএফবি সদস্যসকল মুকলি হোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে আৰু ইয়ে এনডিএফবিৰ পৰিয়ালৰ আশাৰ বতৰা কঢ়িয়াই আনিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জাতীয়তাবাদী সংগঠনক ফ্ৰি মে খানেৱালা

সংঘাতৰ মাজতে অসমীয়া জাতিক অপমান কৰা হৈছে। হিন্দীভাষী যুৱতীয়ে যেনেদৰে ইচ্ছা তেনেদৰে ভাষা ব্যৱহাৰ কৰি চৰম অপমান কৰিছে দুলীয়াজানত। সংঘাতৰ সময়তে এগৰাকী মহিলাই 'য়ে লগ সব ফ্ৰী মে খানেৱালা আদমী হ্যে'-সকলোক ফ্ৰী মে খানেৱালা লোগ হ্যে' বুলি অসমীয়া জাতিক অট্টহাস্য কৰে। অসমৰ জাতীয় সংগঠনৰ উদ্দেশ্যে অনা-অসমীয়া যুৱতীয়ে এনেদৰে কোৱাৰ লগতে ইয়াত থকা সকলো দালাল, ফ্ৰীত খোৱা মানুহ, ফ্ৰীত ৰুটী খোৱা মানুহ বুলি কৈ যুৱতীগৰাকীয়ে জাতীয় সংগঠনক দুৰ্ঘোৰ অপমান কৰে। অনা-অসমীয়াই কেৱল এই কথা কৈ অসমীয়া জাতিটোক নেতৃত্বত দিয়া জাতীয় সংগঠনতেইটাক কোৱা নাই। এয়া অসমীয়া জাতিটোৰ প্ৰতি কৰা চৰম অপমান। দুলীয়াজানৰ দৰে থলুৱাৰ বসতিপূৰ্ণ এলেকাত জাতিটোক চৰম অপমান কৰিবলৈ মৰসাহ কৰিছে। এইগৰাকী তনু চাহি নামৰ যুৱতীৰ এজাহাৰৰ ভিত্তিতে আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰি হাতত হেণ্ডকাফ লগাই ঘূৰাই ফুৰিছিল। তনু চাহিৰ গোচৰৰ ভিত্তিত সন্ত্ৰাবাদীৰ দৰে ব্যৱহাৰ কৰা হৈছে জাতীয় সংগঠনৰ নেতাক। কিন্তু অসমীয়া জাতিক অপমান কৰা তনু আজিও মুকলি আকাশৰ তলত। ইতিমধ্যে তনুৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে সদৌ অসম মটক ছাত্ৰ সন্থাই। পানীতোলা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে মটক ছাত্ৰ সন্থাই। বি এন সিং পেট্ৰ'ল ডিপোৰ অঘোষিত মালিকনী তনু চাহিৰ বিৰুদ্ধে এজাহাৰ দাখিলৰ পিছতো আজিলৈ গ্ৰেপ্তাৰ কৰা হোৱা নাই। ইপিনে আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক গ্ৰেপ্তাৰত বিজেপি নেতা তথা বিধায়ক তেৰছ গোৱালাৰ হাত থকাৰ অভিযোগ উত্থাপন হৈছে। তেৰছ গোৱালাৰ কথামতেই শংকৰক হেণ্ডকাফ লগোৱা বুলি অভিযোগ উত্থাপন হৈছে। এনে অভিযোগৰ মাজতে তেৰছ গোৱালাই আজি কয় যে ঘটনাক লৈ মই আৰক্ষীক খবৰ দিছিলো। আজি অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে।
হেণ্ডকাফ লগোৱা কাৰ্য আৰু অইলে বহিৰাগতক দিয়া মাটিৰ লীজ বাতিল কৰাৰ দাবীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অইলৰ মুখ্য কাৰ্যালয়ত প্ৰতিবাদী ধৰ্ণা প্ৰতিবাদ সাব্যস্ত কৰিছে। ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলা সমিতিয়ে দুলীয়াজানস্থিত অইলৰ সন্মুখত অইলৰ মাটি নীতি বহিৰ্ভূতভাৱে লীজত দিয়া আৰু উক্ত মাটিত থকা বহিৰাগত বণিয়াৰ তেল ডিপোটো বন্ধৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰায় তিনিঘণ্টা ধৰি সংগঠনটোৰ দুই শতাধিক সদস্যই অইলৰ মুখ্য কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰ বন্ধ কৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তপ্ত কৰি তোলে। পৰিস্থিতিৰ অৱনতি ঘটাৰ আশংকাত আৰক্ষীৰ লগতে নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। বৰষুণৰ মাজতে আৰম্ভ হোৱা এই প্ৰতিবাদী কাৰ্যসূচীত লাহে লাহে দুলীয়াজানৰ সাধাৰণ জনতা আৰু আন দল-সংগঠনৰ নেতা-কৰ্মীয়ে যোগ দিয়াত প্ৰতিবাদী মিচিলে বৃহৎ ৰূপ ধাৰণ কৰে। দুপৰীয়া প্ৰায় ১২ বজাত ডিব্ৰুগড় জিলা প্ৰশাসন আৰু অইল ইণ্ডিয়াৰ বিষয়া প্ৰতিবাদকাৰীৰে আলোচনাত মিলিত হয় যদিও প্ৰতিবাদকাৰীয়ে বি এন সিং পেট্ৰ'ল ডিপোটো বন্ধ কৰাৰ দাবী অটল হৈ থকাত আলোচনা বিফল হয় আৰু পুনৰ আন্দোলন আৰম্ভ কৰে। অৱশেষত বহু সময়জোৰা প্ৰতিবাদৰ অন্তত জিলা প্ৰশাসনে প্ৰতিবাদকাৰীৰ দাবী মানি লৈ বিতৰ্কিত বি এন সিং তেল ডিপো বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰাৰ লগতে সমগ্ৰ বিষয়টো সন্দৰ্ভত অইল কৰ্তৃপক্ষ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ এক বৈঠক অনুষ্ঠিত কৰাৰ আশ্বাস প্ৰদান কৰে। ইপিনে তনু চাহিক তাই কোন বুলি প্ৰশ্ন কৰিছে বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই। অসমীয়া জাতিক ধমক দিবলৈ তাইৰ এইখন বাপেকৰ ঘৰ নেকি বুলি প্ৰশ্ন কৰিছে শৃংখল চলিহাই। আজি বীৰ লাচিত সেনাই তেল ডিপোটো ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰে। শীঘ্ৰে তেল ডিপোৰ লীজ বাতিল কৰি সেই ঠাইখিনি অসমীয়া যুৱকক দিয়াৰ দাবী উত্থাপন কৰিছে। কোনো কাৰণতে থলুৱাৰ অপমান সহ্য কৰা নহ'ব বুলি কয়। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰি হেণ্ডকাফ লগাই আদালতত হাজিৰ কৰা কাৰ্য মানি লোৱা নহ'ব বুলি কৈ বীৰ লাচিত সেনাই তেল ডিপোটো বন্ধ কৰি দিয়া বুলি ঘোষণা কৰে। লগতে তনু চাহিক গ্ৰেপ্তাৰৰ দাবী জনায়। শৃংখল চলিহাই কয় যে অনা-অসমীয়া মহিলাই কৈছে 'ফ্ৰী খানা খানেকে লিয়ে আয়া হে'। অসমীয়া জাতিসত্তাটোক মহিলাগৰাকীয়ে ভেঙুচালি কৰিছে। এতিয়া জেলত ফ্ৰী ভাত খুৱাব পাৰিবনে নোৱাৰে চৰকাৰে? এইটো মোৰ ফালৰ পৰা মুখ্যমন্ত্ৰীলৈ প্ৰশ্ন। জাতিক ভেঙুচালি কৰা সেই মানুহগৰাকীক জে'লত ফ্ৰী ভাত খুৱাব লাগিব। এতিয়া অসমত এনেকুৱা পৰিৱেশ-পৰিস্থিতিয়ে বিৰাজ কৰিছে যেতিয়া অসমীয়া আৰু অনা-অসমীয়াৰ মাজত সংঘাত হয় তেতিয়া অনা-অসমীয়া মানুহজনৰ ওপৰত গোচৰ দিলে থানাত লাল চাহ একাপ, চিঙৰা এটা খুৱালে জামিন দিয়ে। আমাৰ জামিনৰ ব্যৱস্থাটো হ'ল তিনিমাহ জে'লত ভৰাব, হেণ্ডকাফ লগাব তাৰপিছত জামিন দিব। আইন-কানুন অনা-অসমীয়া মানুহৰ কাৰণে বেলেগ আৰু আমাৰ কাৰণে বেলেগ। থলুৱা খিলঞ্জীয়া মানুহখিনিৰ কাৰণে বেলেগ এয়া কিন্তু নহ'ব, সংগ্ৰাম চলিবই। এতিয়া বীৰ লাচিত সেনাৰ সৈনিকে দুলীয়াজানৰ তেল ডিপো ঘেৰাও কৰিছে। এতিয়া সৎ সাহস দেখুওৱাক চৰকাৰে, তেল ডিপো ছীল কৰি দিয়ক আৰু সেই মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰক। কোন তাই আমাৰ ইয়াত আহি ধমকি লগাই কথা ক'বলৈ তাইৰ মতে নচলিব। তাইৰ মতে যদি চৰকাৰ চলে এইখন চৰকাৰ থকাতকৈ নথকাই ভাল। এইবিলাক দাদাগিৰি নচলিব।
শংকৰজ্যোতি বৰুৱাক অতি শীঘ্ৰে মুক্তি দিবলৈ আমি দাবী জনাইছো। পইচাৰ জোৰত মহিলাগৰাকীয়ে যি-টি কথা ক'ব আৰু আমি শুনি থাকিম, এইবিলাক কথা নচলিব বুলিও কয় শৃংখল চলিহাই। ইপিনে আছু নিমাতে থকাত আছুৰ মজিয়াতো ক্ষোভ দেখা গৈছে। শংকৰজ্যোতি বৰুৱাক সমৰ্থন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোটৰ উপদেষ্টা পাৰ্থপ্ৰতিম সোণোৱাল আছু ত্যাগৰ ঘোষণা কৰিছে।

# পাঠ্যপুথি বিতৰণত জড়িত নাই অধ্যক্ষ! বৰমাত বড়োলেণ্ড মহাবিদ্যালয় অধ্যক্ষ পৰিষদৰ সংবাদমেল

**ই-সংবাদ, বৰমা, ২০ মে':** বাক্সা জিলাৰ বৰমা মহাবিদ্যালয়ত আজি বিটিআৰৰ ৩৩ খন মহাবিদ্যালয়ৰ অধ্যক্ষৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। বৈঠকৰ পিছতেই মহাবিদ্যালয় অধ্যক্ষ পৰিষদে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত বিগত কিছুদিন ধৰি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়সমূহত পাঠ্যপুথি বিতৰণক লৈ বিটিআৰৰ শিক্ষা বিভাগত উত্থাপিত ৪ কোটি টকাৰ কেলেংকাৰীৰ অভিযোগ সন্দৰ্ভত কোনোপধ্যে অধ্যক্ষসকল জড়িত নহয় বুলি সংবাদমেলযোগে জানিবলৈ দিয়ে। ধন লেনদেনৰ ক্ষেত্ৰত অধ্যক্ষসকল প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত নহয় বুলি মন্তব্য কৰে। মহাবিদ্যালয়সমূহে কিতাপৰ তালিকা বিটিআৰ শিক্ষা বিভাগলৈ প্ৰেৰণ কৰে আৰু সেইমতে বিটিআৰ শিক্ষা বিভাগে পাঠ্যপুথি যোগান ধৰে বুলি জানিব দিয়ে। এই বৰ্ষত প্ৰদান কৰা পাঠ্যপুথি অত্যন্ত ভাল আৰু উন্নত মানৰ বুলিও কয়। পাঠ্যপুথি সন্দৰ্ভত অধ্যক্ষসমূহলৈ প্ৰেৰণ কৰা আইনী জাননী ভিত্তিহীন আৰু মনেসজা বুলিও মত প্ৰকাশ অধ্যক্ষ পৰিষদৰ। প্ৰয়োজন হ'লে অধ্যক্ষ পৰিষদে আইনৰ কাষ চাপিবলৈও সাজু বুলি জানিবলৈ দিয়ে। এই সংবাদমেলত বিটিআৰৰ ৩৩ খন মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে অধ্যক্ষ পৰিষদৰ সভাপতি ড° কেশৱ বসুমতাৰী আৰু সম্পাদক ড° ৰনেন চন্দ্ৰ মুছাহাৰী উপস্থিত থাকে। আনফালে সংবাদমেলত কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ আৰ এন সিনহাই এখোপ ওপৰলৈ গৈ বাতৰি সন্দৰ্ভত মিডিয়াক দোষাৰোপ কৰি বিটিআৰ শিক্ষা বিভাগত কোনো দুৰ্নীতি হোৱা নাই বুলি কোৱাৰ লগতে প্ৰমোদ বড়োৰ দিনত তেনে নহয় বুলি কয়। সংবাদমেলত তেওঁ আনকি শিক্ষা বিভাগত কোনো দুৰ্নীতি নাই বুলি মন্তব্য কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শংকৰজ্যোতিৰ হেণ্ডকাফৰ আঁৰত

থাকিয়েই দুলীয়াজান উত্তপ্ত কৰি তুলিছে শংকৰজ্যোতিয়ে। আজি দুলীয়াজানৰ বহুকেইটা দল-সংগঠনে শংকৰকেন্দ্ৰীক বিষয়ক লৈ তৈলনগৰীখনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। অৱশ্যে পোনপটীয়াকৈ যুৱনেতাজনক লৈ কোনো মন্তব্য বা প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলেও এই সংগঠনসমূহে আজি গ্ৰহণ কৰা আন্দোলনৰ কাৰ্যসূচীৰ অন্তৰালত শংকৰজ্যোতিক গ্ৰেপ্তাৰ কৰাৰ তীব্ৰ ক্ষোভ সুপ্ত হৈ আছে সেয়া স্পষ্ট হৈ পৰিছে। আজি বিতৰ্কিত বি এন সিং পেট্ৰ'ল ডিপোক কেন্দ্ৰ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ আৰু বীৰ লাচিত সেনাৰ লগতে কেইবাটাও সংগঠনে। মূলতঃ সংগঠনকেইটাই বি এন সিং পেট্ৰ'ল ডিপোৰে অইল ইণ্ডিয়া লিমিটেডৰ লীজৰ চুক্তি বাতিল আৰু ডিপোটো বন্ধ কৰাৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আজি পুৱা ১০ বজাৰ পৰা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলা সমিতিৰ উদ্যোগত দুলীয়াজানস্থিত অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত অইলৰ মাটি নীতি বহিৰ্ভূতভাৱে লীজত দিয়া আৰু উক্ত মাটিত থকা বহিৰাগত বণিয়াৰ তেল ডিপোটো বন্ধৰ দাবীত তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰায় তিনিঘণ্টা ধৰি সংগঠনটোৰ দুই শতাধিক সদস্যই অইলৰ মুখ্য কাৰ্যালয়ৰ প্ৰৱেশ দ্বাৰ বন্ধ কৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তপ্ত কৰি তোলে। পৰিস্থিতি অৱনতি ঘটাৰ আশংকাত আৰক্ষীৰ লগতে নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। বৰযুণৰ মাজতে আৰম্ভ হোৱা এই প্ৰতিবাদী কাৰ্যসূচীত লাহে লাহে দুলীয়াজানৰ সাধাৰণ জনতা আৰু আন দল-সংগঠনৰ নেতা-কৰ্মীয়ে যোগ দিয়াত প্ৰতিবাদী মিছিলটোৱে বৃহৎ ৰূপ ধাৰণ কৰে। ইয়াৰ মাজতে দুপৰীয়া প্ৰায় ১২ বজাত ডিব্ৰুগড় জিলা প্ৰশাসন আৰু অইল ইণ্ডিয়াৰ বিষয়া প্ৰতিবাদকাৰীৰে আলোচনাত মিলিত হয় যদিও প্ৰতিবাদকাৰীয়ে বি এন সিং পেট্ৰ'ল ডিপোটো বন্ধ কৰাৰ দাবী অটল হৈ থকাত আলোচনা বিফল হয় আৰু পুনৰ আন্দোলন আৰম্ভ কৰে। অৱশেষত বহু সময়জোৰা প্ৰতিবাদৰ অন্তত জিলা প্ৰশাসনে প্ৰতিবাদকাৰীৰ দাবী মানি লৈ বিতৰ্কিত বি এন সিং তেল ডিপোটো বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰাৰ লগতে সমগ্ৰ বিষয়টো সন্দৰ্ভত অইল কৰ্তৃপক্ষ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ এক বৈঠক অনুষ্ঠিত কৰাৰ আশ্বাস প্ৰদান কৰে। আজিৰ এই কাৰ্যসূচীত যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি শিৱ কলিতা, সহকাৰী সাধাৰণ সম্পাদক ক্ৰমে ছাবিৰ আহমেদ, সুৰজিত মৰাণ, যুটীয়া সম্পাদক অৰ্জুনমণি ভূঞা, সাংগঠনিক সম্পাদক ৰাজীৱ গগৈ কাৰ্যনিৰ্বাহক ভৰেন সোণোৱাল, নৰ বৰা, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি উদয়ন বৰুৱা, সাধাৰণ সম্পাদক গৌৰাংগ গগৈ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰবীণ তামুলী, সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, চৰাইদেউ জিলা সমিতিৰ সভাপতি ঝৰ্ণা মহন, লংকেশ্বৰ গগৈ, দুলীয়াজান আঞ্চলিক সমিতিৰ সভাপতি পুষ্পাঞ্জলি পৰাশৰ, সাধাৰণ সম্পাদক লক্ষী দত্ত আদি উপস্থিত থাকে। সংগঠনটোৱে প্ৰতিবাদৰ অন্তত অইল ইণ্ডিয়াৰ আৱাসিক মুখ্য বিষয়ালৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। পত্ৰত সংগঠনটোৰ দাবীসমূহ পূৰণৰ ক্ষেত্ৰত অইলে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ নকৰিলে সংগঠনটোৱে অইলৰ খনন-উৎপাদন বন্ধ কৰি দিব বুলি স্পষ্ট কৰি দিয়ে। ইফালে, এই প্ৰতিবাদী কাৰ্যসূচী সমাপ্ত হোৱাৰ আগে আগে বীৰ লাচিত সেনাৰ দুলীয়াজান আঞ্চলিক সমিতিয়ে বিতৰ্কিত বি এন সিং পেট্ৰ'ল ডিপোটো ঘেৰাও কৰে। উক্ত কাৰ্যসূচীতো দুলীয়াজানৰ সাধাৰণ লোকৰ লগতে বহুকেইটা সংগঠনে অংশগ্ৰহণ কৰি পৰিৱেশ উত্তাল কৰি তোলে। উক্ত সময়ত ডিপোটোৰ কাৰ্যালয়ত দুলীয়াজানৰ দুজনমান অসমীয়া যুৱক বহি থকাত প্ৰতিবাদকাৰীসকল উত্তেজিত হৈ পৰে। লগে লগে উক্ত স্থানত আৰক্ষী-নিৰাপত্তাৰক্ষী উপস্থিত হৈ পৰিস্থিতি অৱনতি ঘটাৰ পৰা ৰক্ষা কৰে। প্ৰতিবাদকাৰীসকলে ডিপোটোৰ কৰ্তৃপক্ষক বাহিৰলৈ ওলাই আহিবলৈ প্ৰত্যাহ্বান জনায়। লগতে ঘটনাৰ দিনা সাহী উপাধিৰ ডিপোটোৰ এগৰাকী যুৱতীয়ে শংকৰজ্যোতি বৰুৱা আৰু উপস্থিত আনসকলৰ দালাল, ফ্ৰীতে খাবলৈ বিচাৰি ফুৰা আদি মন্তব্য প্ৰদান কৰাৰ প্ৰসংগ উত্থাপন কৰি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। অৱশ্যে যুৱ-ছাত্ৰ পৰিষদৰ লগত হোৱা আলোচনা মৰ্মে প্ৰশাসনে উত্তপ্ত পৰিস্থিতিৰ সময়তে ডিপোটো বন্ধ কৰি দিয়াত বীৰ লাচিত সেনাৰ কাৰ্যসূচী সিমানতে অন্ত পৰে। ইফালে, এই উত্তপ্ত পৰিৱেশৰ মাজতে দুলীয়াজান মিডিয়া চেণ্টাৰত টাই আহোম ছাত্ৰ সন্থা, অসমীয়া মহিলা মঞ্চ, চুতীয়া ছাত্ৰ সন্থাকে ধৰি কেইবাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনে এখন সভা অনুষ্ঠিত কৰে। সভাত বিগত ১৪ আৰু ১৫ এপ্ৰিলত নাওশলীয়া আৰক্ষী চকীত একাংশই আক্ৰমণ কৰা আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত পিক পেলোৱা দুষ্কৃতিৰাৰীক আজিলৈকে কৰায়ত্ত কৰিব নোৱাৰা আৰক্ষীয়ে শংকৰজ্যোতি বৰুৱাক ষড়যন্ত্ৰমূলকভাৱে গ্ৰেপ্তাৰ কৰা কাৰ্যত ক্ষোভ প্ৰকাশ কৰে। সভাৰ অন্তত যোৱা ১৪ এপ্ৰিলত দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক তথা দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত নাওহলীয়া বাসিন্দা ব্ৰজেন গগৈৰ বাসগৃহত দুষ্কৃতিকাৰীয়ে কৰা আক্ৰমণৰ বাবে দোষীক কৰায়ত্ত কৰা, ১৫ এপ্ৰিলত দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত নাওহলীয়াৰ গোপীনাথ বৰদলৈ বিদ্যালয়ৰ চৌহদস্থিত গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত কোনো অজ্ঞাত দুষ্কৃতিকাৰীয়ে পিক্ পেলাই অপমানিত কৰা দুষ্কৃতিকাৰীক কৰায়ত্ত কৰা, যোৱা ১৭ মে'ত বি এন সিং পেট্ৰ'ল পাম্পত সংঘটিত ঘটনাৰ আলমত প্ৰাক্তন আছু নেতা শংকৰজ্যোতি বৰুৱাক আৰক্ষী প্ৰশাসনে কৰায়ত্ত কৰি উচ্চতম ন্যায়লয়ৰ বিধি উলংঘা কৰি হাতত হেণ্ডকাফ লগোৱা কাৰ্যক গৰিহণা দিছো আৰু হেণ্ডকাফ লগোৱা আৰক্ষী বিষয়া কেইজনৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণৰ লগতে বি এন সিং পেট্ৰ'ল পাম্পৰ মাটিৰ অইল ইণ্ডিয়াই লিজত দিয়া বন্ধ কৰা আৰু বিষয়টোৰ ওপৰত চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই চৰজমিন তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাই মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰৰ যোগেদি অহা ৪৮ ঘণ্টাৰ ভিতৰত বিহিত ব্যৱস্থা গ্ৰহণৰ জৰিয়তে দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তি প্ৰদান নকৰিলে অহা ২৩ মে'ত সৰ্বাত্মক দুলীয়াজান বন্ধ কাৰ্যসূচীৰ হাতত ল'ব বুলি হুংকাৰ প্ৰদান কৰে। আনহাতে, যোৱা ১৭ মে'ত পেট্ৰ'ল ডিপোটোত সংঘটিত ঘটনাৰ মাজতে সাহী উপাধিৰ ডিপোটোৰ এগৰাকী যুৱতীয়ে শংকৰজ্যোতি বৰুৱা আৰু উপস্থিত আনসকলৰ দালাল, ফ্ৰীতে খাবলৈ বিচাৰি ফুৰা আদি মন্তব্য প্ৰদান কৰাৰ প্ৰসংগত আজি বিয়লি দুলীয়াজান থানাত হেমধৰ গগৈ নামৰ এজন ব্যক্তিয়ে যুৱতীগৰাকীৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰিছে। শংকৰজ্যোতি বৰুৱাৰ গ্ৰেপ্তাৰ কেৱল অগণতান্ত্ৰিক কাৰ্যই নহয়, ই অসমীয়াৰ স্বাভিমানত এক প্ৰচণ্ড আঘাত হিচাপে গ্ৰহণ কৰি ভিতৰে ভিতৰে প্ৰচণ্ড ক্ষোভত কঠোৰ স্থিতি গ্ৰহণৰ ইংগিত দিছে দল-সংগঠনসমূহে।

# পথ দুৰ্ঘটনাত ভাওনা শিল্পী সাগৰ বৰাৰ অকাল মৃত্যু

**ই-সংবাদ, মৰিয়নি, ২০ মে':** যোৰহাট জিলাৰ হাঁহচৰা বামুণপুখুৰীৰ বৰাগাঁৱৰ ৩৫ বছৰীয়া খ্যাতনামা ভাওনা শিল্পী বিজিত বৰা(সাগৰ)ই আজি বিয়লি যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যুবৰণ কৰে। জানিব পৰা মতে, ১৮ মে'ত অনুষ্ঠিত হ'বলগীয়া বৈকুণ্ঠ শিল্পী সমাজৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে সাগৰে অৰ্থ সংগ্ৰহ আৰু নিমন্ত্ৰণৰ কামত ওলাইছিল। নিশা প্ৰায় ১২ বজাত ললিত চন্দ্ৰ ৰাজখোৱা পথত পাচনীগাঁৱৰ ওচৰত সাগৰ স্কুটি দুৰ্ঘটনাত পতিত হয়। এএছ-০৩ এএন-১৬৮৫ নম্বৰৰ স্কুটীত তেওঁ পাচনীগাঁৱৰ দেৱজিৎ পাচনী আৰু কোঁৱৰ শেনছোৱা গাঁৱৰ অভিজিৎ গগৈৰ সৈতে গৃহ অভিমুখে আহি আছিল। নিয়ন্ত্ৰণ হেৰুৱাই স্কুটীখনে বাগৰি পৰাত সাগৰ বৰা গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত উপস্থিত হোৱা বামুণপুখুৰী আৰক্ষী চকীৰ টহলদাৰী দলে তেওঁক উদ্ধাৰ কৰি প্ৰথমে টীয়ক এফ আৰ ইউলৈ লৈ যায়। তাৰপাছত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। যদিও চিকিৎসকৰ সকলো প্ৰচেষ্টাক ব্যৰ্থ কৰি আজি দিনৰ প্ৰায় ১.৩০ বজাত সাগৰে মৃত্যুক আঁকোৱালি লয়। সাগৰৰ মৃত্যুৰ পিছত স্কুটী দুৰ্ঘটনাৰ সন্দৰ্ভত পৰিয়াল আৰু স্থানীয় ৰাইজৰ মাজত সন্দেহৰ সৃষ্টি হৈছে। পৰিয়ালৰ লোকসকলে দাবী কৰিছে যে সাগৰৰ সৈতে থকা অৰ্থ সংগ্ৰহৰ বেগটো ঘটনাৰ পাছৰপৰা অন্তৰ্ধান হৈ আছে। এই সন্দেহৰ ভিত্তিত স্থানীয় আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে পৰিয়ালে।

রাষ্ট্রসংঘৰ সকীয়নি: সাহায্য প্ৰৱেশ কৰিব নোৱাৰিলে হ'ব ভয়ংকৰ পৰিণতি

# যুদ্ধবিধ্বস্ত গাজাত ৪৮ ঘণ্টাত মৃত্যু হ'ব পাৰে ১৪ হাজাৰ শিশুৰ

**লণ্ডন, ২০ মে':** ৰাষ্ট্রসংঘই সকীয়াই দিছে যে যুদ্ধবিধ্বস্ত গাজাত অধিক সাহায্য প্ৰৱেশ কৰিবলৈ নিদিলে ৪৮ ঘণ্টাৰ ভিতৰত মৃত্যু হ'ব পাৰে ১৪ হাজাৰ শিশুৰ। ইজৰাইল কর্তৃপক্ষই গাজা সম্পূর্ণৰূপে অৱৰোধ কৰাৰ ১১ সপ্তাহৰ পিছতহে পেলেষ্টাইনৰ ভূখণ্ডত সীমিত সাহায্য প্ৰৱেশৰ অনুমতি দিয়া হৈছে। আমেৰিকা, কানাডা, ফ্রান্স আৰু যুক্তৰাজ্যকে ধৰি মিত্রশক্তিৰ হেঁচাত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাষ্ট্রসংঘৰ মানৱীয় মুৰব্বী টম ফ্লেচাৰে কয় যে সোমবাৰে কেঁচুৰাৰ বাবে খাদ্যকে ধৰি মানৱীয় সাহায্য কঢ়িয়াই অনা মাত্র পাঁচখন ট্ৰাকহে গাজাত প্ৰৱেশ কৰিব পাৰে। ইজৰাইলে কেইবা সপ্তাহ ধৰি সম্পূর্ণ অৱৰোধ কৰাৰ পিছত সামান্য সকাহ প্রদান কৰা হৈছে যদিও এই সাহায্য এতিয়াও আৰ্তজনৰ ওচৰলৈ যাব পৰা নাই। বিবিচিৰ ৰেডিঅ'৪ৰ সৈতে হোৱা এক সাক্ষাৎকাৰত তেওঁ কয় যে, 'আমি তেওঁলোকৰ ওচৰলৈ যাব নোৱাৰিলে অহা ৪৮ ঘণ্টাত ১৪ হাজাৰ কেঁচুৰাৰ মৃত্যু হ'ব। আমি সেই শিশুৰ খাদ্য সেইসকল মাতৃলৈ পঠিয়াবলৈ চেষ্টা কৰি বহু ধৰণৰ বিপদৰ সন্মুখীন হৈছো। এই মাতৃসকল নিজেই পুষ্টিহীনতাত ভুগি থকাৰ বাবে তেওঁলোকে বর্তমান নিজৰ সন্তানক খুৱাব পৰা অৱস্থাত নাই।' সোমবাৰে ব্ৰিটেইন, ফ্ৰান্স আৰু কানাডাৰ নেতাসকলে গাজাত ইজৰাইলৰ "উগ্ৰ কাৰ্য্যকলাপক"ক গৰিহণা দিয়াৰ লগতে মানৱীয় সাহায্যৰ ওপৰত নিষেধাজ্ঞাৰ অন্ত নকৰিলে যৌথ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা সকীয়াই দিয়াৰ পাছতে ৰাষ্ট্রসংঘৰ বিষয়াগৰাকীয়ে এই মন্তব্য কৰে। ফ্লেচাৰে লগতে জনাইছে যে ৰাষ্ট্রসংঘই আজি আৰু ১০০খন ট্ৰাক গাজাত প্ৰৱেশ কৰাৰ আশা কৰিছে, যিবোৰ শিশুৰ খাদ্য আৰু পুষ্টিৰে ভৰি আছে। উল্লেখ্য যে গাজাত আগন্তুক দুৰ্ভিক্ষক লৈ আন্তঃৰাষ্ট্ৰীয় হেঁচাৰ মাজতে দেওবাৰে নিশা ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে ১১ সপ্তাহৰ বিধ্বংসী সাহায্য অৱৰোধ লাঘৱ কৰিবলৈ বাধ্য হয়। তেওঁ কয় যে ইজৰাইলৰ বাবে গাজাত "কূটনৈতিক কাৰণত" "অনাহাৰ সংকট" ৰোধ কৰাটো প্ৰয়োজনীয় - কিন্তু নূন্যতম পৰ্যায়লৈকেহে।



যুদ্ধ বিৰতিৰ পাছত খুলিছে স্কুল, শ্ৰীনগৰত পিতৃৰ হাতত ধৰি পঢ়াশালিলৈ দুগৰাকী কণমানি ফটো মঙলবাৰৰ

# পুডুচেৰীত ১২ জন আক্রান্ত ক'ভিড-১৯ত

**পুডুচেৰী, ২০ মে':** স্বাস্থ্য আৰু পৰিয়াল কল্যাণ সেৱা বিভাগে মঙলবাৰে প্ৰকাশ কৰা এক প্ৰেছ বিজ্ঞপ্তি অনুসৰি বিগত সপ্তাহত পুডুচেৰীত ১২ জন লোকৰ দেহত ক'ভিড-১৯ ধৰা পৰিছে। বিভাগটোৰ সঞ্চালক ভি ৰবিচন্দ্ৰনে কয় যে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ নিৰ্দেশনা মানি স্বাস্থ্য দলসমূহে কাহ, চৰ্দিৰ দৰে লক্ষণ দেখা দিয়া লোকসকলক পৰীক্ষা কৰি আহিছে। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ বিভাগটো সম্পূর্ণৰূপে সাজু বুলি আশ্বাস দি জনসাধাৰণক আতংকিত নহ'বলৈ আহ্বান জনায়। আক্রান্তৰ যিকোনো সম্ভাব্য বৃদ্ধিৰ ব্যৱস্থাপনা কৰিবলৈ চৰকাৰী সাধাৰণ চিকিৎসালয়, কাদিৰকামৰ ইন্দিৰা গান্ধী চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান, আৰু ৰাজীৱ গান্ধী চৰকাৰী শিশু চিকিৎসালয়ত ক'ভিড-১৯ ৰোগীৰ বাবে চাৰিখন চিকিৎসালয়ৰ বিচনা সংৰক্ষিত কৰা হৈছে।গোৰিমেডুৰ বুকুৰ ৰোগৰ চৰকাৰী চিকিৎসালয়তো ভেণ্টিলেটৰ আৰু অক্সিজেন সহায়ক লৈ ছয়খন বিছনাযুক্ত বিশেষ ৱাৰ্ড স্থাপন কৰা হৈছে।

# মুম্বাইত বিল্ডিঙৰ শ্লেব ভাঙি ৬ জনৰ মৃত্যু

**মুম্বাই, ২০ মে':** মুম্বাইৰ কল্যাণৰ সমীপত আজি চাৰি মহলীয়া অট্টালিকা এটাৰ শ্লেব ভাঙি ৬ জন লোকৰ মৃত্যু হয়। প্ৰাথমিক খবৰ অনুসৰি এই ঘটনাত ৫জন লোক আহতও হৈছে। দ্বিতীয় মহলাৰ পৰা শ্লেব খহি তলৰ মহলাত পৰিছিল বুলি জানিব পৰা গৈছে। অট্টালিকাৰ তৃতীয় মহলাত আবদ্ধ হৈ পৰিছিল ১১ জন লোক। অগ্নিনির্বাপক বাহিনী আৰু আৰক্ষী জোৱানৰ সহায়ত উদ্ধাৰ অভিযান চলাই ৫ জনক উদ্ধাৰ কৰা হয় যদিও আন ৬ জন লোকৰ মৃত্যু হয়।

# সৰ্বদলীয় প্ৰতিনিধি দলৰ সদস্য হ'ব তৃণমূল কংগ্ৰেছৰ অভিষেক

## ৰিজিজুলৈ মমতা বেনাৰ্জীৰ ফোন

**নতুন দিল্লী, ২০ মে':** ভাৰতৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহিষ্ণুতাৰ বাৰ্তা আৰু নীতিক প্ৰচাৰ কৰিবলৈ কেইবাখনো দেশলৈ যাবলগীয়া সাংসদৰ সৰ্বদলীয় প্ৰতিনিধি দলত পশ্চিম বংগৰ শাসকীয় দলক প্ৰতিনিধিত্ব কৰিবলৈ ওলাইছে তৃণমূল কংগ্ৰেছৰ দ্বিতীয় কমাণ্ড অভিষেক বেনাৰ্জীয়ে। ভাৰত চৰকাৰে পেহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধ লোৱাৰ লগতে কেইবাটাও সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰা অপাৰেচন সিন্দুৰৰ পিছতে দেশৰ স্থিতিৰ প্ৰচাৰৰ বাবে দলীয় সীমাৰ সিপাৰে কেইবাজনো সাংসদ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক ফোন কৰি প্ৰতিনিধি দললৈ প্ৰতিনিধি পঠিয়াবলৈ অনুৰোধ জনোৱাৰ পাছতে মমতা বেনাৰ্জীয়ে অভিষেক বেনাৰ্জীৰ নাম প্ৰস্তাৱ কৰিছিল। উল্লেখযোগ্য যে কেন্দ্ৰই প্ৰতিনিধি হিচাপে বাছি লোৱাৰ পাছতো টিএমচিৰ সাংসদ ইউছুফ পাথান সৰ্বদলীয় প্ৰতিনিধি দলৰ পৰা বাহিৰ হয় কাৰণ মমতা বেনাৰ্জীয়ে কেন্দ্ৰই তেওঁৰ পৰামৰ্শ নোলোৱাকৈ পাঠানক বাছনি কৰাত মুখ্যমন্ত্ৰী গৰাকী অসন্তুষ্ট হৈ পৰিছিল।

৯.৬ জিবিপিএছ পৰ্যন্ত হ'ব স্পীড

# নতুন স্পেকট্ৰাম মুকলি কৰিব চৰকাৰে

**নতুন দিল্লী ২০ মে':** এতিয়া আপোনাৰ ঘৰৰ ৱাই-ফাই আগৰ তুলনাত বেছি দ্ৰুত হ'ব! ৬ গিগাহাৰ্টজ স্পেকট্ৰাম বেণ্ডৰ এটা অংশ অনুজ্ঞাপত্ৰ অবিহনে ব্যৱহাৰৰ অনুমতি দিয়াৰ সিদ্ধান্ত লৈছে চৰকাৰে। ইয়াৰ ফলত ৱাইফাইৰ বাবে অতিৰিক্ত ৫০০ মেগাহাৰ্টজ স্পেকট্ৰাম মুকলি হ'ব, যাৰ ফলত ইণ্টাৰনেটৰ গতি আৰু নেটৱৰ্ক ক্ষমতা দুয়োটাতে যথেষ্ট উন্নতি হ'ব। ইয়াৰ বাবে দূৰসংযোগ বিভাগে খচৰা নিয়ম জাৰি কৰি ১৫ জুনৰ ভিতৰত ৰাইজৰ পৰা পৰামৰ্শ বিচাৰিছে।ইয়াৰ পিছত এই নিয়ম কাৰ্যকৰী হ'ব। বিশেষজ্ঞসকলে কয় যে ৬ গিগাহাৰ্টজ বেণ্ডত ইণ্টাৰনেটৰ গতি ৯.৬ জিবিপিএছ পৰ্যন্ত হ'ব পাৰে। ইয়াৰ তুলনাত ৫ গিগাহাৰ্টজে সৰ্বোচ্চ গতি ১.৩ জিবিপিএছ আৰু ২.৪ গিগাহাৰ্টজে মাত্ৰ ৬০০ এমবিপিএছ গতি প্ৰদান কৰে। ইতিমধ্যে আমেৰিকা, ব্ৰিটেইন আৰু দক্ষিণ কোৰিয়াকে ধৰি ৮৪খনতকৈও অধিক দেশে ৱাই-ফাইৰ বাবে এই বেণ্ডটো মুকলি কৰিছে। বৰ্তমান ভাৰতত ৱাই-ফাই কেৱল ২.৪ গিগাহাৰ্টজ আৰু ৫ গিগাহাৰ্টজ বেণ্ডতহে কাম কৰে, যিবোৰ এতিয়া যথেষ্ট বেছিকৈ ব্যৱহাৰ হৈ আছে। এনে পৰিস্থিতিত ৬ গিগাহাৰ্টজ বেণ্ড হাই-স্পীড গেমিং, স্মাৰ্ট ডিভাইচ, এ আৰ/ভি আৰ আদি আধুনিক প্ৰযুক্তিৰ বাবে গেম চেঞ্জাৰ হিচাপে প্ৰমাণিত হ'ব পাৰে।

# কাৰ্বাইড দিয়া ফল বেচিলে জে'ললৈ যাব ব্যৱসায়ী

**নতুন দিল্লী ২০ মে':** ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষই সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক পৰিদৰ্শন তীব্ৰতৰ কৰি তুলিবলৈ নিৰ্দেশ দিছে আৰু অকৰ্তৃত্বশীলভাৱে ফল পকোৱা দ্ৰব্য আৰু কৃত্ৰিম আৱৰণ বা ৰং অবৈধ ব্যৱহাৰৰ বিৰুদ্ধে লক্ষ্য নিৰ্ধাৰণ কৰি বলবৎকাৰী অভিযান আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। এফএছএছএআইয়ে এক আনুষ্ঠানিক নিৰ্দেশনাত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ খাদ্য সুৰক্ষা আয়ুক্তসকলক কৃত্ৰিমভাৱে ফল পকাবৰ বাবে কেলচিয়াম কাৰ্বাইডৰ দৰে বিপজ্জনক পদাৰ্থৰ ব্যৱহাৰ ৰোধ কৰিবলৈ ফলৰ বজাৰ আৰু পাইকাৰী বিতৰণ কেন্দ্ৰসমূহত চোৰাংচোৱাগিৰি বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিছে। এফএছএছএআইয়ে কয় যে, "বলবৎকাৰী অভিযানৰ অংশ হিচাপে, বিশেষকৈ কেলচিয়াম কাৰ্বাইডৰ দৰে পদাৰ্থ পকিবলৈ ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা গুদাম আৰু মজুতকৰণৰ সুবিধাসমূহ পৰিদৰ্শন কৰা হ'ব পাৰে।" কোনো স্থানত বা ফলৰ চালানৰ ওচৰত মজুত কৰি ৰখা কেলচিয়াম কাৰ্বাইডৰ উপস্থিতিক পৰিস্থিতিগত প্ৰমাণ হিচাপে গণ্য কৰা হ'ব আৰু ইয়াৰ ফলত খাদ্য সুৰক্ষা আৰু মানক আইন, ২০০৬ৰ অধীনত সংশ্লিষ্ট খাদ্য ব্যৱসায় পৰিচালকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব পাৰে।

# বিটিআৰৰ ৩৩ খন মহাবিদ্যালয়ত কিতাপ যোগানৰ নামত বিয়াগোম দুৰ্নীতিৰ অভিযোগ

## কোকৰাঝাৰত বনছুৰ তীব্ৰ প্ৰতিক্ৰিয়া, উচ্চস্তৰীয় তদন্ত কমিটী গঠন বিটিআৰ প্ৰশাসনৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২০ মে':** বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনৰ ৩৩ খন মহাবিদ্যালয়ত কিতাপ যোগান দিয়াৰ নামত ৪ কোটি টকাৰ বিয়াগোম দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বড়োলেণ্ড ষ্টুডেণ্ট ইউনিয়ন চমুকৈ বনছুৱে। আনহাতে বনছুৱে আজি কোকৰাঝাৰ জিলা আয়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী, ৰাজ্যপাল আৰু শিক্ষামন্ত্ৰী লৈ এক স্মাৰক-পত্ৰ প্ৰেৰণ কৰি এই সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী জনাইছে । স্মাৰক-পত্ৰৰ জৰিয়তে কিতাপ যোগান দিয়াৰ নামত সংঘটিত হোৱা এই বিয়াগোম দুৰ্নীতিৰ ন্যায়িক তদন্ত আৰু দুৰ্নীতিত জড়িতসকলক অচিৰেই গ্ৰেপ্তাৰ কাৰৰ দাবী জনাইছে বনছুৱে। ইপিনে উক্ত দুৰ্নীতিৰ তদন্ত আৰু দুৰ্নীতিত লিপ্ত দোষীক গ্ৰেপ্তাৰ নকৰিলে আন্দোলনৰ হুংকাৰ দিছে বনছুৰ উপ-সভাপতি হেমচন্দ্ৰ ব্ৰহ্মই। উল্লেখ্য যে দিল্লীৰ প্ৰশান্ত জৈন, ৰাহুল জৈন, মোহিত কুমাৰ জৈন আৰু গৌৰৱ জৈন নামৰ লোক চাৰিজনে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনৰ ৩৩ খন মহাবিদ্যালয়ত প্ৰায় চাৰি কোটি টকাৰ কিতাপ যোগান দিছিল। কিন্তু কিতাপ যোগান দিয়াৰ নামত লোক কেইজনে বিটিআৰৰ শিক্ষা বিভাগৰ সচিব আৰু শিক্ষা সঞ্চালক সহ আন কিছুমানৰে সৈতে মিলি ব্যাপক দুৰ্নীতি কৰাৰ অভিযোগ উঠিছে। এখন ৫০০ টকাৰ কিতাপকে ১৫ হাজাৰ টকা দেখুৱাই লোক কেইজনে ৪ কোটি টকাৰ কিতাপ মহাবিদ্যালয়সমূহলৈ যোগান ধৰিছিল বুলি অভিযোগ উঠিছে। ইয়াৰ উপৰি লোক কেইজনে পৰিচালনা কৰা ব্লেকলিষ্টেড প্ৰতিষ্ঠানৰ পৰা পাইৰেচি কৰা কিতাপহে যোগান ধৰিছিল বুলি অভিযোগত প্ৰকাশ পাইছে। উল্লেখ্য যে নতুন দিল্লীৰ লাল এণ্ড এচোছিয়েট নামৰ গোষ্ঠী তথা বিজয় কুমাৰ গৌড় নামৰ ব্যক্তি এজনে শিক্ষা বিভাগত সংঘটিত হোৱা এই দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি বিটিআৰৰ শিক্ষা সচিব অমৰজ্যোতি বৰ্মণ আৰু শিক্ষা সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্ম, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীয়ান খগেন কলিতা আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বি এল আহুজা আৰু ৩৩ খন মহাবিদ্যালয়ৰ অধ্যক্ষলৈ আইনী জাননী প্ৰেৰণ কৰিছে । আইনী জাননী খনত উল্লেখ কৰা হৈছে যে বিটিআৰৰ শিক্ষা বিভাগৰ সচিব অমৰজ্যোতি বৰ্মনৰ পত্নীয়ে যোৱা ৪ এপ্ৰিলত কোকৰাঝাৰৰ মেজিষ্ট্ৰেট কলনীৰ চৰকাৰী বাসগৃহত নতুন দিল্লীৰ ৰাহুল জৈনৰ পৰা ৪০ লাখ টকা গ্ৰহণ কৰাৰ উপৰি ৫ এপ্ৰিলত অমৰজ্যোতি বৰ্মনে নিজে ৬০ লাখ টকা আদায় লৈছিল। তদুপৰি অমৰজ্যোতি বৰ্মনে বিটিআৰৰ সচিব প্ৰধান আকাশদ্বীপৰ নামতো পাঁচ লাখ টকা গ্ৰহণ কৰিছিল। আনহাতে বিটিআৰৰ শিক্ষা বিভাগৰ সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মক ৬ লাখ টকা আদায় দিয়া হৈছিল। একেদৰে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীয়ান খগেন কলিতাইও দুই লাখ টকা আদায় লৈছিল। ইপিনে এনে বিতৰ্কৰ মাজতে আজি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ নিৰ্দেশত কিতাপ ক্ৰয় কেলেংকাৰী সন্দৰ্ভত এক উচ্চস্তৰীয় তদন্ত সমিতি গঠন কৰা হৈছে। বিটিচিৰ মুখ্য সচিব স্বাক্ষৰিত এক জাননীত কোৱা হয় যে দুৰ্নীতিৰ বিৰুদ্ধে শুন্য সহনশীলতা নীতি অব্যাহত ৰখাৰ পৰিণতিতে উচ্চ স্তৰীয় কমিটি গঠন কৰা হৈছে। উক্ত কমিটিৰ অধ্যক্ষ হিচাপে গুৱাহাটী উচ্চ ন্যায়ালয়ত বিটিচিৰ ষ্টেডিং কাউন্সিল তথা অধিবক্তা শব্দৰাম ৰাভাক অধ্যক্ষ হিচাপে লৈ ছজনীয়া কমিটি গঠন কৰা হৈছে। উক্ত সমিতিত সদস্য সচিব হিচাপে বিটিচিৰ সচিব ধীৰাজ সাউদ, সদস্য হিচাপে ক্ৰমে বিটিচিৰ সচিব সুজিত বাগলাৰী, বিটিচিৰ জেষ্ঠ্য আইন বিষয়া বিধান দাস , বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক সুবুং বসুমতাৰী আৰু বিত্ত বিষয়া সোৰজ কুমাৰ ডোৱাক অন্তৰ্ভুক্ত কৰা হৈছে। তদন্ত সমিতিখনে বিষয়টোৰ পুংখানুপুংখ তদন্ত কৰি ১৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব বুলি জানিব পৰা গৈছে।

# নগাঁৱত সভাপতি নিৰ্বাচনক লৈ পঞ্চায়তে পঞ্চায়তে ব্যাপক তৎপৰতা

**ই-সংবাদ, বেৰেজীয়া, ২০ মে':** এইবাৰ গাঁও পঞ্চায়তসমূহক দলীয় ৰাজনীতিৰ পৰা মুক্ত কৰি দলীয় প্ৰতীক অবিহনেই পঞ্চায়তৰ সদস্য নিৰ্বাচন কৰি পঞ্চায়তসমূহক ৰাজনীতিৰ মেৰপেছৰ পৰা মুক্ত কৰাৰ মহান উদ্দেশ্যৰে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো পঞ্চায়তৰ সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি আৰম্ভ হৈছে ক্ষমতা দখলৰ কুটিল ৰাজনীতি। আচলতে, নানা প্ৰকাৰৰ চল-চাতুৰি, প্ৰলোভন আৰু প্ৰৰোচনাৰে পঞ্চায়তৰ সভাপতি হোৱাৰ কুছ-কাৱাজ চলিব ধৰিছে জিলাখনৰ পঞ্চায়তে পঞ্চায়তে । উল্লেখ্য, ৰাজ্যিক কেবিনেটে ইতিমধ্যে গাঁও পঞ্চায়তৰ সভাপতি নিৰ্বাচন প্ৰক্ৰিয়াৰ বাবে সময় নিৰ্ধাৰণ কৰি দিয়াৰ পিছৰে পৰাই সভাপতি হ'বলৈ মন মেলা বিজয়ী সদস্যসকল নিৰ্দিষ্ট সংখ্যক সদস্যৰ সমৰ্থন আদায়ৰ প্ৰচেষ্টাত নামি পৰা দেখা গৈছে। এইসকলৰ মূল লক্ষ্য হৈছে যিকোনো প্ৰকাৰে সভাপতিৰ দৰে পদত অধিষ্ঠিত হৈ নিজকে সমাজৰ এজন ক্ষমতাশালী ব্যক্তি হোৱাৰ। সেয়ে কোন হ'ব সভাপতি তাক কেন্দ্ৰ কৰি চলিছে ব্যাপক তৎপৰতা। ভিতৰি ভিতৰি চলা এনে তৎপৰতাত বিশেষকৈ বিজেপি দলৰ একাংশ পালিনেতা তথা নিজকে বিধায়কৰ 'খাচ' মানুহ বুলি জাহিৰ কৰি ফুৰা এচাম ব্যক্তি জড়িত হৈ পৰাত সচেতন ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বহুততে আকৌ ভোজভাত খুৱাই একাংশ সদস্যৰ সমৰ্থন আদায়েৰে নিজৰ নিজৰ পচন্দৰ ব্যক্তিক পঞ্চায়তৰ সভাপতি নিৰ্বাচিত কৰাৰ কৌশল অৱলম্বন কৰিছে এচাম চতুৰ সুবিধাবাদী পালিনেতাই। আনকি, একাংশ দলীয় কাৰ্যকৰ্তা তথা বুথ সমিতিৰ বিষয়ববীয়াই দলীয় প্ৰভাব খটুৱাই সভাপতি নিৰ্বাচনত হস্তক্ষেপ কৰাৰ অভিযোগো শুনিবলৈ পোৱা গৈছে। কাজেই, চৰকাৰী ব্যৱস্থালৈ অপেক্ষা নকৰি দলীয় প্ৰভাবেৰে সভাপতি নিৰ্বাচনত এনেদৰে এচাম পালিনেতা তথা সুবিধাবাদী লোক উঠিপৰি লগা কাৰ্যই মুখ্যমন্ত্ৰী তথা ৰাজ্য চৰকাৰে পঞ্চায়তক ৰাজনীতিৰ পৰা মুক্ত কৰিবলৈ গ্ৰহন কৰা প্ৰচেষ্টা একপ্ৰকাৰ প্ৰহসনত পৰিণত কৰি তোলাৰ আশংকা ব্যক্ত কৰিছে সচেতন মহলে।

# টীয়কৰ জগদুৱাৰ বাগান প্ৰাথমিক বিদ্যালয়ত চুৰি

**ই-সংবাদ, টীয়ক ২০ মে':** টীয়কৰ জগদুৱাৰ বাগান প্ৰাথমিক বিদ্যালয়ত কালি নিশা চোৰে লুটপাত চলাই লণ্ড-ভণ্ড চলোৱা ঘটনাই সমগ্ৰ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।বিদ্যালয় গৃহৰ খিৰিকি ভাঙি চোৰে বিদ্যালয়ত প্ৰৱেশ কৰি বিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ নথি পত্ৰৰ লগতে খেলা সামগ্ৰী,বাচন বৰ্তন,ইউনিফৰ্ম আদি লৈ যায়। লগতে লণ্ডভণ্ড কৰে আচবাব আৰু বৈদ্যুতিক পাংখা।পুৱা বিদ্যালয় খোলাৰ সময়ত সকলো উপস্থিত হৈ উক্ত পৰিৱেশ দেখি আচৰিত হৈ পৰে আৰু টীয়ক আৰক্ষীক খবৰ দিয়ে। ইতিমধ্যে টীয়ক আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিবেশ পৰ্যবেক্ষণ কৰিছে।উল্লেখযোগ্য যে আজিৰ পৰা দুটা বছৰৰ পূৰ্বে উক্ত বিদ্যালয়ৰ পৰা মধ্যাহ্ন ভোজনৰ চাউলৰ বেগ চুৰি হৈছিল।সেয়ে বিদ্যালয়ত এইদৰে সঘনাই চুৰি হোৱা ঘটনাক বিদ্যালয় কৰ্তৃপক্ষৰ লগতে স্থানীয় জনতাই গৰিহণা দি ইয়াৰ এক তদন্ত কৰিবলৈ আৰক্ষীক আহ্বান জনাইছে।

# লখিমপুৰত জৰাজীৰ্ণ ঘাইপথে উদঙাইছে উন্নয়নৰ ফোঁপোলা স্বৰূপ



**ই-সংবাদ, উত্তৰ লখিমপুৰ, ২০ মে'ঃ** দীৰ্ঘদিন ধৰি লখিমপুৰ জিলাৰ মাজেৰে বান্দৰদেৱা-লালুক হৈ পাৰ হৈ যোৱা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ জৰাজীৰ্ণ অৱস্থাই পথচাৰীক জ্বলা-কলা খোৱাই অহাৰ বাতৰি বিভিন্ন সময়ত প্ৰকাশ হৈ আহিছে যদিও আজি পৰ্যন্ত গা লৰা নাই ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী বিভাগৰ। জৰাজীৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথত নিতৌ দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতো যেন নিজকে অকমণ্য বিভাগ হিচাপে পৰিচয় দি কুম্ভকৰ্ণ নিদ্ৰাত মগ্ন হৈ আছে চৰকাৰৰ এই বিভাগটো। আনকি কেৱল উন্নয়নৰ ঢাক-ঢোল বজায় থকা বিজেপি চৰকাৰৰ মন্ত্ৰী-বিধায়ক-সাংসদৰো যেন বৰ্তমান সময়লৈকে চকু খোল খোৱা নাই ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ এই জৰাজীৰ্ণ অৱস্থাটোৰ ওপৰত। উল্লেখ্য যে সদাব্যস্ত ৰাষ্ট্ৰীয় ঘাইপথচোৱাত হোৱা বৃহৎ বৃহৎ গাঁতৰ বাবে লালুকৰ পুখুৰীপৰীয়া-পদুমনিৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ এটা অংশত প্লাষ্টিকৰ গতিৰোধক ব্যৱহাৰ কৰি বেৰি ৰাখিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উন্নয়নৰ নৈ বৈ যোৱা বুলি চৰকাৰৰ মুখপাত্ৰ আৰু বিজেপি কৰ্মীয়ে যিমান প্ৰচাৰ চলালেও লখিমপুৰ জিলাৰ মাজেৰে পাৰ হৈ যোৱা জৰাজীৰ্ণ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱাই বিজেপি চৰকাৰৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ যেন পুনৰবাৰ পথচাৰীৰ সন্মুখত উদঙাই পেলাইছে। আনহাতে, কিছুদিন পূৰ্বে উক্ত পথচোৱাৰ জৰাজীৰ্ণ গাঁতৰ কিছু অংশত বিভাগীয় কৰ্তৃপক্ষই কেইটামান শিল আৰু আলকতাৰা পেলাই নিজৰ দায়িত্ব সামৰাৰ চেষ্টা কৰিছিল যদিও উক্ত অংশসমূহ দুই-এদিনৰ ভিতৰতে পুনৰ ভাঙি বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা গ'ল। ইয়াকে লৈ লালুক সোনাপুৰত অসমীয়া যুৱ মঞ্চ আৰু স্থানীয় ৰাইজে প্ৰতিবাদী কাৰ্যসূচীও গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ এনে জৰাজীৰ্ণ অৱস্থাৰ বাবে দৈনিক দুৰ্ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সৰ্বসাধাৰণ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সৰ্বসাধাৰণ ৰাইজৰ লগতে লখিমপুৰত জাতীয় যুৱ বাহিনী আৰু বিভিন্ন দল-সংগঠনে লখিমপুৰ জিলাৰ মাজেৰে পাৰ হৈ যোৱা উক্ত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱা শীঘ্ৰেই পুনৰ নিৰ্মাণ কৰিবলৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী বিভাগ আৰু চৰকাৰক দাবী জনাইছে।

# পশ্চিম দৰঙত অবৈধ সুৰাৰ ৰমৰমীয়া বেহা, কুম্ভকৰ্ণ নিদ্ৰাত আবকাৰী

**ই-সংবাদ, দুনী, ১৮ মে':** দৰঙৰ পশ্চিমাঞ্চলত দেশী-বিদেশী সুৰাৰ অবাধ প্ৰচলনে সামাজিক পৰিৱেশ বিনষ্ট কৰি তুলিছে। কিশোৰৰ পৰা বৃদ্ধপৰ্যন্ত এনে দেশীয় আৰু বিলাতী সুৰাৰ কবলত পৰি নিজৰ লগতে পৰিয়ালৰ জীৱন দুৰ্বিষহ কৰি তুলিছে। পশ্চিম দৰঙৰ কোনো এখন ঠাইতে দেশী অথবা বিদেশী সুৰাৰ অনুজ্ঞা-পত্ৰ থকা দোকান নাই। অথচ দুনী-দিপীলা, দলংঘাট, বামুণঝাৰ, আন্ধেৰীঘাট, জয়ন্তীপুৰ, ৰাইজঘাট, নামখলা, দেওমৰনৈ, মহলীয়াপাৰা আদি মফচলীয়া চ'ক-বজাৰসমূহত উভৈনদী হৈ পৰিছে দেশী-বিদেশী সুৰা। একাংশ দোকানত বাধাহীনভাৱে বিভিন্ন ব্ৰেণ্ডৰ বিদেশী সুৰা বিক্ৰী কৰি থকাৰ পিছতো নিৰ্লিপ্ত হৈ আছে আবকাৰী বিভাগ। তদুপৰি বৃহত্তৰ অঞ্চলটোত আছে শতাধিক দেশীয় চুলাই মদৰ ঘাটি। নিকটবৰ্তী জনজাতীয় গাঁৱৰ পৰা চুলাই মদ আনি বিক্ৰী কৰে এই ঘাটিসমূহত। প্ৰতিদিনে গড় হিচাপত পশ্চিম দৰঙত প্ৰায় এক হাজাৰ লিটাৰতকৈ অধিক চুলাই মদ বিক্ৰী হয়। দৰঙৰ মঙলদৈ আৰু ছিপাঝাৰ, কামৰূপৰ বাইহাটা চাৰিআলি, গোৰেশ্বৰত অনুজ্ঞাপত্ৰ থকা মদৰ দোকানৰ পৰা বিদেশী মদ আনি বাধাহীনভাৱে বিক্ৰী কৰি আহিছে পশ্চিম দৰঙত। ভূটানৰ মদ বিক্ৰী হয় পশ্চিম দৰঙত। উল্লেখ্য জিলা খনৰ আবকাৰী বিভাগে দেশী-বিদেশী মদৰ এনে প্ৰচলনৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। আবকাৰী বিভাগৰ বিষয়া- কৰ্মচাৰীয়ে অবৈধ মদৰ দোকানসমূহৰ পৰা মাহেকে-পষেকে ধন সংগ্ৰহ কৰাৰ অভিযোগ সৰ্বত্ৰে। প্ৰতিজন অবৈধ মদ বেপাৰীৰ পৰা দৰঙৰ আবকাৰীয়ে সংগ্ৰহ কৰে মোটা অংকৰ কমিছন। মদৰ দোকানসমূহ হৈ পৰিছে একাংশ আবকাৰীৰ বিষয়া-কৰ্মচাৰীৰ অবৈধ আয়ৰ উৎস। ইফালে বুঢ়া আৰক্ষী চকী আৰু পাথৰিঘাট আৰক্ষী চকীৰ আৰক্ষীয়ে মদৰ বিৰুদ্ধে ছেগাচোৰোকাকৈ অভিযান অব্যাহত ৰাখিছে যদিও সফল হ'ব পৰা নাই।

# তামুলপুৰৰ বৰবালিশিহাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**ই-সংবাদ, তামুলপুৰ, ২০ মে'ঃ** তামুলপুৰ জিলাৰ বৰবালিশিহা আঞ্চলিক জোনালী যুৱক সংঘৰ উদ্যোগত অঞ্চলটোৰ ৬০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক যোৱা ১৮ মে'ত সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে গয়বাৰী ব্লক ইউপিপিএলৰ সাধাৰণ সম্পাদক কবিন চন্দ্ৰ বসুমতাৰীয়ে। সভাখনত তামুলপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত অনুপম ডেকা, মাহেকীয়া বাৰ্তা পখিলিৰ সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকাই ছাত্ৰ-ছাত্ৰী সকলৰ উদ্দেশ্য বক্তব্য ৰাখে। কচুবাৰী হাইস্কুলৰ সহকাৰী শিক্ষক গণেশ ৰাভাৰ আঁত ধৰা সভাখনত বৰবালিশিহা আঞ্চলিক এম ই স্কুলৰ প্ৰধান শিক্ষক ৰবিৰাম ৰাভা, বৰবালিশিহা আঞ্চলিক এম ই স্কুলৰ সহকাৰী শিক্ষক গোবিন্দ শৰণীয়া, জোনাকী যুৱক সংঘৰ শিক্ষা সম্পাদক ৰাজু ৰাভাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বৰবালিশিহা আঞ্চলিক জোনালী সংঘৰ পতাকা উত্তোলন কৰে বৰবালিশিহা জোনালী যুৱক সংঘৰ সভাপতি অনাদি ৰাভাই। ইয়াৰ পিছতে গছপুলি ৰোপণ কৰে তামুলপুৰ জিলাৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে। সন্ধিয়া দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ জোৱানলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়।

# সোণাৰিত দিনদুপৰতে ২০ লাখ টকা ডকাইটি

**ই-সংবাদ, সোণাৰি, ১৯ মে':** স'ততে আৰক্ষীয়ে গিজগিজাই থকাৰ পাছতো চৰাইদেউ জিলাৰ সদৰ সোণাৰি নগৰৰ মাজমজিয়াত কালি সংঘটিত হয় এক চাঞ্চল্যকৰ ডকাইতিৰ ঘটনা। দিনদুপৰতে নগৰৰ মাজ মজিয়াৰ পৰা ডকাইতে লুটি নিলে প্ৰায় ২০ লাখকৈ টকা। নগৰৰ মাজমজিয়াত থকা ভাৰতীয় ষ্টেট বেংকৰ সোণাৰি শাখাৰ পৰা নাগালেণ্ডৰ গ্ৰীন প্লাই ফেক্টৰীলৈ নিয়াৰ সময়তে ডকাইতে ৰখাই থোৱা বাহনৰ পৰা কাঢ়ি নিলে ১৯ লাখ ৬০ হাজাৰ টকা। ঘটনাৰ সন্দৰ্ভত সোণাৰি আৰক্ষীৰ কাষ চাপিছে নাগালেণ্ডৰ গ্ৰীন প্লাইৰ কৰ্তৃপক্ষ।

# ৰঙিয়াত গাঞ্জাসহ সৰবৰাহকাৰী আটক

**ই-সংবাদ, ৰঙিয়া, ২০ মে':** ৰঙিয়াত কালি পুৱাৰ ভাগত আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জাসহ বহিঃৰাজ্যৰ সৰবৰাহকাৰী এজনক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন সৰবৰাহকাৰীজন উত্তৰ প্ৰদেশৰ সুৰজপুৰৰ ধীৰাজ তিৱাৰী। যাত্ৰীবাহী বাছযোগে ৰাওনা হোৱাৰ সময়তে ৰঙিয়া নগৰৰ ভূটান বাছ আস্থানত আৰক্ষীয়ে অভিযান চলাই সৰবৰাহকাৰীজনৰ পৰা ৫ কেজি ৫০০ গ্ৰাম ওজনৰ গাঞ্জাখিনি জব্দ কৰে। ধৃত সৰবৰাহকাৰীজনক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# নাৰী নিৰ্যাতন, ধৰ্ষণৰ বিৰুদ্ধে কন্যাসহ পদযাত্ৰা

**ই-সংবাদ, গোলকগঞ্জ, ২০ মে':** নাৰী নিৰ্যাতন আৰু ধৰ্ষণৰ বিৰুদ্ধে দুই কন্যাক লগত লৈ কন্যাকুমাৰীৰ পৰা পদযাত্ৰা আৰম্ভ কৰি আজি দুপৰীয়া পশ্চিমবংগৰ পৰা অসমত প্ৰৱেশ কৰে গোৰা পানাজীৰ অনিল চৌহান। ধুবুৰী জিলাৰ ছাগলীয়াৰে ১৭ নং হৈ অসমত প্ৰৱেশ কৰাৰ পিছত হালাকুৰা মহাবিদ্যালয়ৰ তৰফৰ পৰা তেওঁলোকক উষ্ম আদৰণি জনোৱা হয়। ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় মহাবিদ্যালয়ৰ অধ্যক্ষ ইব্ৰাহিম হুছেইন সেখে। অনুষ্ঠানত সহকাৰী অধ্যাপক ড০ অপূৰ্ব কুমাৰ ৰায়, প্ৰবক্তা নুৰুল আমিন, ড০ শিবাশিস চেটাৰ্জী, সেখ আব্দুল্লা আহমেদকে ধৰি ধৰি বহু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। স্থানীয় ৰাইজে সম্বৰ্ধনা জনোৱাৰ লগতে দুপৰীয়াৰ আহাৰ যোগান ধৰে। দুপৰীয়াৰ আহাৰৰ পিছত পুনৰ গৌৰীপুৰ অভিমুখে যাত্ৰা কৰে। তেঁও কয় যে দেশত নাৰী নিৰ্যাতন আৰু ধৰ্ষণৰ ঘটনা ব্যাপক হাৰত বৃদ্ধি পাইছে। এই ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে দুই সন্তানক লগত লৈ যোৱা ২০২৩ চনৰ পহিলা জানুৱাৰীৰ পৰা কন্যাকুমাৰীৰ পৰা পদব্ৰজে অনিলে যাত্ৰা আৰম্ভ কৰে। ভাৰতৰ বিভিন্ন ৰাজ্য পৰিভ্ৰমণ কৰি আজি অসমত প্ৰৱেশ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ পিছত চীনলৈ যাত্ৰা কৰিব বুলি জানিবলৈ দিয়ে অনিল চৌহানে।

# ৰঙিয়াত বিজেপিৰ বিশাল ত্ৰিৰংগা যাত্ৰা

**ই-সংবাদ, ৰঙিয়া, ২০ মে':** ৰঙিয়াত কালি বিজেপিৰ উদ্যোগত বিশাল ত্ৰিৰংগা যাত্ৰা অনুষ্ঠিত হয়। ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ নেতৃত্বত পাঁচ শতাধিক বিজেপি কৰ্মীয়ে সন্মিলিতভাৱে ৰঙিয়াত অনুষ্ঠিত কৰে ত্ৰিৰংগা যাত্ৰা। ৰঙিয়া নগৰৰ হৰদত্ত-বীৰদত্ত ভৱন প্ৰাংগণৰপৰা অপাৰেশ্যন সেন্দুৰৰ সমৰ্থন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বীৰ সৈনিকসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰায় ৭৭ ফুট দৈৰ্ঘ্যৰ ত্ৰিৰংগা লৈ শোভাযাত্ৰা উলিওৱা হয়। যাত্ৰাৰ সময়ত বিজেপি কৰ্মীসকলে জাতীয়তাবাদী শ্লোগানৰ সৈতে দেশপ্ৰেমৰ গীত পৰিৱেশন কৰে। যাত্ৰাটো ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনৰপৰা আৰম্ভ হৈ নগৰৰ বিভিন্ন প্ৰধান পথ পৰিক্ৰমা কৰি পুনৰ একেটা স্থানতে সমাপ্ত হয়।




# বৰপেটাৰোডত ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ উদ্যোগত এদিনীয়া কৰ্মশালা

**ই-সংবাদ, বৰপেটাৰোড, ২০ মে':** অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড(ASIDC)ৰ উদ্যোগত বৰপেটাৰোড সাহিত্য সভা ভৱনত আজি এক সজাগতা আৰু সক্ষমতা নিৰ্মাণ কৰ্মশালাৰ আয়োজন কৰা হয়। MSME খণ্ডৰ উন্নয়নৰ বাবে সজাগতা আৰু সজাগতা আৰু সক্ষমতা নিৰ্মাণ বৃদ্ধি কৰ্মশালা অনুষ্ঠিত হয়। "Raising and Accelerating MSME Performance (RAMP)" আঁচনিৰ অধীনত, ক্ষুদ্ৰ, উদ্যোগসমূহ প্ৰসাৰিত কৰাৰ লগতে ব্যৱসায়িকভাৱে উন্নীতকৰণৰ বাবে MSMEসকলক বুজোৱাৰ উদ্দেশ্যে আজি এদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হয় বুলি বৰপেটা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মহাপ্ৰবন্ধক প্ৰাঞ্জল ৰাজমেধিয়ে জনায়। এই কৰ্মশালাৰ জৰিয়তে MSME ৰ সক্ষমতা নিৰ্মাণ, বিত্ত সম্পৰ্কীয় আঁচনিৰ প্ৰৱেশাধিকাৰৰ ওপৰত সজাগতা, বিত্তীয় প্ৰতিষ্ঠানৰ জ্ঞান বিনিময়, মহিলা/SC/ST MSME ৰ বাবে বিত্তীয় সাক্ষৰতা, ই-কমাৰ্চ প্লেটফৰ্ম GeM/ONDC আদিৰ ওপৰত সজাগতা, ZED আঁচনিৰ ওপৰত সজাগতা, LEAN আঁচনিৰ ওপৰত সজাগতা, ডি-কাৰ্বনাইজেচন, গ্ৰীনহাউচ গেছ একাউন্টিং, শক্তি পৰীক্ষা আদিৰ ওপৰত সজাগতা, FSSAI ৰ ওপৰত আলোচনা কৰা হয়। লগতে লঘু উদ্যোগসমূহ কিদৰে বিকাশ কৰিব পাৰি, উন্নয়নৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে সচেতনতা আৰু সক্ষমতা বৃদ্ধি কৰিব পাৰি তাৰ বাবে উপস্থিতি থকা MSMEসকলৰ লগতে নতুনকৈ মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰশীল অসম অভিযান ২.০ ত চলি থকা আবেদনকাৰী পি এম বিশ্বকৰ্মাসকল, স্থানীয় MSME সকল, স্থানীয় ব্যৱসায়ীসকল, মহিলা সমবায় সমিতিৰ বিষয়ববীয়াৰ সৈতে সচেতনতা বৃদ্ধিৰ বাবে বৰপেটা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মহাপ্ৰবন্ধক প্ৰাঞ্জল ৰাজমেধিয়ে মত বিনিময় কৰে। কৰ্মশালাখন মুকলি কৰে বৰপেটা জিলাৰ অতিৰিক্ত উপ-আয়ুক্ত জয়ন্ত বৰাই। উক্ত কৰ্মশালত চাৰি শতাধিক ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# নলবাৰীত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ! শংকিত গাহৰি পালক

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২০ মে':** আফ্ৰিকান ছোৱাইন ফিভাৰ (এ এছ এফ)ৰ প্ৰাদুৰ্ভাৱ নামনি অসমৰ বৰপেটা জিলাৰ নিশ্চিত হোৱাৰ পিছত গাহৰি পালকসকল চিন্তিত হৈ পৰিছে। উল্লেখ্য যে, বৰপেটা জিলাৰ সৰুক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত গহিয়া গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰৰ নিশ্চিত প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি বৰপেটা জিলা দণ্ডাধীশে অসম মহামাৰীৰ ৰোগ আইনৰ ধাৰাত জৰুৰী নিষেধাজ্ঞা জাৰি কৰিছে। গাহৰিৰ ছোৱাইন ফিভাৰৰ এনে খবৰে নলবাৰী জিলাৰ পশু পালক বিশেষকৈ গাহৰি পালককো চিন্তিত কৰি তুলিছে। কিয়নো গাহৰিৰ গাত হোৱা এই ৰোগ বিধ অতি সংক্ৰমক। তাতে নলবাৰী জিলা বৰপেটা জিলাৰ গাতে লাগি থকা এজন গ্ৰাম্য জিলা। ইতিমধ্যে নলবাৰী জিলাত যোৱা ২০২২ চনৰ নৱেম্বৰ মাহত গাহৰিৰ গাত আফ্ৰিকান ছোৱাইন ফিভাৰ ধৰা পৰিছিল। উল্লেখ্য যে, সেই সময়ত নলবাৰীৰ পূব প্ৰান্তৰ গুৱাকুছি গাঁৱৰ বিশিষ্ট গাহৰি পালক এগৰাকীৰ গাহৰি পামত বিগত ৮০ টাৰো অধিক গাহৰিৰ মৃত্যু হৈছিল। লগতে আন কেইবাখনো ফাৰ্মত শতাধিক গাহৰি অস্বাভাৱিকভাৱে মৃত্যু মুখত পৰিছিল। গাহৰি মৃত্যুত এনে ঘটনাই গাহৰি পালকসকলক আৰ্থিকভাৱে বহু ক্ষতিগ্ৰস্ত কৰি তুলিছিল। অৱশ্যে সেই সময়ত নলবাৰী জিলা প্ৰশাসন আৰু জিলা পশুপালন বিভাগ তৎপৰ হৈ পৰিছিল আৰু কেইবাখনো ফাৰ্মত ছোৱাইন ফিভাৰৰ আক্ৰান্ত প্ৰায় দুই শতাধিক গাহৰিৰ নিধন কৰা হৈছিল। ইপিনে, শেহতীয়াভাৱে বৰপেটা জিলাত ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ হোৱা বাতৰিয়ে গাহৰি পালকসকল চিন্তিত কৰি তোলা পৰিলক্ষিত হৈছে। কিয়নো নিজৰ ধন খৰচ কৰি, বহু শিক্ষিত যুৱকে ঋণ লৈ নলবাৰীৰ বহু কষ্টৰে গাহৰি পালনৰ ফাৰ্ম খুলি গাহৰি পালনত ব্ৰতী হৈ আহিছে। তেনেস্থলত ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱৰ খবৰে চিন্তাত পেলাইছে তেওঁলোকক। ইপিনে, নলবাৰীত অবাধে ৰাস্তাই-ঘাটে বিক্ৰী হৈ আহিছে গাহৰিৰ মাংস।

# জৰাজীৰ্ণ পথে জ্বলা-কলা খুৱাইছে লোণপুৰীয়া-নুনীয়াপট্টীবাসীক

**ই-সংবাদ, গেলেকী, ২০ মে':** পূৰ্বৰ আমগুৰি সমষ্টি আৰু নতুনকৈ অন্তৰ্ভুক্ত হোৱা শিৱসাগৰ সমষ্টিৰ নামতি আলি গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ নং ৱাৰ্ডৰ এটা পথে বছৰ বছৰ ধৰি সাধাৰণ ৰাইজক জীয়াতু ভোগাই আহিছে। কাণসাৰ নাই আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাৰ লগতে নামতি আলি গাঁও পঞ্চায়তৰ। জানিব পৰা মতে, বহু বছৰ পূৰ্বে নামতি আলি গাঁও পঞ্চায়তৰ তৰফৰ পৰা এই পথছোৱাৰ নিৰ্মাণৰ বাবে পদক্ষেপ হাতত লৈছিল যদিও সকলো আধৰুৱা হৈ ৰ'ল। জৰাজীৰ্ণ পথছোৱাৰে জৰুৰীকালীন অৱস্থাত এম্বুলেন্স এখন নিয়াৰ ক্ষেত্ৰতো সমস্যাৰ সৃষ্টি হয়। এক প্ৰকাৰ ক'বলৈ গ'লে বাৰিষাৰ সময়ত সম্পূৰ্ণ পথছোৱা পথাৰলৈ ৰূপান্তৰিত হয়। এই সকলো পূৰ্বৰ পৰাই স্থানীয় বিধায়কজনে দেখি আহিছে যদিও পথছোৱা নিৰ্মাণ বা মেৰামতিৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি স্থানীয় ৰাইজে জানিবলৈ দিছে। যাৰবাবে বাৰিষাৰ সময়ত নৰক যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে সৰ্বসাধাৰণ ৰাইজে।

# কোচ-ৰাজবংশী সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি তুংগত

## স্বামী যোগানন্দগিৰী সমন্বয় ক্ষেত্ৰত লাইখুঁটা স্থাপন

**ই-সংবাদ, তামাৰহাট, ২০ মে':** কোকৰাঝাৰ জিলাৰ শক্তিআশ্ৰমস্থিত স্বামী যোগানন্দগিৰী সমন্বয় ক্ষেত্ৰত আজি কোচ ৰাজবংশী সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন, সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস আৰু কোচ ৰাজবংশী লেখিকা সভাৰ বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন কৰা হয়। আজি এক শুভক্ষণত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি সুভাস অধিকাৰীয়ে কোচ ৰাজবংশী সাহিত্য সভাৰ পতাকা উত্তোলন কৰাৰ পিছত বি টি চিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে আক্ৰাছুৰ প্ৰাক্তন কৰ্মী বিষ্ণু জ্যোতি ৰায়ৰ সহযোগত অধিৱেশনৰ লাইখুঁটা স্থাপন কৰে। কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে আত ধৰা লাইখুঁটা স্থাপন কাৰ্যসূচীত কোচ ৰাজবংশী সাহিত্য সভা, কোচ ৰাজবংশী লেখিকা সভা, অভ্যৰ্থনা সমিতিৰ উপৰি স্থানীয় লোক সকল উপস্থিত থাকে। উল্লেখ্য যে কোচ ৰাজবংশী সাহিত্য সভাৰ ৩৩ সংখ্যক্ প্ৰতিষ্ঠা দিৱস, সাহিত্য সভাৰ ১৬ সংখ্যক্ বাৰ্ষিক অধিৱেশন আৰু কোচ ৰাজবংশী সাহিত্য সভাৰ ভগ্নী সংগঠন কোচ ৰাজবংশী লেখিকা সভাৰ প্ৰথম বাৰ্ষিক অধিৱেশন অহা ২২, ২৩ আৰু ২৪ মে'ৰ দিনা তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কোকৰাঝাৰ জিলাৰ শক্তিআশ্ৰমস্থিত স্বামী যোগানন্দগিৰী সমন্বয়ক্ষেত্ৰ প্ৰাংগনত যৌথভাৱে উদযাপন কৰৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উক্ত অধিৱেশন খন সুচাৰু ৰূপে পৰিচালনা কৰাৰ বাবে ইতিমধ্যে তৰুণ বিজয় ৰায়ক সভাপতি আৰু জয়ন্ত বৰ্মনক সাধাৰণ সম্পাদক হিচাপেলৈ গঠন কৰি দিয়া অভ্যৰ্থনা সমিতি খনে অধিৱেশনৰ যাৱতীয় কাম-কাজ পূৰ্ণ গতিত চলাই আছে। অভ্যৰ্থনা সমিতি খনে কোচ ৰাজবংশী সাহিত্য সভাৰ মূল সমিতি খনৰ লগত আলোচনা কৰি বিভিন্ন বিভাগৰ উপ সমিতি সমূহ ইতিমধ্যে গঠন কৰি কামৰ দায়িত্ব ভগাই দিয়া বুলি জানিব পৰা গৈছে। মন কৰিবলগীয়া যে অসমৰ বিভিন্ন অঞ্চলৰ উপৰি বহি:ৰাজ্যৰ পৰাও বহুসংখ্যক কবি-সাহিত্যিক উপস্থিত থকা অধিৱেশন খনত অৰ্ধ শতাধিক কোচ ৰাজবংশী ভাষাত ৰচিত গ্ৰন্থ উন্মোচন কৰা হব বুলি কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে সদৰি কৰে।

# পলাশবাৰী কংগ্ৰেছ কমিটীৰ সম্বৰ্ধনা অনুষ্ঠানৰ মাজতে উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, মিৰ্জা, ২০ মে':** আজি দক্ষিণ কামৰূপৰ মিৰ্জাস্থিত পলাশবাৰী সাহিত্য সভা ভৱনত পলাশবাৰী কংগ্ৰেছ কমিটীৰ উদ্যোগত ২০২৫ বৰ্ষৰ পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা সদস্য-সদস্যাসকলৰ লগতে বিজয় প্ৰাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগত সংগতি ৰাখি এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। সভাখনত উপস্থিত থাকে পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক মোহন বসুমতাৰী, পলাশবাৰী কংগ্ৰেছৰ যুৱনেতা বিপ্লৱ তালুকদাৰ, কংগ্ৰেছ নেত্ৰী মুনমী দত্তৰ লগতে পলাশবাৰী কংগ্ৰেছৰ দলীয় কৰ্মীবৃন্দ। উক্ত সভাখনত সভাপতিত্ব কৰে ৰামপুৰ ব্লক কংগ্ৰেছৰ সভাপতি মাখন দাসে। আলোচনা চক্ৰত কংগ্ৰেছ দলৰ বিভিন্ন দিশৰ ওপৰত পৰ্যালোচনা কৰা হয়। বিশেষকৈ পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ শোচনীয় পৰাজয় সন্দৰ্ভত বিস্তৰ আলোচনা কৰা হয়। শেহতীয়াভাৱে পঞ্চায়ত নিৰ্বাচনত অসম জাতীয় কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই পলাশবাৰী সমষ্টিৰ আৰ্থিক দিশৰ দায়িত্ব অসম প্ৰদেশৰ উপ-সভাপতি পলাশবাৰীৰ জ্যেষ্ঠনেতা নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াক অৰ্পণ কৰিছিল যদিও তেওঁক গুৰুত্বহীনভাৱে বিষয়বস্তুৰ পৰা ফালৰি কটা পৰিলক্ষিত হয়। যাৰ ফলত পলাশবাৰীত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ শোচনীয় পৰাজয় হয়। সভাত পলাশবাৰীৰ কংগ্ৰেছৰ দলীয় কৰ্মীসকলক জ্যেষ্ঠ নেতাজনৰ ওপৰত ক্ষোভ প্ৰকাশ কৰি উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰা পৰিলক্ষিত হয়। আনহাতে, অসম জাতীয় কংগ্ৰেছৰ একাংশ জ্যেষ্ঠ নেতাই গুৱাহাটীৰ পৰা ফোনযোগে পলাশবাৰী সমষ্টিত ৰাজনীতি কৰি থকাৰ অভিযোগ উথাপন কৰে পলাশবাৰীৰ দলীয় কৰ্মীয়ে। সেইসকল নেতাক তীব্ৰ গৰিহণাৰে কঠোৰ সকীয়নি দিয়া হয়। সভাত একাংশ দালালৰূপী কংগ্ৰেছ নেতাৰ কথা উথাপন হোৱাত সভাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আনহাতে, আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে সাংগঠনিকভাৱে শক্তিশালী ৰূপে দলে বলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই বিজেপিক মষিমূৰ কৰিবলৈ সাজু হৈছে বুলি জানিবলৈ দিয়ে। লগতে অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায় পলাশবাৰীৰ কংগ্ৰেছৰ দলীয় কৰ্মীয়ে। উল্লেখ্য যে শেহতীয়া পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাত হাই প্ৰফাইল কোনো নেতা দেখা পোৱাও পৰিলক্ষিত নহ'ল। একমাত্ৰ অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ বাহিৰে কোনো অন্য নেতাই আগভাগ নলোৱাটো সম্প্ৰতি সৰ্বত্ৰে চৰ্চিত হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চৰ সাংস্কৃতিক ঐক্য যাত্ৰাৰ শুভাৰম্ভ

**ই-সংবাদ, ২০ মে':** অসমীয়া জাতিৰ সমূহ জনগোষ্ঠীক একত্ৰিত কৰি অসমীয়া কৰ্ম-সংস্কৃতি জীয়াই ৰখাৰ স্বাৰ্থত জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ, অসমে অসমবাসীৰ সহযোগত ১৮ মে'ৰপৰা ২০ জুনলৈ কৰিবলগীয়া "সাংস্কৃতিক ঐক্য যাত্ৰা"ৰ উদ্বোধনী অনুষ্ঠান উক্তদিনা মাজুলী জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী গড়মূৰ সত্ৰত সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পৰমানন্দ দেৱ গোস্বামীৰ বন্তি প্ৰজ্বলনৰে শুভাৰম্ভণি ঘটে। সেই উপলক্ষে পুৱা ১০ বজাত জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ, অসমৰ উদ্যোগত আৰু মাজুলী জিলা সমিতিৰ আতিথ্যত ত্ৰিশজনীয়া বিষয়ববীয়াৰ দলে শ্ৰীশ্ৰী গড়মূৰ সত্ৰত একত্ৰিত হৈ মংগলাচৰণ আৰু সামূহিক বন্তি প্ৰজ্বলনৰে ভাৰত-পাকিস্তান যুদ্ধৰ শ্বহীদৰ আত্মাৰ সদগতিৰ কামনা কৰে। উক্ত সভাতেই বৰ্তমান দেশত যুদ্ধৰ দৰে পৰিৱেশ এটা গঢ় লোৱা হেতুকে সমগ্ৰ অসমলৈ হ'বলগা 'সমন্বয় সাংস্কৃতিক ঐক্য যাত্ৰা' কাৰ্যসূচী কিছুদিন স্থগিত ৰাখি অহা ৫ অক্টোবৰত তিনিচুকীয়া জিলাৰ শদিয়াৰ গণশিল্পী ৰাজীৱ শদিয়াৰ সমাধিস্থলীৰপৰা পুনৰ এমাহৰ বাবে চলিবলগীয়া সাংস্কৃতিক ঐক্য যাত্ৰা ৫ নৱেম্বৰত মাজুলীত সমাপ্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে বৃহৎ সাংস্কৃতিক ঐক্য যাত্ৰাৰ সামৰণি অনুষ্ঠানটি তিনিদিনীয়াকৈ শ্ৰীশ্ৰী গড়মূৰ সত্ৰত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে সমাপন কৰা হ'ব। ইয়াৰ পিছতে আজি দিনৰ ২ বজাৰ পৰা মাজুলীৰ গড়মূৰ প্ৰেছ ক্লাবত জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ, অসমৰ প্ৰধান সম্পাদক প্ৰহ্লাদ মিলি, কাৰ্যকৰী সভাপতি দীপ্তসেউজ গগৈ, উপসভাপতি ভূপেন দত্ত, ৰাজ্যিক মহিলা মঞ্চৰ সম্পাদক অনুপমা ফুকন, কৃষি সচিব সীমান্ত হাজৰিকা, মাজুলী জিলা সমিতিৰ সভাপতি ৰমেশ চন্দ্ৰ শইকীয়া, প্ৰাক্তন সভাপতি ৰূপজ্যোতি নাথ, কাৰ্যকৰী সভাপতি অনন্ত কুমাৰ ডাটে, জিলা সম্পাদক শংকুসিদ্ধ নাথ, জিলা প্ৰচাৰ সম্পাদক উৎপল কাকতি, কেন্দ্ৰীয় বিষয়ববীয়া ক্ৰমে চামিয়া শ্যাম, মনালিচা গগৈ কোঁৱৰ, সোণালী চাওদাং, ৰঞ্জীতা কোচ দিহিঙীয়া, মালৱিকা চলিহা, অনুপ্ৰভা দেৱী প্ৰমুখ্যে সংগঠকসকলে এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰাৰ পিছতেই সংবাদমেল সম্বোধন কৰি উক্ত সিদ্ধান্তৰ বিষয়ে জানিবলৈ দিয়ে। সংবাদমেলযোগে আজি আনুষ্ঠানিকভাৱে স্থগিত ৰখা সাংস্কৃতিক ঐক্য যাত্ৰাৰ পুনৰ আৰম্ভণিৰ সময়ছোৱাত প্ৰতিজন অসমীয়াৰ অংশগ্ৰহণ আৰু সহায়-সহযোগ কামনা কৰিছে জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ অসমে।

# তামাৰহাটৰ হাতীধুৰা বজাৰৰ দোকানত চুৰিকাণ্ড

**ই-সংবাদ, তামাৰহাট, ২০ মে':** তামাৰহাট থানাৰ অন্তৰ্গত হাতীধুৰা বজাৰত ১৮ মে'ৰ নিশা এক চুৰিকাণ্ড সংঘটিত হয়। হাতীধুৰা বজাৰৰ এখন মোবাইলৰ দোকানত এই ঘটনা সংঘটিত হয়। হাতীধুৰা বজাৰৰ প্ৰতিষ্ঠিত যুৱ ব্যৱসায়ী হামিদুল সেখৰ মোবাইলৰ দোকানত চোৰে চাফাই অভিযান চলায়। দোকানখনৰ পৰা চোৰে লুটি নিয়ে নগদ ধনৰ লগতে লক্ষাধিক টকাৰ মোবাইল ফোন। পুৱতি নিশা বৰষুণৰ সুযোগ গ্ৰহণ কৰি তলা কাটি চোৰে দোকানত সোমাই চুৰিকাণ্ডৰ ঘটনা সংঘটিত কৰে। দোকানখনৰ পৰা ২৫ টা মোবাইল ফোন, ৫ টা ব্লুটুথ হেডফোন, ১০ টা ডাটা কেবেল, ১০ টা এয়াৰপোড চুৰি কৰি লৈ যায়। দোকানখনত লক্ষাধিক টকাৰ সামগ্ৰী চুৰি হোৱাত দোকানখনৰ মালিক হামিদুল সেখে মূৰে-কপালে হাত দিবলগীয়া হৈছে। ঘটনা সন্দৰ্ভত হামিদুল সেখে তামাৰহাট থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত তামাৰহাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ  তদন্ত আৰম্ভ কৰে।

# কাৰ্বি আংলঙৰ পশ্চিম হাতীপাৰাত ১২ বছৰৰ অন্তত সূৰ্যাহী পূজা পালন

**ই-সংবাদ, হাওৰাঘাট, ২০ মে':** চিৰসেউজ জিলা কাৰ্বি আংলঙৰ পশ্চিম হাতীপাৰা বেদিয়া সমাজ চুড়ী(মেহুৰা) বৰ্গৰ সৌজন্যত মঙলবাৰে পুৱাৰে পৰা পালন কৰা হয় সূৰ্যাহী পূজা। প্ৰতিকুল বতৰক নেওচি পৰম্পৰাগত ৰীতি-নীতিৰে জীৱকুলৰ মংগলৰ অৰ্থে পালন কৰা হয় জগত শক্তিৰ উৎস সূৰ্যাহী পূজা। পূজাৰ এদিন আগত পালন কৰা হয় গ্ৰাম পূজা। পুৱাৰ ভাগত সূৰ্য দেৱৰ মূল স্থাপনাত পাহানৰ দ্বাৰা মাংগলিক পূজা পাৰ্বন আৰু বলি-বিধান দিয়া হয়। বেদিয়া সমাজ চুড়ী(মেহুৰাৰ)ৰ স্বৰ্গীয় পূৰ্ব পুৰুষসকলৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি আৰু মাল্য অৰ্পণ, স্বৰ্গীয় ঝুগলো বেদিয়াৰ বংশধৰসকলৰ তালিকা সোঁৱৰণ আদি কাৰ্যসূচী হাতত লোৱা হয়। পশ্চিম হাতীপাৰা বেদিয়া সমাজ চুড়ী(মেহুৰা) বৰ্গই প্ৰতি ১২ বছৰৰ মূৰে মূৰে উদযাপন কৰি আহিছে এই পূজা। লোকবিশ্বাস অনুসৰি এই পূজা উদযাপন কৰিলে সমাজৰ বহু অপায়-অমংগল, দুখ-দুৰ্গতি নাশ হয়। পশ্চিম হাতীপাৰা বেদিয়া সমাজ চুড়ী(মেহুৰা) পৰিয়ালবৰ্গৰ ভিতৰত ধৰ্মৰাজ বেদিয়া, ধনঞ্জয় বেদিয়া, গণৰাম বেদিয়া, জলৰাম বেদিয়া, বলোৰাম বেদিয়া, কাৰ্তিক বেদিয়া, ৰাজেশ বেদিয়া আৰু ৰুক্ম বেদিয়াৰ সহযোগত পশ্চিম হাতীপাৰা স্বৰ্গীয় গেন্দাৰাম বেদিয়াৰ বাসগৃত উদযাপন কৰি আহিছে সূৰ্যাহী পূজা। গাঁওখনৰ নিমন্ত্ৰিত প্ৰতিজন ভক্তই জগত শক্তিৰ উৎস ইতিহাস সমৃদ্ধ সূৰ্যাহী পূজাত উপস্থিত হৈ পূজা ভাগ সাফল্যমণ্ডিত কৰি তোলে। ইয়াৰ উপৰি পশ্চিম হাতীপাৰা বেদিয়া সমাজ চুড়ী(মেহুৰা) পৰিয়াল বৰ্গৰ সতি-সন্ততি, বিবাহিত হৈ যোৱা বংশধৰসকলক এই সূৰ্যাহী পূজাত অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। উক্ত সূৰ্যাহী পূজাত উপস্থিত হোৱা ভক্ত প্ৰাণ ৰাইজক আন্তৰিকতাৰে ধন্যবাদ জনায় বেদিয়া সমাজ চুড়ী(মেহুৰা) পৰিয়াল বৰ্গৰ বিষয়ববীয়াসকলে।

# আন্ধেৰীঘাটত যান-বাহন আইন উলংঘা

**ই-সংবাদ, দুনী, ২০ মে':** ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী হালধা-আন্ধেৰীঘাট পথত প্ৰতিনয়ত উলংঘা হৈ আছে যান-বাহন আইন। বৃহত্তৰ পশ্চিম দৰঙৰ যাতায়াতৰ হালধা-আন্ধেৰীঘাট মুখ্য পথ গুৱাহাটী আৰু ওদালগুৰি জিলাৰ মাজত সংযোগৰ চমু পথ হিচাপে বিবেচিত এই পথটি বিশেষকৈ দৰং ওদালগুৰীৰ সীমান্তৱৰ্তী আন্ধেৰীঘাটৰ পৰা বাইহাটা চাৰিআলিলৈ চলা যাত্ৰীবাহী ক্ৰুইজাৰ, টেম্পো আদি যাত্ৰীবাহী সৰু গাড়ীসমূহে তলে-ওপৰে যাত্ৰী কঢ়িওৱাৰ পাছতো ৰহস্যজনকভাৱে নিৰ্লিপ্ত হৈ আছে পৰিবহণ বিভাগ আৰু আৰক্ষী। দৰঙৰ বুঢ়া আৰক্ষী চকী আৰু কামৰূপৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ সন্মুখেৰে প্ৰতিদিনে অহা-যোৱা কৰে এইসমূহ যাত্ৰীৰাহী গাড়ী। তদুপৰি গুৰুত্বপূৰ্ণ এই পথটোত চলাচল কৰা একাংশ গাড়ীৰ নাই যাৱতীয় কাগজ-পত্ৰ। তাৎপৰ্যপূৰ্ণ বিষয় যে বিভিন্ন শিক্ষানুষ্ঠানৰ কিছুসংখ্যক শিক্ষাৰ্থী বিপদসংকুলভাৱে অহা-যোৱা কৰে। এনেদৰে অহা-যোৱা কৰাত যিকোনো মুহূৰ্ততে সংঘটিত হ'ব পাৰে ভয়ংকৰ দুৰ্ঘটনা। সচেতন ৰাইজে আৰক্ষী আৰু পৰিবহণ বিভাগক এইসমূহ বাহনক নিয়ন্ত্ৰণ কৰাৰ দাবী জনাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## ওদালগুৰিত ত্ৰিৰংগা যাত্ৰাঃ দেশৰ সেনা জোৱানক সন্মান

**ই-সংবাদ, ওদালগুৰি, ২০ মে':** জম্মু-কাশ্মীৰৰ পেহেলগাম ঘটনা সন্দৰ্ভত 'অপাৰেচন সেন্দুৰ'ৰ সাফল্যত ভাৰতীয় সৈন্য আৰু দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বক ধন্যবাদ জনোৱাৰ উদ্দেশ্যে আজি ওদালগুৰি চহৰত বাহিৰ কৰা হয় এক বিশাল ত্ৰিৰংগা যাত্ৰা। ওদালগুৰি ত্ৰিৰংগা যাত্ৰা আয়োজক সমিতিৰ উদ্যোগত আজি পুৱা ১০.৩০ বজাত ওদালগুৰি চহৰস্থিত গোলমাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা বাহিৰ কৰা ত্ৰিৰংগা যাত্ৰাটোৱে ওদালগুৰি চহৰৰ মাজেৰে পৰিভ্ৰমণ কৰে। বিভিন্ন জাতি-জনগোষ্ঠী, দল-সংগঠনৰ নেতৃত্বই অংশগ্ৰহণ কৰা এই ত্ৰিৰংগা যাত্ৰাটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ওদালগুৰি বিধানসভা সমষ্টিৰ বিধায়ক তথা বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে। উক্ত যাত্ৰাত অংশগ্ৰহণকাৰীসকলে হাতে হাতে ভাৰতীয় ৰাষ্ট্ৰীয় পতাকা লৈ 'ভাৰত মাতা কি জয়', 'বন্দে মাতৰম', 'হিন্দুস্থান জিন্দাবাদ' ধ্বনি প্ৰদান কৰে। ত্ৰিৰংগা যাত্ৰাটো উদ্বোধন কৰি প্ৰদান কৰা উদ্বোধনী ভাষণত বসুমতাৰীয়ে দেশৰ নিৰাপত্তাৰক্ষীৰ পৰাক্ৰমক লৈ গৌৰৱবোধ কৰে। ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ প্ৰতিটো শক্তিশালী অস্ত্ৰ দেশৰ সেনাই নিষ্ক্ৰিয় কৰি দেশবাসীক যি সুৰক্ষা প্ৰদান কৰিলে তাৰ বাবে সেনা জোৱানসকলক ধন্যবাদ জনাই পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত দেশৰ পৰ্যটক আৰু দেশৰ বাবে শ্বহীদ হোৱা প্ৰতিগৰাকী জোৱানক শ্ৰদ্ধাৰে সোঁৱৰে। ত্ৰিৰংগা যাত্ৰাত অংশ লৈ ওদালগুৰি জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰীয়ে কয়, "পেহেলগামৰ ঘটনাৰ পাছত প্ৰতিশোধ হিচাপে ভাৰতীয় সেনাই পাকিস্তানৰ সন্ত্ৰাসবাদীৰ ঘাটিসমূহ ধ্বংস কৰিছিল। ভাৰত সদায় সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কাম কৰিব। "অপাৰেচন সেন্দুৰ" শীৰ্ষক অভিযানৰ জৰিয়তে ভাৰতীয় সেনাই যি ধৰণে প্ৰতিশোধ ল'লে তাৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে আজি ওদালগুৰিবাসী ৰাজপথলৈ ওলাই আহি শুভেচ্ছা জনাইছে।" এই যাত্ৰাত বহু বিশিষ্ট লোক, বিভিন্ন দল-সংগঠন, প্ৰতিষ্ঠান, মহাবিদ্যালয়ৰ তিনি সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।




ওদালগুৰিত ত্ৰিৰংগা যাত্ৰাঃ দেশৰ সেনা জোৱানক সন্মান, ফটোঃ ই-সংবাদ, ওদালগুৰি




কাছুমাৰা-সোণতলী বিধ্বস্ত পকী পথত এনেদৰে আৱদ্ধ পিডিএচৰ চাউল ভৰ্তি ট্ৰাক, ফটোঃ ই-সংবাদ, নগৰবেৰা

## কাছুমাৰা-সোণতলী বিধ্বস্ত পকী পথত আৱদ্ধ পিডিএচৰ চাউল ভৰ্তি ট্ৰাক

**ই-সংবাদ, নগৰবেৰা, ২০ মে':** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ দক্ষিণ প্ৰান্তৰ বাণিজ্যিক প্ৰাণকেন্দ্ৰ স্বৰূপ কাছুমাৰা বজাৰ সংযোগী আৰু কামৰূপ জিলাৰ ছময়ীয়া সমষ্টিৰ সোণতলী সংযোগী সদাব্যস্ত পকী পথৰ বিধ্বস্ত ৰূপে জলা-কলা খুৱাইছে সৰ্বসাধাৰণ ৰাইজক।
জানিব পৰা মতে, কামৰূপ জিলাৰ বকো গ্ৰাম্য পথ উপ-সংমণ্ডলৰ অন্তৰ্গত সোণতলীৰ পৰা টুপামাৰী চ'ক বজাৰহৈ বৰপেটা জিলাৰ কাছুমাৰালৈ যোৱা একমাত্ৰ পকী পথটোত বিগত কেইবাবছৰ ধৰি বিধ্বস্ত হৈ পৰাত সাধাৰণ পথচাৰীতো দূৰৰে কথা মালবাহী আৰু যাত্ৰীবাহী যান-বাহনৰ চলাচল কৰাত যথেষ্ট সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। উক্ত পথছোৱা মেৰামতিৰ বাবে স্থানীয় বিধায়িকা নন্দিতা দাস আৰু লোকনিৰ্মাণ বিভাগে ন্যূনতম গুৰুত্ব নিদিয়াত সৰ্বস্তৰৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিবলগীয়া হৈছে। প্ৰায় চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ পকী পথটোত ঠায়ে ঠায়ে প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত সামান্য বৰষুণতে একাঁঠু পৰ্যন্ত পানী জমা হৈ যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈছে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সৰ্বসাধাৰণ ৰাইজ। উল্লেখ্য যে কিছুদিন ধৰি হোৱা প্ৰবল বৃষ্টিপাতৰ ফলত পথটোৰ অধিকাংশ ঠাইত থকা প্ৰকাণ্ড গাঁতসমূহত পানী জমা হোৱাৰ ফলত জনজীৱন ব্যাহত হোৱাৰ লগতে যান-বাহন চলাচল এক প্ৰকাৰ বন্ধ হৈ পৰিছে। বিশেষকৈ অতিকৈ ব্যস্ত বিধ্বস্ত পকী পথটোত কালি নিশা দক্ষিণ বগুৰীবাৰী সমবায় সমিতিৰ গুদামলৈ আনি থকা পিডিএচৰ চাউল ভৰ্তি এখন ট্ৰাক আৱদ্ধ হয়। আনহাতে, একেটা পথতে কাছুমাৰাৰ পৰা সোণতলীহৈ গুৱাহাটীলৈ গৈ থকা মাকৈ ভৰ্তি আন এখন ট্ৰাক আৱদ্ধ হৈ পৰে। দক্ষিণ বগুৰীবাৰী সমবায় সমিতিৰ চাউল ভৰ্তি ট্ৰাকখন জেচিবিৰে টানি উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে যদিও সম্পূৰ্ণ ব্যৰ্থ হয়। অৱশেষত চাউলখিনি ট্ৰেক্টৰ সহায়ত এজেণ্টৰ ঘৰে ঘৰে দিয়াৰ ব্যৱস্থা কৰা হয়। দৰিদ্ৰ জনগণৰ বাবে চৰকাৰে বিনামূলীয়াকৈ যোগান ধৰা পিডিএচৰ চাউলখিনি বাট-পথৰ দুৰৱস্থাৰ বাবে সময়ত যোগান ধৰাত সমবায় সমিতিয়ে বিফল হোৱাৰ আশংকা প্ৰকাশ কৰিছে। তদুপৰি সমাগত বাৰিষাৰ বাবে অন্তত তিনিটা মাহ চাউলসমূহ এজেণ্টসকলক হোমডেলিভাৰী দিয়াৰ বিকল্প ব্যৱস্থা নকৰিলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব। সেয়ে অঞ্চলবাসীয়ে শীঘ্ৰে উক্ত পথটোৰ মেৰামতি কৰি ৰাইজক যাতায়াতৰ সুবিধা সুচল কৰি দিবলৈ ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰীৰ লগতে স্থানীয় বিধায়িকা নন্দিতা দাসক অনুৰোধ জনায়। তদুপৰি দক্ষিণ বগুৰীবাৰী সমবায় সমিতিৰ সভাপতি নবীৰ হুছেইন আৰু সম্পাদক শ্বেখ আব্দুল্লা ওৱাহেদীয়ে বৰপেটা জিলা আয়ুক্তৰ লগতে খাদ্য আৰু যোগান বিভাগক এজেণ্টসকলক চাউলসমূহ হোমডেলিভাৰী দিবলৈ বিকল্প ব্যৱস্থা কৰি দিবলৈ অনুৰোধ জনায়।

## নাট্যকাৰ পৰিচালক কৃতী শিক্ষক মনোজ কুমাৰ দাসক স্মৰণ, স্মৃতিগ্ৰন্থ উন্মোচন

**ই-সংবাদ, মিৰ্জা, ২০ মে':** আজি পলাশবাৰীৰ দখলা ক'লনিৰ নিজ বাসগৃহত সদ্যপ্ৰয়াত কৃতী শিক্ষক তথা নাট্যকাৰ, নাট পৰিচালক মনোজ কুমাৰ দাসৰ আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি 'প্ৰচাৰ বিমুখ মানুহজন মনোজ' শীৰ্ষক এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ হৰিশংকৰ কাকতিয়ে। পলাশবাৰী তথা দক্ষিণ কামৰূপৰ নাট্য ধাৰাটোক আগবঢ়াই নিয়া নাট্যকৰ্মী মনোজ কুমাৰ দাসৰ অকাল বিয়োগত শুভাকাংক্ষী, বন্ধুবৰ্গ আৰু পৰিয়ালবৰ্গই তেওঁৰ আদৰ্শ আৰু চিন্তাখিনিক ৰাইজৰ মাজত বিলাই দিয়াৰ উদ্দেশ্যে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থখন সম্পাদনা কৰে ক্ৰমে কৈলাশ কুমাৰ দাস (মিতু), কমল কুমাৰ, দীপেন দাস আৰু কৈলাশ দাসে। বিভিন্ন লেখক-লেখিকাৰ লগতে অসমৰ নাট্যজগতখনৰ লগত জড়িত বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে মনোজ কুমাৰ দাসৰ প্ৰতিভা আৰু সুব্যক্তিত্বৰ স্মৰণ কৰে লেখনিৰ মাজেৰে। আনহাতে, বিশিষ্ট অভিনেতা অমূল্য কুমাৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত প্ৰগতিশীল লেখক সুৰেশ কলিতা, কবি ৰোহিনী কুমাৰ, নাট্যকৰ্মী বসন্ত কুমাৰৰ লগতে বিভিন্নজনে প্ৰয়াত দাসৰ কৰ্মৰাজিক শ্ৰদ্ধাৰে স্মৰণ কৰি বক্তব্য আগবঢ়ায়।

# ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ২০ মে':** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)-ৰ আন্তঃৰাষ্ট্ৰীয় আৰু উদ্যোগিক সম্পৰ্ক, নৃতত্ত্ব বিভাগৰ উদ্যোগত আৰু অসম চৰকাৰৰ ঐতিহাসিক আৰু প্ৰাচীন অধ্যয়ন সঞ্চালকালয়ৰ 'আই. টি. এফ. চি.'ৰ সহযোগত আজি আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস উদযাপন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱসৰ লগত সংগতি ৰাখি ঐতিহ্য সংৰক্ষণ আৰু আন্তঃসাংস্কৃতিক বুজাবুজিৰ প্ৰচাৰত সংগ্ৰহালয়সমূহৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ কাৰ্যসূচী আয়োজন কৰা হয়। এই অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত) ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আদৰণি ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱসৰ ওলগ জনোৱাৰ লগতে এই বিশেষ দিনটোৰ মহত্ত্বৰ বিষয়ে আলোকপাত কৰে। ঐতিহ্য সংৰক্ষণ আৰু সাংস্কৃতিক বুজাবুজিয়ে কিদৰে একোটা জাতিৰ ঐতিহ্য আৰু ইতিহাস সংৰক্ষণত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেই বিষয়ে তেওঁ আলোকপাত কৰে। তেওঁ কানৈ মহাবিদ্যালয়ৰ ইতিহাসত আজিৰ দিনটো এক স্মৰণীয় দিন হৈ ৰ'ব বুলি মত প্ৰকাশ কৰি দুগৰাকীকৈ অতি গুৰু দায়িত্ব সম্পন্ন ব্যক্তিৰ উপস্থিতিয়ে আজিৰ এই অনুষ্ঠানটো অধিক মনোগ্ৰাহী কৰি তুলিব বুলি ব্যক্ত কৰে। আই টি এফ চি-ৰ ঐতিহাসিক আৰু প্ৰাচীন অধ্যয়ন সঞ্চালকালয়ৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড০ সংগীতা গগৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰে এই অনুষ্ঠানৰ জৰিয়তে কিদৰে অসমৰ ঐতিহ্য সংৰক্ষণৰ বাবে প্ৰচেষ্টা হাতত লৈছে তাৰ বিষয়ে বিশদভাৱে কয়। উক্ত অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে থাইলেণ্ড চৰকাৰৰ খোন কেন ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ সঞ্চালক লাক্সামুন বুনৰুৱেং আৰু উক্ত সংগ্ৰহালয়ৰ কিউবেটৰ কোৰাকোচ পনিচ। অনুষ্ঠানত উপস্থিত থাকি সঞ্চালক লাক্সামুন বুনৰুৱেঙে তেওঁৰ ভাষণত থাইলেণ্ডৰ সংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰাৰ লগতে কিদৰে ৰাষ্ট্ৰীয় সংগ্ৰহালয়সমূহে কোনো এখন দেশৰ সংস্কৃতিৰ সকলো দিশ সংৰক্ষণ তথা ভৱিষ্যত প্ৰজন্মৰ আগত উপস্থাপন কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে তাৰ বিষয়ে অৱগত কৰে। লগতে তেওঁ উল্লেখ কৰে যে শিলালিপি আৰু খেজুৰ গছৰ পাতত পৌৰাণিক কথা তথা ইতিহাস সমৃদ্ধ বিভিন্ন ধৰণৰ পৌৰাণিক কৃৰ্তি তথা গৌতম বুদ্ধৰ আকৃতিক কিদৰে পৌৰাণিক লিপিসমূহত উপস্থাপন কৰা হৈছে তাৰ বিষয়েও অৱগত কৰে। লগতে তেওঁ উল্লেখ কৰে যে এনেধৰণৰ পৌৰাণিক লিপি তথা গ্ৰন্থসমূহে লেন চেং ইতিহাস তথা সংস্কৃতিৰ বাহক হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

# এশ এবুৰি সমস্যাৰে জৰ্জৰিত ছিপাঝাৰ পৌৰসভা

**ই-সংবাদ, ছিপাঝাৰ, ২০ মে':** দৰং জিলাৰ গুৰুত্বপূৰ্ণ চহৰ তথা ছিপাঝাৰ সমজিলাৰ সদৰ ছিপাঝাৰ পৌৰসভাখন ইয়াৰ বাসিন্দাসকলৰ বাবে ভালুকৰ সাঙী স্বৰূপ হৈ পৰিছে। একেদৰে এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত পৌৰসভাখন। উল্লেখ্য যে, পৌৰসভাখনৰ যোগাযোগ, অনাময়, আন্তঃগাঁথনি, গাড়ীৰ পাৰ্কিং, বজাৰ ব্যৱস্থা সকলোতে সমস্যা আৰু বিশৃংখলতাই বিৰাজ কৰিছে। প্ৰধানকৈ ইয়াৰ গুৰুত্বপূৰ্ণ পকী পথ আৰু ইয়াৰ সংযোগী পথৰ একাংশ যাতায়াতৰ বাবে তেনেই অনুপযোগী হৈ পৰিছে। বিশেষকৈ চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু কৃষি বিভাগৰ কাৰ্যালয়কে ধৰি তিনিটাকৈ গুৰুত্বপূৰ্ণ কাৰ্যালয়লৈ যোৱা পথটো বছৰটোৰ আঠোটা মাহেই গেলা পানীত ডুবি থাকে। পথটোৰে নিতৌ দুগৰাকী ৰাজপত্ৰিত বিষয়া অহা-যোৱা কৰাই নহয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যায়টোৰ পৰা বছৰি কেইবা শ কোটি টকা উন্নয়নৰ নামত খৰচ হয় যদিও এই পথছোৱাৰ উন্নয়ন বছৰৰ পিছত বছৰ ধৰি কিয় হোৱা নাই সেয়া ৰহস্যজনক। একেদৰে দোকানপাৰা ছিপাঝাৰ মহাবিদ্যালয় সংযোগী পথটোৰে ৰাইজৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰে। কিন্তু বাৰিষা আহিলেই পথচাৰীসকলে যাতায়াতৰ নামত যমৰ যাতনা ভোগ কৰিবলগীয়া হয়। ইয়াৰ সমান্তৰালভাৱে ভুক্তাবাৰী অংশত কেইবাটাও সংযোগী পথত আজিকোপতি শিলগুটি এটাও নপৰিল। ইপিনে, ছিপাঝাৰ মটৰ ষ্টেচনত অনাময়ৰ নামত এটা শৌচাগাৰ আৰু প্ৰস্ৰাৱগাৰ আছে যদিও সেইটোৰ পুতিগন্ধময় অৱস্থাৰ বাবে ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। প্ৰণিধানযোগ্য যে, ছিপাঝাৰ পাথৰিঘাট পথটোতো এটা জিৰণি চ'ৰা, দমকলৰ ব্যৱস্থা আৰু অনাময় ব্যৱস্থাৰ অভাৱৰ বাবে নিতৌ সহস্ৰাধিক যাত্ৰী আহুকালত পৰি আহিছে। বিশেষকৈ ছিপাঝাৰ আৰু মঙলদৈৰ বিভিন্ন উচ্চ শিক্ষানুস্থানলৈ অহা-যোৱা কৰা শতাধিক ছাত্ৰীয়ে গাড়ীৰ বাবে অপেক্ষা কৰাৰ সময়ত বা বৰষুণত আশ্ৰয় ল'বলৈ এটা জিৰণি চ'ৰাৰ লগতে অনাময় ব্যৱস্থাৰ অভাৱ।

পৌৰসভাখনত দুখন বজাৰ আছে যদিও বজাৰ দুখনৰ আন্তঃগাঁথনিৰ নামত একো নাই। একেদৰে মাছ বজাৰৰ কাষত আৰু মূল বজাৰখনৰ দক্ষিণ পশ্চিম কোণত জাবৰৰ দম আৰু কদৰ্যময় পৰিৱেশ বিৰাজমান। অথচ লেচীয়ে প্ৰত্যেক মঙলবাৰ আৰু শুকুৰবাৰে মাচুলৰ নামত বুজন পৰিমাণৰ ধন সংগহ কৰিয়েই আছে। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বহা গধুলি বজাৰখনৰ পৰাও কেতিয়াবা দুৰ্ঘটনা ঘটাৰ সম্ভাৱনা প্ৰবল। তেনে পৰিপ্ৰেক্ষিতত গধুলি বজাৰখন ভিতৰলৈ নিয়াটো বিচাৰে একাংশ সচেতন লোকে। অসমমালা আঁচনিৰ অধীনত নৱনিৰ্মিত ছিপাঝাৰ টংলা পথটোত চাৰিচকীয়া সৰু যাত্ৰীবাহী গাড়ী আৰু তিনিচকীয়া ই-ৰিক্সাই যধেমধে পাৰ্কিং কৰি অহাৰ ফলত নিতৌ বিশৃংখলাৰ সৃষ্টি কৰি আহিছে। গতিকে ছিপাঝাৰ পৌৰসভা আৰু প্ৰশাসনে পদক্ষেপ লৈ পাৰ্কিংটো নাট্যকলা পৰিষদৰ সন্মুখলৈ নিলে যান-জঁটতৰ সমস্যা লাঘৱ হ'ব। স্মৰ্তব্য যে, বিগত বৰ্ষতেই ই-সংবাদে ভৱিষ্যতবাণী কৰিছিল যে ছিপাঝাৰ-টংলা সংযোগী অসমমালাৰ পথটোৰ দুয়োকাষে নিৰ্মাণ কৰা পদপথ তথা নলাটোৰ নিৰ্মাণ বেংনৈলৈ সম্পূৰ্ণ নকৰিলে ছিপাঝাৰ পৌৰ সভাৰ কেইবাটাও এলেকা বাৰিষাৰ বানত ডুবি থাকিব। ইয়াৰ সত্যতা প্ৰতিপন্ন কৰি যোৱা সপ্তাহ ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ পানীত ৭ নং ৱাৰ্ডটোৰ এক অংশ ডুবি থকাই নহয়, কেইবাটাও পৰিয়ালৰ চোতালতো পানী উঠিছে। উল্লেখ্য যে, অসম মালা আঁচনিৰ ছিপাঝাৰ-টংলা সংযোগী পথটোত কিনাপুখুৰীৰ পাৰলৈকে নলা আৰু পদপথ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বিপৰীতে ঠিকাদাৰে মইমতালিৰে কথামাৰা দলঙলৈ হেপাৰ চাং বনোৱাৰ লেখিয়াকৈ কেইবাটাও খণ্ড নিৰ্মাণ কৰি পেলাই থয়। যাৰ বাবে ছিপাঝাৰ চহৰখনৰ অতিৰিক্ত পানী বোৱাই নিয়াৰ পথ ৰুদ্ধ হৈ পৰে। এইক্ষেত্ৰত ঠিকাদাৰৰ লগতে লোকনিৰ্মাণ বিভাগৰ বিষয়া অভিযন্তাৰ ভূমিকাও ৰহস্যজনক। এনে পৰিপ্ৰেক্ষিতত সমাগত বাৰিষাত চহৰখনৰ একাংশ বাসিন্দাই বানত যে ককবকাব লাগিব সেয়া ধ্ৰুপ।

# চতিয়াত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আটক

**ই-সংবাদ, চতিয়া,২০ মে':** গৰু, ছাগলী চোৰৰ সমান্তৰালকৈ নিছা জাতীয় সামগ্ৰীৰ বিৰুদ্ধে চতিয়া আৰক্ষীৰ নিৰন্তৰ অভিযানৰ মাজতে আজি দুপৰীয়া বিশ্বনাথ জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চতিয়া আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, শোণিতপুৰ জিলাৰ খনামুখ আৰু ৰৌমাৰীৰ পৰা দুই সৰবৰাহকাৰীয়ে ড্ৰাগছখিনি এখন টেম্পোত আনি থকাৰ খবৰ বিশ্বনাথ জিলা আৰক্ষীয়ে এক গোপন সূত্ৰে লাভ কৰে। সেই মতেই বিশ্বনাথ অপৰাধ শাখাৰ অতিৰিক্ত

আৰক্ষী অধীক্ষকৰ পৰিকল্পনা মতে চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ত্ৰিলোচন দাসৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল এটাই চতিয়া-ইটাখোলা সংযোগী পথৰ পতিয়া গাঁৱত পুৱাৰে পৰা খাপ পিটি থাকে । দিনৰ প্ৰায় ১১.৩০ বজাত ইটাখোলা দিশৰ পৰা চতিয়া অভিমুখে অহা এ এছ-১২ চি চি-১৪১০ নম্বৰৰ টেম্পো গাড়ীখনত অভিযান চলাই ৪৩ টা ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ ইক্ৰামুল হুছেইন আৰু জমিৰ আলিক আটক কৰে। ধৃত দুই সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি সম্প্ৰতি জেৰা অব্যাহত ৰাখিছে। টেম্পো গাড়ীখন আৰক্ষীয়ে জব্দ কৰে।

# ছিপাঝাৰত গোজ পুতি পোখা মেলিলে অগপই

**ই-সংবাদ, পশ্চিম দৰং, ২০ মে':** ছিপাঝাৰত পঞ্চায়ত নিৰ্বাচনে অগপক যেন পুনৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে। সমষ্টিটোত বিগত বছৰসমূহত জয়নাথ শৰ্মাৰ অৱৰ্তমানত নেতাহীন হৈ দলীয় কৰ্মী, সমৰ্থক আৰু অগপক অন্তৰৰ পৰা হাড়ে হিমজুৰে ভালপোৱা অগপপ্ৰেমী শুভাকাংক্ষীসকলে জয়নাথক বিচাৰি কান্দি থকাৰ মাজতে কিছু পলমকৈ হ'লেও নেতাগৰাকীয়ে ছিপাঝাৰৰ ৰাইজৰ মাজলৈ আহি পুনৰ অগপক পুনৰুদ্ধাৰ কৰিবলৈ যুদ্ধ সৈনিকৰ দৰে লাগি পৰাত কৰ্মীসকলৰ মনত আনন্দ-উলাহে ঠাই নধৰা হৈ পৰিছে। ইফালে, ছিপাঝাৰৰ ৰাইজক কোনো দিনে পাহৰিব নোৱাৰা জয়নাথ শৰ্মাইপঞ্চায়ত নিৰ্বাচনত মিত্ৰজোঁটৰ লগ হৈ এখন আসন লাভ কৰি নিৰ্বাচনত অগপ প্ৰাৰ্থীগৰাকীয়ে বিপুল ভোটত জয় লাভ কৰাত কৰ্মী-সমৰ্থক-শুভাকাংক্ষীসকলক আগন্তুক সময়লৈ ভিটামিন দিয়াৰ লেখীয়া হৈ পৰিছে। গাঁৱৰ তৃণমূল কৰ্মী একাংশৰ পৰা জানিব পৰা মতে, পঞ্চায়ত নিৰ্বাচনেই নহয়, আগন্তুক ২০২৬ ৰ বিধানসভা নিৰ্বাচনত জয়নাথ শৰ্মাক ছিপাঝাৰত আকৌ লাগে। বিজেপি মিত্ৰজোঁটলৈ অগপ কৰ্মী-সমৰ্থক-শুভাকাংক্ষীসকলে এইলৈ জনাব আবেদন-অনুৰোধ। এইসকল কৰ্মীয়ে ক'ব খোজা অনুসৰি এসময়ত অগপৰ দুৰ্গ আছিল ছিপাঝাৰ। মাজৰ সময়ত বিজেপিলৈ আসনখন এৰি দিয়া হৈছিল যদিও এইবাৰ পুনৰ অগপই দাবী কৰিব ছিপাঝাৰ। যাক লৈ ২০২৬ ৰ বিধানসভা নিৰ্বাচনৰ সেনাপতি হিচাপে জয়নাথ শৰ্মাক আগত লৈ নিৰ্বাচনী ভোট যুদ্ধ জয়ৰ বাবে আগতীয়াকৈ ৰণকৌশল ৰচনা কৰি ছিপাঝাৰ উদ্ধাৰত নামি পৰাৰ পণ লৈছে। পিছে বিজেপিয়ে অগপই ছিপাঝাৰ বিচাৰি দাবী কৰিলেই দিবনে? নে অন্য কিবা পন্থা গ্ৰহণ কৰিব তাক এতিয়াই ক'ব নোৱাৰি। মিত্ৰতা সূত্ৰে দিলেও ইয়াক লৈ আচৰিত হবলগীয়া একো নাথাকিব।

# পুৰণি অচল যান-বাহনৰ গৰাকীলৈ পৰিবহণ বিভাগৰ সকাহ

**গুৱাহাটী, ২০ মে':** জীৱনৰ অন্ত পৰা বাহন অৰ্থাৎ চলাচলৰ অনুপযোগী বাহনৰ গৰাকীলৈ পুনৰ সুখবৰ। যান-বাহনৰ গৰাকীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি "অসম যানবাহন স্ক্ৰেপিং নীতি ২০২২"ৰ এককালীন নিষ্পত্তি প্ৰক্ৰিয়া পুনৰ এবছৰৰ কাৰণে বৃদ্ধি কৰা হৈছে। অসম চৰকাৰৰ পৰিবহণ বিভাগৰ ১৫ মে', ২০২৫ৰ অধিসূচনা নং TMV/ E১৯৪৬৯৬/৯৭ মৰ্মে এই এককালীন নিষ্পত্তি আচনিখনৰ কাৰ্যকৰীকৰণৰ সময়সীমা বৃদ্ধি কৰা হৈছে। সেই অনুসৰি বাহনৰ গৰাকীয়ে আগন্তুক বৰ্ষৰ ৩১ মাৰ্চলৈকে যান-বাহনৰ বকেয়াসহ যাৱতীয় কৰৰ মাত্ৰ ২৫% পৰিশোধ কৰিয়ে পথত চলাচলৰ অনুপযোগী বাহনৰ পঞ্জীয়ন বাতিল কৰিব পাৰিব। অৰ্থাৎ এইক্ষেত্ৰত স্বেচ্ছাই আগবাঢ়ি অহা বাহনৰ গৰাকীয়ে বাহনৰ বকেয়াসহ যাৱতীয় কৰৰ ৭৫% লৈকে ৰেহাই পাব । উল্লেখ্য যে যান-বাহন আইন অনুসৰি যি ধৰণৰ বাহনেই নহওক লাগে আয়ুসকাল শেষ হৈ চলাচলৰ বাবে অক্ষম হোৱাৰ লগে লগে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ পঞ্জীয়ন বিভাগত বাহনখনৰ পঞ্জীয়ন বাতিল কৰাটো বাধ্যতামূলক। কিয়নো সঠিকভাৱে পঞ্জীয়ন বাতিল নকৰালৈকে চৰকাৰী তথ্য অৰ্থাৎ "বাহন প'ৰ্টেল"ত বাহনখন জীৱন্ত হৈ থাকে আৰু বাহনৰ বিপৰীতে দিবলগীয়া যাৱতীয় কৰ-কাটলসমূহ সময়ৰ লগে লগে বৃদ্ধি পাই থাকে। তদুপৰি কৰ-কাটল নিদিয়াকৈ থাকিলে তাৰ বিপৰীতে বিলম্ব জৰিমনাও বাঢ়ি থাকে। ফলত এসময়ত কৰকাটল আৰু বিলম্ব জৰিমনা পৰিশোধ কৰিব নোৱাৰা অৱস্থা হয়গৈ। তদুপৰি সুৰক্ষিত যাতায়াতৰ বাবেও সময়মতে কৰ পৰিশোধ কৰি বাহনৰ নথি-পত্ৰসমূহ সঠিক কৰি ৰখাটো বাধ্যতামূলক। অন্যথা এনে বাহন ক'ৰবাত দুৰ্ঘটনাত পতিত হ'বলগীয়া হ'লে তৃতীয় পক্ষৰ যদি কিবা ক্ষতি হয় তেন্তে চৰকাৰ বা বীমা কোম্পানীৰ পৰা কোনোধৰণৰ ক্ষতিপূৰণ নাপাবও পাৰে। সেয়ে সুৰক্ষিত যাতায়াত আৰু অসমক এখন যানবাহন প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ স্বাৰ্থত চলাচলৰ অনুপযোগী বাহনৰ পঞ্জীয়ন বাতিলৰ কাৰণে শীঘ্ৰে পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ পঞ্জীয়ন বিভাগত আবেদন কৰক । এই পঞ্জীয়ন বাতিলৰ কাৰণেই চৰকাৰে বৰ্তমান সময়ত বাহনৰ বকেয়া কৰৰ ৭৫%লৈকে ৰেহাই দিছে অৰ্থাৎ মাত্ৰ ২৫% কৰ পৰিশোধ কৰিলেই বাহনখনৰ পঞ্জীয়ন পত্ৰ বাতিল হ'ব। তদুপৰি গৰাকীয়ে তেওঁৰ বাহনৰ পঞ্জীয়ন বাতিলৰ প্ৰমাণ-পত্ৰখন Registered Vehicle Scrappage Facility (RVSF)ত জমা দি স্ক্ৰেপৰ বাবে আবেদন জনালে সেই বাহনৰ বিপৰীতে তেওঁ এখন জমাকৰনৰ প্ৰমাণপত্ৰ (Certificate of deposit) লাভ কৰিব। বাহন স্ক্ৰেপিঙৰ পিছত সেইখন প্ৰমানপত্ৰৰ জড়িয়তে তেওঁ নতুন বাহন ক্ৰয় কৰিলে ব্যক্তিগত বাহনৰ ক্ষেত্ৰত আগন্তুক ১৫ বছৰলৈ ২৫শতাংশ কৰ ৰেহাই আৰু বাণিজ্যিক বাহনৰ ক্ষেত্ৰত আগন্তুক ৮বছৰলৈ ১৫ শতাংশ কৰ ৰেহাই লাভ কৰিব। স্ক্ৰেপিঙৰ আগত বাহনখন পৰি থকা ঠাইডোখৰৰ প্ৰাকৃতিক সৌন্দৰ্যয়ো বৃদ্ধি পাব । যাৰবাবে সকলো শ্ৰেণীৰ যানবাহনৰ গৰাকীৰ সুবিধা হোৱাকৈ এই এককালীন নিষ্পত্তি প্ৰক্ৰিয়া (One Time Settlement)ৰ সময়সীমা পুনৰ আগন্তুক বৰ্ষৰ ৩১মাৰ্চলৈকে বৃদ্ধি কৰা হৈছে । সেয়েহে অসম চৰকাৰৰ পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাসে গুৰুত্বপূৰ্ণ ৰাজহুৱা স্থান অথবা পথৰ কাষত বিশৃংখলভাৱে পৰিত্যক্ত চলাচলৰ অনুপযোগী তথা পৰিৱেশৰ অনিষ্টকাৰী বাহনসমূহৰ পঞ্জীয়ন বাতিল কৰি পৰ্যায়ক্ৰমে সেইসমূহ নিৰ্মূল কৰি অনুকূল পৰিৱেশ গঢ়ি তুলিবলৈ বাহনৰ গৰাকীৰ প্ৰতি আহ্বান জনাইছে। উল্লেখ্য যে পূৰ্বে ২৮ জুন, ২০২৪ তাৰিখৰ অধিসূচনা ই চি এফ নং ১৯৪৬৯৬/৮১ ৰ ভিত্তিত ৩১ মাৰ্চ,২০২৫ লৈকে বৃদ্ধি কৰা এই এককালীন নিষ্পত্তি আঁচনিখনৰ সময়সীমা পুনৰ বৃদ্ধি কৰা হৈছে আৰু সেই অনুসৰি ২০২৬ চনৰ ৩১ মাৰ্চলৈকে কাৰ্যকৰী হ'ব।

# ডিব্ৰুগড় জিলাত মহকুমা ভূমি উপদেষ্টা সমিতিৰ বৈঠক সম্পন্ন




**ই-সংবাদ, ডিব্ৰুগড়, ২০ মে':** ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি অসম চৰকাৰৰ শক্তি,দক্ষতা, নিয়োগ, উদ্যমিতা, স্বাস্থ্য শিক্ষা আৰু গৱেষণা দপ্তৰ বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, দুলীয়াজান বিধানসভা সমষ্টিৰ বিধায়ক তেৰচ গোৱালা আৰু ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত "মহকুমা ভূমি উপদেষ্টা সমিতি"ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজহুৱা প্ৰতিষ্ঠান তথা আন্তঃগাঁথনিৰ বাবে চৰকাৰী ভূমি আৱণ্টনৰ বাবে লাভ কৰা প্ৰতিবেদন উপস্থাপন কৰা হয় আৰু সমিতিয়ে এই প্ৰতিবেদনসমূহ পুংখানুপুংখভাৱে নিৰীক্ষণ তথা বিবেচনা কৰি নীতিগতভাৱে অনুমোদন জনায়। বৈঠকত দুলীয়াজান সম-জিলা আয়ুক্ত অংকুৰ দাস, নাহৰকটীয়া সম-জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱা, টিংখাং সম-জিলা আয়ুক্ত পৰীক্ষিত ফুকন, খোৱাং সম-জিলা আয়ুক্ত জিন্টু বৰা, অতিৰিক্ত জিলা আয়ুক্ত (ৰাজহ) ডাঃ মণিকা বৰা, সহকাৰী আয়ুক্ত সুৰভি শ্ৰীবাস্তৱা, সহকাৰী আয়ুক্ত পূজা বড়া, ডিব্ৰুগড় জিলাৰ আটাইকেইটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল, নামৰূপ, চাবুৱা আৰু নাহৰকটীয়া পৌৰসভাৰ পৌৰপতিসকল আৰু ডিব্ৰুগড় জিলাৰ আন বিধানসভা সমষ্টিৰ বিধায়কসকলৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

# বৰেণ্য শিল্পী অমৰ কিৰণৰ মৃত্যুত শোকস্তব্ধ সমগ্ৰ নলবাৰী



**ই-সংবাদ ব্যুৰ', নলবাৰী, ২০ মে':** নলবাৰী সমাজ জীৱনৰ সুপৰিচিত বিশিষ্ট কণ্ঠ শিল্পী , দক্ষিণ নলবাৰী কনিষ্ঠ মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ প্ৰবক্তা অমৰ কিৰণ ওৰফে অমৰেন্দ্ৰ কলিতাৰ কালি নিশা নলবাৰী গোপাল বজাৰ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। শিল্পীগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসভৱন লোকাৰণ্য হৈ পৰে। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি তেওঁ মধুমেহ ৰোগত ভুগি আছিল। অমৰ কিৰণে নলবাৰীৰ উপৰি জিলাখনৰ বিভিন্ন মঞ্চত স্বকীয় বৈশিষ্ট্যৰে কণ্ঠদান কৰি সংগীত জগতক এক অনন্য মাত্ৰা দান কৰিছিল। 'অশ্ৰ' তেওঁৰ প্ৰথম গীতৰ এলবাম। মৃত্যুৰ আগদিনালৈ নিজ গৃহতে নিৰ্মান কৰা সংগীতৰ ষ্টুডিওত ব্যস্ত আছিল প্ৰচাৰ বিমুখ, সদা হাস্য মুখৰ শিল্পী অমৰ। মৃত্যুৰ সময়ত একমাত্ৰ কন্যা আৰু পত্নীক এৰি থৈ যোৱা এই গৰাকী শিল্পী জাতীয়তাবাদী চিন্তা ধাৰাৰে পৰিপুষ্ট আছিল। শিল্পীগৰাকীৰ মৃত্যুত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা, যুব-ছাত্ৰ পৰিষদ আদিকে ধৰি বিভিন্ন দল-সংগঠন, ব্যক্তিয়ে শ্ৰদ্ধাঞ্জলি জনায়। আজি দিনৰ ভাগতে খাৰজাৰা ৰাজহুৱা শ্মশান ভূমিত তেওঁৰ শেষকৃত্য সমাপন কৰা হয়।





| Scholarship Amount | Fees to pay | How many students will get |
|---|---|---|
| 80 % | 1000 | 100 |
| 50 % | 2500 | 200 |
| 20 % | 4000 | 300 |


# আধাৰশিলা স্থাপন কৰি ঠিকাদাৰক ধমক বিধায়ক আছিফৰ

**ই-সংবাদ, মৈৰাবাৰী, ২০ মে':** লাহৰীঘাট বিধান সভা সমষ্টিত নতুনকৈ সংযোজিত হোৱা বৃহত্তৰ মৈৰাবাৰী অঞ্চলৰ এক দীৰ্ঘদিনীয়া সমস্যা আছিল মৈৰাবাৰী বজাৰৰ বাট-পথৰ কদৰ্য ৰূপ। বাৰিষাৰ বতৰত মৈৰাবাৰী বজাৰলৈ আহিলে সাধাৰণ ৰাইজে ধৰিবই পৰা নাছিল যে বজাৰটোত ৰাস্তা আছে নে নাই ! ৰাস্তাৰ মাজ মজিয়াত পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈ আছিল। পথচাৰীসকলে বজাৰলৈ ওলাই অহাৰ আগত এশ বাৰ চিন্তা কৰিব লগীয়া হৈছিল। কিন্তু কোনো এজন জন প্ৰতিনিধিয়েই বজাৰৰ এই সমস্যা সমাধানৰ কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল। ৰাইজৰ এনে দুৰ্দশা সম্পৰ্কে লাহৰীঘাটৰ বিধায়ক ড° আছিফ মহম্মদ নাজাৰক অৱগত কৰাত বিধায়কগৰাকীয়ে অতি তৎপৰতাৰে পথছোৱা মেৰামতিৰ লগতে বাৰিষাৰ দিনত পানী নিষ্কাশনৰ ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লয়। বিধায়ক গৰাকীয়ে মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণআঁচনিৰ অধীনত ৰাস্তাৰ কাষেৰে থানাৰ ওচৰৰ তেল ডিপোৰ সন্মুখৰ পৰা দলৈগাও বৰজান পাৰ লৈকে ৫ কোটি ৭০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হবলগীয়া ৰাস্থা আৰু ড্ৰেইণৰ কামৰ আজি শুভাৰম্ভ কৰে। বিধায়কজন আধাৰশিলা স্থলীত উপস্থিত হৈয়ে আধাৰশিলাৰ স্থান আৰু ফলক দেখি খৰ্গস্থ হৈ পৰে। বিধায়কজনে ঠিকাদাৰ ৰাকেশ সিঙকো উদ্দেশ্যি তীব্ৰ বাক্যবাণ নিক্ষেপ কৰে। প্ৰাককলন অনুসৰি কাম নকৰিলে কাম বন্ধ কৰাৰো হুমকি দিয়ে বিধায়ক জনে। মুঠৰ ওপৰত আজি আধাৰশিলা স্থাপন কৰা আচনিটোৰ কামখিনি সম্পূৰ্ণ হলে মৈৰাবাৰী বাসীৰ লগতে মৈৰাবাৰীলৈ অহা লোকসকলৰো যে যাতায়াত ব্যৱস্থা সুচল হ'ব, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। বিধায়ক আছিফৰ এনে কাৰ্যক একমুখে শলাগ লৈছে।

# ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ বাবে সজাগতামূলক অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ভৱানীপুৰ, ২০ মে':** ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয় প্ৰেক্ষাগৃহত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষৰ জৰিয়তে আজি শিক্ষাৰ্থীৰ সূচনা কাৰ্যসূচী তথা শিক্ষাৰ্থীৰ বাবে সজাগতামূলক সভা অনুষ্ঠিত হয়। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড° সমীৰণ শৰ্মাই আঁত ধৰা তথা পৰিচালনা কৰা সূচনা কাৰ্যক্ৰমণিকা তথা শিক্ষাৰ্থীৰ বাবে সজাগতামূলক সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সহকাৰী পঞ্জীয়ক বিৰিঞ্চি কুমাৰ বৰাই। বিৰিঞ্চি কুমাৰ বৰাই তেওঁৰ ভাষণত কয়- "ভাৰতবৰ্ষৰ ভিন্ন ৰাজ্যৰ লগতে অসমতো উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ মানসিকতা থকা বহুতে ভিন্ন সমস্যাৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হয়। কিন্তু শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে বঞ্চিত হৈ থকাসকলৰ বাবে ভাৰতৰ চৰকাৰৰ মানৱ সম্পদ উন্নয়ন বিভাগে মুক্ত বিশ্ববিদ্যালয় স্থাপনৰ জৰিয়তে উচ্চ শিক্ষাৰে শিক্ষিত হোৱাৰ হাবিয়াস পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। বিশ্বৰ উচ্চ শিক্ষিতৰ সংখ্যা বেছি থকা দেশসমূহৰ দৰে ভাৰতবৰ্ষক শিক্ষিত লোকৰ সংখ্যা বৃদ্ধিৰে সমাজৰ বৌদ্ধিক বিকাশৰ লক্ষৰে উচ্চ শিক্ষা গ্ৰহনৰ ক্ষেত্ৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন বিভাগে বিশেষ বিশেষ আঁচনি প্ৰৱৰ্তন কৰিছে আৰু সফলতাৰ দিশে গতি কৰিছে। উচ্চ শিক্ষাৰে শিক্ষিতৰ সংখ্যা বৃদ্ধিয়ে সমাজত বৌদ্ধিক বিকাশ সাধন কৰে। এই লক্ষ্য আৰু উদ্দেশ্য ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰেও আগত ৰাখিছে যদিও সমাজৰ প্ৰতিজন নাগৰিকেও উচ্চ শিক্ষাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি




কৰিব লাগিব। এখন শিক্ষিত সুস্থ সবল সমাজ গঢ়ি তোলাৰ বাবে চৰকাৰীভাৱে প্ৰৱৰ্তন কৰা আঁচনিবোৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিজন নাগৰিকৰ সচেতনতা থাকিব লাগিব। বিৰিঞ্চি কুমাৰ বৰাই তেওঁৰ ভাষনত কয়- বিশ্বৰ অন্যান্য বহুখন উন্নত ৰাষ্ট্ৰৰ তুলনাত ভাৰতবৰ্ষত উচ্চ শিক্ষিতৰ হাৰ মাত্ৰ ২৮ শতাংশ।তেনেদৰে অসমত উচ্চ শিক্ষিতৰ হাৰ ১৮ শতাংশ। কিন্তু প্ৰতিবছৰে ভাৰতবৰ্ষ আৰু অসমতো উচ্চ শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি হৈ আছে।এয়া উৎসাহজনক বিষয়। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ জৰিয়তে উচ্চ শিক্ষা গ্ৰহনৰ ব্যৱস্থৰ বহলাই বাখ্যা কৰি বিৰিঞ্চি কুমাৰ বৰাই কয়, "অসমত স্থাপিত উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ মুক্ত বিশ্ববিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষ ভুমিকা গ্ৰহণ কৰিছে।অসমত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ৩০৪ টা অধ্যয়ন কেন্দ্ৰ আছে।ইয়াৰে ৩০ টা অধ্যয়ন কেন্দ্ৰ জে'লবোৰতো আছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উদ্দেশ্য অকল মানুহক একোটা ডিগ্ৰী দিয়ায়েই নহয়। সামাজিক ভিন্ন দিশত উত্তৰণৰ ক্ষেত্ৰতো কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে গুৰুত্ব আৰোপ কৰিছে"। সভাত ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক অমলেশ দত্ত আৰু শিক্ষা বিভাগৰ সহযোগী অধ্যাপক তথা মুৰব্বী ৰাজু কুমাৰ দাসেও নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰে।

## চেলেংহাটত ছাগলী চোৰক হাতে-লোটে ধৰি চমজালে আৰক্ষীক

**ই-সংবাদ, মৰিয়নি, ২০ মে':** যোৰহাট জিলাৰ চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত বৃহত্তৰ অঞ্চলটোত দীৰ্ঘদিন ধৰি ছাগলী চুৰিৰ ঘটনা কৃষক ৰাইজৰ মাজত চিন্তা আৰু আতংকৰ সৃষ্টি কৰিছিল। অৱশেষত, চিৰাখুন্দা গাঁওবাসীয়ে কালি বুধবাৰে দুটাকৈ কুখ্যাত ছাগলী চোৰক হাতেলোতে ধৰিবলৈ সক্ষম হয়। প্ৰত্যক্ষদৰ্শীৰ মতে, গাঁৱৰ এগৰাকী মহিলাই মুকলি পথাৰত এৰাল দি থোৱা এজনী ছাগলী লৈ গৈ থকা দৃশ্য দেখা পাই ৰাইজক খবৰ দিয়ে। তাৰ পিছতেই গাঁওবাসীৰ তৎপৰতাত তিতাবৰৰ মহিমাৰ বিকী বৰা নামৰ চোৰটোক ফুকনচুকৰ লোকৰঞ্জন (বাবলু) ফুকনৰ ঘৰপৰা ধৰিবলৈ সক্ষম হয়। ধৃত ছাগলী চোৰ বিকী বৰাই জনায় যে এই চুৰি কাণ্ড লোকৰঞ্জন (বাবলু) ফুকন আৰু চিৰাখুন্দা গাঁৱৰ সীমান্ত বৰাৰ সহযোগত সংঘটিত কৰিছে। এই কথাত ভিত্তি কৰি ৰাইজে সীমান্ত বৰাকো কৰায়ত্ব কৰে, যদিও মূল অভিযুক্ত লোকৰঞ্জন (বাবলু) ফুকন ঘটনাস্থলৰ পৰা পলাই যাবলৈ সক্ষম হয়। চেলেংহাট আৰক্ষীয়ে ধৃত ছাগলী চোৰ দুটাক আটক কৰি প্ৰাৰম্ভিক তদন্ত আৰম্ভ কৰে আৰু আজি দুয়োটাকে জেল হাজোতলৈ প্ৰেৰণ কৰিছে। মূল অভিযুক্ত লোকৰঞ্জন (বাবলু) ফুকন এতিয়াও পলাতক হৈ আছে আৰু আৰক্ষীয়ে চোৰটোৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। এই ঘটনাই স্থানীয় লোকসকলক অধিক সচেতন আৰু সতৰ্ক হ'বলৈ বাধ্য কৰিছে।

## ডিব্ৰুগড়ত ৰন্ধন গেছৰ বিলৰ বিসংগতিত নাগৰিক মঞ্চৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, ডিব্ৰুগড়, ২০ মে':** নাগৰিকৰ সা-সুবিধাৰ প্ৰতি স'ততে সজাগ দৃষ্টি ৰখা ডিব্ৰুগড় মহানগৰৰ সচেতন এক সামাজিক অনুষ্ঠান ডিব্ৰুগড় নাগৰিক মঞ্চই ৰন্ধন গেছৰ বিল সন্দৰ্ভত কিছুদিনৰ পৰা দেখা পোৱা বিসংগতিত উদ্বেগ প্ৰকাশ কৰিছে। সময়মতে গ্ৰাহকে বিল নোপোৱা, বাসগৃহত থকা গেছৰ মিটাৰৰ ৰিডিং যিমান দেখুৱায় তাতোকৈ অধিক ধনৰ বিল অহা আৰু বকেয়া ধন নাথাকিলেও গ্ৰাহকসকলৰ অনেকৰ বিলত বকেয়া ধন বুলি উল্লেখ থকা আদি বিসংগতিয়ে গ্ৰাহকক প্ৰতিদিনে বিমোৰত পেলাই আহিছে। তাৰোপৰি গেছৰ কাৰ্যালয়ত খা খবৰ লৈ গম পোৱা গল যে তেওঁলোকৰ কৰ্মচাৰীৰ অভাৱৰ বাবেহে বোলে দুই তিনি মাহৰ মূৰে মূৰেহে বিলবোৰ দিয়ে। এই অভিযোগ লৈ গেছৰ কাৰ্যালয়ত দৈনিক অভিযোগ লৈ যোৱাৰ কথাও জানিব পৰা গৈছে।আনহাতে গেছ লিকহৈ থকাৰ দৰে ঘটনাও কোনো কোনো গ্ৰাহকৰ ঘৰত হৈছে। সেয়ে উল্লিখিত কেওটা বিষয় সন্দৰ্ভত সংশ্লিষ্ট বিভাগৰ ওচৰত মঞ্চৰ সভাপতি ড০ ভাৰতী দত্ত আৰু সম্পাদক দুৰ্লভ গগৈ স্বাক্ষৰিত এক পত্ৰ প্ৰেৰণ কৰা হৈছে।ডিব্ৰুগড়ৰ বৈৰাগীমঠস্থিত গেছ কোম্পানীৰ কাৰ্যালয়ত বিভাগীয় বিষয়াক মঞ্চৰ বিষয়ববীয়াই পত্ৰখনি প্ৰদান কৰে।

## মুকালমুৱাত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ অভিযান

# বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ লাট মণ্ডল, চক্ৰ বিষয়াৰ ব্যক্তিগত গাড়ী চালকক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২০ মে':** মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে আজি সন্ধিয়া নলবাৰীৰ মুকালমুৱাত অভিযান চলাই দুজনক হাতে লোটে গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ উপ-আৰক্ষী অধীক্ষক এগৰাকীৰ নেতৃত্বত সন্ধিয়া মুকালমুৱাস্থিত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়ত দুৰ্নীতিৰ বিৰুদ্ধ অভিযান চলাই দুজনক হাতে লোটে গ্ৰেপ্তাৰ কৰে । প্ৰাপ্ত তথ্য অনুসৰি বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামপুৰ গাঁৱৰ লাট মণ্ডল লোকেশ নাইডিং আৰু বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া কৌস্তৱ ৰয়ৰ ব্যক্তিগত গাড়ী চালক তপন সিঙক হাতে লোটে ধৰে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে । জানিব পৰা অনুসৰি বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামপুৰ গাঁৱৰ এগৰাকী লোকৰ পৰা মাটি বাৰীৰ কাম-কাজত লাটমণ্ডল লোকেশ নাইডিঙে ধন দাবী কৰি আহিছিল । খবৰ লাভ কৰা অনুসৰি লাটমণ্ডল নাইডিঙে দাবী কৰা ধনৰ কিছু অংশ পূৰ্বতে লাভ কৰিছিল । লাট মণ্ডল লোকেশ নাইডিঙে দাবী কৰা ধনৰ দহ হাজাৰ টকা আজি সন্ধিয়া লওঁতেই মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ জালত পৰে লাটমণ্ডলসহ চক্ৰ বিষয়াৰ ব্যক্তিগত গাড়ীচালক তপন সিং । মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়ত দুয়োজনকে নিশালৈকে জেৰা চলাই গুৱাহাটীলৈ লৈ যায় । উল্লেখযোগ্য যে এবছৰ পূৰ্বেও বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়ত কৰ্মৰত লাটমণ্ডল নয়ন ডেকাই ঘোচ লৈ মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ জালত পৰিছিল । সম্প্ৰতি নয়ন ডেকা চাকৰিৰ পৰা নিলম্বিত হৈ আছে ।

# 'পাকিস্তান জিন্দাবাদ' উচ্চাৰিত ভিডিঅ' শ্বেয়াৰ কৰি গ্ৰেপ্তাৰ ফটো সাংবাদিক

**ই-সংবাদ, কামপুৰ, ২০ মে':** নগাঁও জিলাৰ কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত বুঢ়াপটীয়া গাঁৱৰ নৰজ্যোতি লস্কৰ নামৰ এজন যুৱকে কালি 'পাকিস্তান জিন্দাবাদ' ধ্বনি থকা এটা বিশেষ ভিডিঅ' ফেচবুকত আপলোড কৰি গ্ৰেপ্তাৰ হয় । সেই বিশেষ ভিডিঅ'টো আছিল যোৱা ১৮ মে' তাৰিখৰ । ১৮ মে'ৰ দিনা কামপুৰৰ প্ৰাক্তন সৈনিক সকলৰ উদ্যোগত নগৰখনৰ মাজেৰে 'ত্ৰিৰংগা যাত্ৰা'ৰ বিশাল ৰেলী উলিওৱা হৈছিল, য'ত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ লগতে সহস্ৰাধিক লোকে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰিছিল। এটা ব্যক্তিগত টিভি চেনেলত ফটো সাংবাদিক হিচাপে কৰ্মৰত নৰজ্যোতি লস্কৰে সেই ৰেলীটোৰ কেইছেকেণ্ড মানৰ এটা ভিডিঅ' কালি তেওঁৰ নিজা ফেচবুক একাউন্টত আপলোড কৰিছিল। তেওঁ আপলোড কৰা ৰেলীৰ ভিডিঅ'টোত 'পাকিস্তান জিন্দাবাদ' ধ্বনি আছিল বুলি পোহৰলৈ আহে। যাৰ বাবে ভিডিঅ' আপলোড কৰাৰ কিছু সময়ৰ পিছতে একাংশ লোকে বিয়লি নৰজ্যোতি লস্কৰক কামপুৰৰ ৰাজপথেৰে লৈ গৈ আৰক্ষী থানাত গতাই দিয়ে। উল্লেখ্য যে নৰজ্যোতি লস্কৰক ৰাজপথেৰে লৈ যোৱা অৱস্থাত একাংশ লোকে মাৰধৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। তেওঁক থানালৈ লৈ যোৱাৰ পিছতে আকস্মিকভাৱে থানা চৌহদত পাঁচ শতাধিক লোক উপস্থিত হয়। তেনে সময়তে বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী কামপুৰ থানাত উপস্থিত হৈ লস্কৰৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত কামপুৰ আৰক্ষীয়ে ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত এক গোচৰ ৰুজু কৰি নিশাই নৰজ্যোতিক নগাঁও সদৰ থানালৈ প্ৰেৰণ কৰে। উক্ত ঘটনাটোৰ পিছত আজি কামপুৰৰ বৈদ্যুতিন আৰু ছপা মাধ্যমৰ সকলো সাংবাদিক কামপুৰ উন্নতি সাধিনী সভাগৃহত



সমবেত হয়। সমবেত সাংবাদিকসকলে নৰজ্যোতি লস্কৰক প্ৰহাৰ কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা জনাই আইন হাতত তুলি লোৱাসকলক চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী-প্ৰশাসনক অনুৰোধ জনাইছে। ফেচবুকত দিয়া সেই বিশেষ ভিডিঅ'টোৰ ফৰেনচিক টেষ্ট কৰি 'পাকিস্তান জিন্দাবাদ' ধ্বনি দিয়াৰ আঁৰত জড়িত ব্যক্তিক চিনাক্ত কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিবলৈ কামপুৰৰ সাংবাদিকসকলে চৰকাৰ-প্ৰশাসনক দাবী জনাইছে। তদুপৰি সাংবাদিক সকলে আজি ক'লা বেজ পৰিধান কৰি সাংবাদিকক আক্ৰমণ কৰা ঘটনাৰ প্ৰতিবাদ জনায়। ইফালে কামপুৰৰ সাংবাদিক সকলে নৰজ্যোতি লস্কৰে ন্যায় নোপোৱালৈকে ৰাজনৈতিক দলৰ কোনোধৰণৰ বাতৰি প্ৰচাৰ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সাংবাদিকৰ নিৰাপত্তা আৰু সুৰক্ষা সন্দৰ্ভত আজি গভীৰভাৱে আলোচনাও হয়। নৰজ্যোতি লস্কৰৰ ক্ষেত্ৰত সংঘটিত হোৱা ঘটনাটোৰ উচিত তদন্ত কৰিবলৈ নগাঁও জিলা 'আপকু'ৰ সভাপতি অপূৰ্ব হাজৰিকা আৰু সম্পাদক সমৰেন্দ্ৰ নাৰায়ণ বৰাই দাবী জনাইছে।

# কোন হ'ব বৰমপুৰ পঞ্চায়তৰ সভাপতি? চৰ্চাৰ শীৰ্ষত বিনয় ডেকা

**ই-সংবাদ, দুনী, ২০ মে':** দৰং জিলা ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰমপুৰ পঞ্চায়তখন জিলাখনৰ ভিতৰতে অন্যতম। ১০ গৰাকী ৱাৰ্ড সদস্যৰে গঠিত হ'বলগীয়া পঞ্চায়তখনৰ সভাপতি হিচাপে কোন নিৰ্বাচিত হ'ব ইয়াকে লৈ উৎসুক হৈ পৰিছে জনতা। ৩ নম্বৰ সৰাবাৰী বৰমপুৰ অংশৰ সদস্য হিচাপে বিনয় ডেকাই বিপুল ভোটৰ ব্যৱধানত বিজয়ী হৈছে। ইতিমধ্যে নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অনুযায়ী নিৰ্বাচিত পঞ্চায়তৰ সদস্যসকলৰ পৰাই নিৰ্বাচিত বা মনোনীত হ'ব সভাপতিগৰাকী। ১০ গৰাকী সদস্যৰে গঠিত হ'বলগীয়া বৰমপুৰ পঞ্চায়তৰ সভাপতিৰ আসনত বহিব কোন? কোন সেই ভাগ্যৱান ব্যক্তিগৰাকী? ইয়াকে লৈ ৰাইজৰ মাজত সঘনে চলিছে গুণাগুঁথা । অৱশ্যে সভাপতি হিচাপে সঘনে চৰ্চিত হৈ আছে বিনয় ডেকাৰ নাম। জল্পনা কল্পনাৰ শীৰ্ষত আছে বিনয় ডেকা। ছাত্ৰ নেতাৰ পৰা ৰাজনৈতিক পথাৰখনলৈ এক দীঘলীয়া যাত্ৰাৰে বিনয় ডেকাই সামাজিক ক্ষেত্ৰখনত এক অনবদ্য অৱদান আগবঢ়াই আহিছে। ২১ নং বৰমপুৰ পঞ্চায়ত সদস্য হিচাবে নিৰ্বাচিত লোকসকল ক্ৰমে বিনয় ডেকা, ৩নং সাৰাবাৰী বৰমপুৰ,পল্লৱী ডেকা, বানেইকুছি (খ) অংশ, অমৰেন্দ্ৰ হাজৰিকা, বানেইকুছি (ক) অংশ, জোনমণি শইকীয়া, পোটাপুখুৰী (ক) অংশ, চাৰু চহৰীয়া বড়া, পোটাপুখুৰী (খ) অংশ, মনিন্দ্ৰ দাস, হীৰাপাৰা, মঃ জাহিদুল হক, আঠকুৰীয়া, ঘিলাকুৰী অংশ, মিছ নিৰুচা বেগম, নিজ বৰমপুৰ অংশ, ৰুমিবেগম, ঘিলাকুৰী অংশ আৰু নাজমিন চুলতানা বেগম, অঠকুৰীয়া। ১০ গৰাকী নৱ নিৰ্বাচিত সদস্যৰ ভিতৰত কেইবাগৰাকীও সভাপতি পদৰ বাবে যোগ্য ব্যক্তি আছে যদিও বিনয় ডেকাৰ নাম বহুলভাৱে চৰ্চাৰ শীৰ্ষত আছে। উল্লেখ্য যে বিনয় ডেকাই সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ (আক্ৰাছু) প্ৰাক্তন সম্পাদক (২০২২-২০২৪) চনলৈ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন আঞ্চলিক নেতা, দৰঙী বহুমুখী কৃষি সমবায় সমিতিৰ কাৰ্যালয় সম্পাদক, বৰমপুৰ জাতীয় বিদ্যালয় পচিালনা সমিতিত সদস্য, বৰমপুৰ থিয়েটাৰ পৰিচালনা সমিতিৰ এগৰাকী সম্পাদক, বৰমপুৰ জ্যোতি যুৱক সংঘৰ বিষয়ববীয়া, শ্ৰী শ্ৰী বামুন্দ্ৰিয়া সত্ৰৰ কাৰ্যনিৰ্বাহক সদস্য, কেৰলীয়াহাটী সত্ৰৰ সম্পাদক, সৰাবাৰী বৰমপুৰ যুৱ সমাজৰ সম্পাদক, নগাঁও নৈঘাট সাপ্তাহিক বজাৰ পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক হোৱাৰ লগতে বৰমপুৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। বৰমপুৰ পঞ্চায়তৰ ভিতৰত সৰ্বাধিক ভোটত বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হোৱা বিনয় ডেকাক লৈ জিলা বিজেপিয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ

**ই-সংবাদ বিশেষ, মাজুলী, ২০ মে':** মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ অন্তৰ্গত লোহিত খাৰলু গাঁও পঞ্চায়তৰ পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ বিদ্যালয় গৃহৰ নিৰ্মাণ কাৰ্য আজি শুভাৰম্ভ কৰা হয়। লোহিত খাবলু আঞ্চলিকৰ অন্তৰ্গত মিচিং স্বায়ত্তশাসিত পৰিষদৰ পৰা আবণ্টিত অতিৰিক্ত পুঁজিৰে নিৰ্মাণ হ'ব লগা উক্ত পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ আজি শুভ উদ্বোধন কৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সদস্য তথা এম এম কে'ৰ কেন্দ্ৰীয় সমিতিৰ সদস্য মুকুল পেগুৱে। আজি দুপৰীয়া অনুষ্ঠিত হোৱা উক্ত নিৰ্মাণ কাৰ্য শুভাৰম্ভ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে টি এম পি কে'ৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি গোবিন পেগু, শিক্ষা সম্পাদক সঞ্জীৱ চিৰাং, টি এম পি কে'ৰ লোহিত খাৰলু আঞ্চলিক সমিতিৰ সভাপতি আনন্দ পেগু, এম এম কে'ৰ সভাপতি জিতেন মিলি আৰু সম্পাদক ৰনোজ পেগু আৰু টি এম পি কে'ৰ মেডিয়া কোষৰ সম্পাদক কৃষ্ণকান্ত টাইড, নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন সহকাৰী প্ৰধান শিক্ষক সঞ্জীৱ পায়েং, পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাং, সহকাৰী শিক্ষক তথা লোহিত খাৰলু অঞ্চলৰ জ্যেষ্ঠ সংগঠন দ্বীপেন পায়েং আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ কনিষ্ঠ অভিযন্তা নিকুঞ্জ পেগু, ১নং বৰালিমৰা ৱাৰ্ডৰ পঞ্চায়ত সদস্যা উনচে পেগু, ৩নং পাথৰিচুক ৱাৰ্ডৰ সদস্য ফিৰোজ পায়েং, ৫নং উত্তৰ ডায়গোনেল ৱাৰ্ডৰ সদস্য অনিল মিলি আৰু পাথৰিচুক উন্নয়ন সমিতিৰ লগতে ৰাইজ উপস্থিত থাকে। পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাঙে আঁত ধৰা উক্ত শুভাৰম্ভ অনুষ্ঠানত মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সদস্য মুকুল পেগুৱে প্ৰাককলন অনুসৰি সঠিকভাৱে উক্ত বিদ্যালয় গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে অমিয় কুমাৰ চিৰাঙে।

# অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিত অনিয়ম, জিলা আয়ুক্তক অভিযোগ

**ই-সংবাদ, দলগাঁও, ২০ মে':** দৰং জিলাৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত শ্যামটিলা গাঁও পঞ্চায়তত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, গাঁও পঞ্চায়তখনৰ আটাইকেইখন গাঁৱতেই যোগ্য হিতাধিকাৰীক বঞ্চিত কৰি বহু অযোগ্য লোকক বাছনি তালিকাত স্থান দিয়া হৈছে বুলি অভিযোগ উঠিছে। নৱ নিৰ্বাচিত পঞ্চায়ত সদস্যসকলে আজি পঞ্চায়ত সচিবক লিখিত অভিযোগ দাখিল কৰি ইয়াৰ প্ৰতিলিপি দলগাঁও সমজিলা আৰু দৰং জিলা আয়ুক্তলৈ প্ৰেৰণ কৰি তালিকান নিকা কৰাৰ লগতে ডিজিটাইজ নকৰিবলৈ অনুৰোধ জনায়।

# 'পাকিস্তান জিন্দাবাদ' মঙলদৈত গ্ৰেপ্তাৰ যুৱক

**ই-সংবাদ, দুনী, ২০ মে':** সামাজিক মাধ্যমত পাকিস্তানৰ পতাকাসহ শত্ৰু দেশৰ পক্ষত জিন্দাবাদ লিখি আজি দৰং আৰক্ষীৰ হাতত কৰায়ত্ত হয় মঙলদৈৰ এজন প্ৰৱ্ৰজিত মূলৰ যুৱক। যুৱকজনক মঙলদৈ চহৰৰ সমীপৱৰ্তী দক্ষিণ বাঘপৰি চৰৰ চোবান আলীৰ পুত্ৰ হবিবৰ ৰহমান বুলি চিনাক্ত কৰা হৈছে। লক্ষণীয় যে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা পাকিস্তানৰ পক্ষত জিন্দাবাদ দি ইতিমধ্যে ৭১ টা দেশদ্ৰোহী তথা পাকিস্তানৰ সমৰ্থক ৰাজ্যৰ আৰক্ষীৰ হাতত কৰায়ত্ত হৈছে। মঙলদৈত হবিবৰক গ্ৰেপ্তাৰৰ পিছত এই সংখ্যা ৭২ লৈ বৃদ্ধি পালে। উল্লেখ্য যে দৰং আৰক্ষীৰ চাইবাৰ চেলৰ ছাৰ্ভিলেন্স টীমে আজি পুৱাতে সামাজিক মাধ্যমত কোনো বিশেষ পোষ্টত বিতৰ্কিত মন্তব্যসহ পাকিস্তানৰ পতাকা আপডেট কৰা প্ৰত্যক্ষ কৰে। এলএক্ষ হবিবুৰ জনী কিং ১১৩ আজব নামবিশিষ্ট পোষ্টকাৰীৰ বিৰুদ্ধে লগে লগে তৎপৰ হৈ পৰে দৰং আৰক্ষী। তদুপৰি মঙলদৈ থানাত সুকীয়া গোচৰ এটাও ৰুজু কৰি আৰম্ভ কৰে অভিযান। এই অভিযানৰ সময়তে দক্ষিণ বাঘপৰিৰ পৰা কৰায়ত্ত হয় দেশৰ শত্ৰু ৰাষ্ট্ৰক সমৰ্থনকাৰী। ইতিমধ্যে, মঙলদৈ থানাই কৰায়ত্ত কৰা হবিক আবেলিৰ ভাগত আদালতত হাজিৰ কৰোৱা হয় আৰু ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। স্বাভাৱিকতে জিলাখনত এতিয়ালৈ দুজনকৈ যুৱক এনে দেশবিৰোধী কাণ্ডৰে জড়িত হৈ ৰঙাঘৰত আলহী হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে এনে আচৰণ প্ৰদৰ্শন নকৰিবলৈ আহ্বান জনোৱাৰ পিছতো সামাজিক মাধ্যমযোগে প্ৰত্যাহ্বান জনাবলৈ ৰঙাঘৰৰ আলহী হৈছে অৰ্ধশতাধিক। ইপিনে, সামাজিক মাধ্যমত হবিবৰ কৰায়ত্ত হোৱাৰ বাতৰি প্ৰকাশৰ পিছতে অধিকাংশ নেটিজেনে পাকিস্তানলৈ প্ৰেৰণৰ দাবী তুলিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# সম্পন্ন হ’ল সদৌ কামৰূপ জিলা সাঁতোৰ প্ৰতিযোগিতা

**ই-সংবাদ, গুৱাহাটী, ২০ মে’:** অসম সাঁতোৰ সন্থাৰ অধীনস্থ সদৌ কামৰূপ জিলা সাঁতোৰ সন্থাৰ উদ্যোগত ২য় সদৌ কামৰূপ জিলা আন্তঃবিদ্যালয় সাঁতোৰ প্ৰতিযোগিতা গুৱাহাটীৰ সৰুসজাইস্থিত ডo জাকিৰ হুছেইন একুৱেটিক কমপ্লেক্সত অনুষ্ঠিত হৈ যায়। এই প্ৰতিযোগিতাত কামৰূপ মহানগৰ আৰু কামৰূপ গ্ৰাম্য জিলাৰ ৪১খন বিদ্যালয়ৰ ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।পতাকা উত্তোলনৰ পাছত ছাত্ৰ-ছাত্ৰীৰ মাৰ্চ পাছৰ জৰিয়তে প্ৰতিযোগিতাৰ আৰম্ভণি হয়। অসম সাঁতোৰ সন্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে। সাঁতোৰৰ লগতে ডাইভিং আৰু ৱাটাৰ প’ল’ প্ৰতিযোগিতাও অনুষ্ঠিত হয়।প্ৰতিযোগিতাৰ অন্তত গুৰুকুল গ্ৰামাৰ স্কুলে অসাধাৰণ প্ৰদৰ্শনৰ জৰিয়তে “বেষ্ট চেম্পিয়ন স্কুল”ৰ খিতাপ অৰ্জন কৰে। আনহাতে, চেইন্ট ফ্ৰান্সিছ দে এছিছিস স্কুলে উজ্জ্বল প্ৰদৰ্শনৰে “ছেকেণ্ড ৰানাৰ্চ আপ ট্ৰফী” লাভ কৰে। বিজয়ীসকলক বঁটা প্ৰদানৰ কাৰ্যসূচীত অসম সাঁতোৰ সন্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাস, প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামী, প্ৰশিক্ষক বাবুল গুৰুং, মমী বৰ্মন, ডেভিদ চেতিয়া, মনফৰ্ট স্কুলৰ অধ্যক্ষ ব্ৰাদাৰ জেমছ, ডাঃ দিব্যজ্যোতি দত্তৰ লগতে অন্যান্য বিশিষ্ট অতিথিসকল উপস্থিত থাকে।

# গোৱাৰ কাৰাটে প্ৰতিযোগিতালৈ ৰাওনা অসম দল

**ই-সংবাদ, ৰঙিয়া, ২০ মে’:** গোৱাৰ মোহন পাৰেকৰ ইন্দোৰ ষ্টেডিয়ামত ২৪ মে’ৰ পৰা অনুষ্ঠিত ২৩তম ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসমৰ ২৪ জনীয়া দল ৰাওনা হৈছে। কুমিটে আৰু কাটা বিভাগত প্ৰায় ২০০ প্ৰতিযোগীয়ে অংশ ল’ব। দলটিৰ মেনেজাৰ আৰু প্ৰশিক্ষক হিচাপে আছে চৈয়দ মাজহাৰুল ইছলাম আৰু পংকজ কুমাৰ পাঠক। প্ৰতিযোগীসকলৰ ভিতৰত আছে হৰ্ষিতা তালুকদাৰ, মিতু আলী, কৃতাৰ্থ কাশ্যপ, জ্যোতিস্মিতা দাস আৰু অন্যান্য। ৰেফাৰী হিচাপে অংশ ল’ব ৰূপক ৰাজবংশী আৰু অসীম কুমাৰ তালুকদাৰে।




আইপিএল ২০২৫: চেন্নাইৰ বিৰুদ্ধে প্ৰথম অভাৰতে দুটা উইকেট দখলৰ পিছত উল্লাস ৰাজস্থানৰ যুধবীৰ সিঙৰ

## আইপিএলৰ সপোন চূৰ্ণ ধোনি বাহিনীৰ, মাথো মান ৰক্ষাৰ যুঁজ

# এতিয়া জিৰণিৰ প্ৰয়োজন! ধোনিক পৰামৰ্শ প্ৰাক্তন ক্ৰিকেটাৰৰ

**মুম্বাই, ২০ মে’:** আই পি এল ২০২৫ৰ সপোন ইতিমধ্যেই বিচূৰ্ণ হৈছে চেন্নাই ছুপাৰ কিংগছৰ। ১২খন মেচত মাত্ৰ ৬ পইণ্ট লাভ কৰি লীগ তালিকাৰ একেবাৰে নিম্নস্থাত খোপনি পুতিছে দলটোৱে। মহেন্দ্ৰ সিং ধোনিৰ নেতৃত্বতো এইবাৰ সলনি নহ’ল দলটোৰ ভাগ্য। ছিজনৰ আৰম্ভণিতে ঋতুৰাজ গাইকৱাদ অধিনায়ক হিচাপে আছিল যদিও আঘাতৰ বাবে তেওঁ খেলপথাৰৰ পৰা আঁতৰি আছিল। ফলত এই দায়িত্ব ৪৩ বছৰীয়া ‘চিৰতৰুণ’ ধোনিৰ কান্ধত পৰে। অৱশ্যে ১২খন মেচত মাত্ৰ ১৮০ ৰান কৰি ফিনিছাৰ হিচাপে সামান্য মনৰোঞ্জন দিবলৈ সক্ষম হৈছে ধোনিয়ে। কিন্তু তাৰ পিছতো এইবাৰ দেখা পোৱা নগ’ল ধোনিৰ সেই দুৰ্দান্ত ফৰ্ম। এনে কাৰণতে এতিয়া ধোনিক পৰামৰ্শ আগবঢ়াইছে তেওঁৰ প্ৰাক্তন সতীৰ্থ যোগীন্দৰ শৰ্মাই। প্ৰাক্তন ক্ৰিকেটাৰজনে কয়, "মাহীৰ ফিটনেছলৈ চালে এনে লাগে যেন তেওঁ এতিয়া নিজৰ ফিটনেছৰ ওপৰত কাম কৰা উচিত। কিন্তু মোৰ মতে তেওঁক জিৰণিৰ প্ৰয়োজন।" যোগীন্দৰে সম্পূৰ্ণ অৱসৰৰ কথা কৈছে নে সাময়িক বিশ্ৰামৰ কথা কৈছে সেয়া স্পষ্ট নহয়। মন কৰিবলগীয়া কথা যে পিছলৈ চেন্নাইৰ হৈ খেলা যোগীন্দৰে ২০০৭ চনৰ টি-২০ বিশ্বকাপ জয়ৰ অন্তিম অভাৰৰ নায়ক আছিল। অৱশ্যে এই উপদেশ ধোনিয়ে মানি ল’ব যেন নালাগে। ইয়াৰ পূৰ্বে তেওঁ কৈছিল, "এই আই পি এল শেষ হ’লে মই অধিক কষ্ট কৰিব লাগিব। অহা ৬-৮ মাহত আমি চাব লাগিব যে মোৰ শৰীৰে চাপ চম্ভালিব পাৰিব নে নোৱাৰে। গতিকে মই এতিয়া কোনো সিদ্ধান্ত লোৱা নাই।" ইফালে, ২০২৫ৰ আইপিএলত প্লে অফত প্ৰৱেশ নকৰিলেও এতিয়াও দুখন খেল খেলিব চিএছকেয়ে। মঙলবাৰে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ক্ৰিজত নমাৰ পিছত আৰু চূড়ান্ত মেচত গুজৰাট টাইটানছৰ বিৰুদ্ধে মান ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ’ব দলটো।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি